একৈশ শতিকা ধেমালি নহয়

সৌৰভ কুমাৰ চলিহা

প্রতিষ্ঠাতা ঃ নৰেন্দ্র চন্দ্র দত্ত, স্থাপিত ঃ ১৯৪৫

একৈশ শতিকা ধেমালি নহয়
আৰু অন্যান্য ৰচনা
সৌৰভ কুমাৰ চলিহা

ISBN 81-7665-202-4

প্রকাশক
শ্রীঅজয় কুমাৰ দত্ত
ষ্টুডেণ্টচ্ ষ্টৰ্চ্
কলেজ হোষ্টেল ৰোড
গুৱাহাটী-৭৮১০০১

পৰিবেশক
ভাৰতী বুক ষ্টল
মেইন ৰোড
গোলাঘাট-৭৮৫৬২১

প্রথম প্রকাশ ঃ জানুৱাৰী, ২০০৪

© *লেখক*

প্রচ্ছদ ঃ ৰবীন বৰুৱা

মূল্য ঃ ৪০.০০ টকা

মুদ্রক
ৰাধাকৃষ্ণ প্রেছ্
৭৫, বৈঠকখানা ৰোড
কোলকাতা-৭০০ ০০৯

বুৰীৰ হাতত—

লেখকৰ একাষাৰ

এই সংকলনৰ ৰচনাসমূহ যথাসম্ভৱ প্ৰকাশ-কালৰ ক্ৰম অনুসাৰে সজোৱা হৈছে, কিন্তু "শিল্পবোধ আৰু দুৰ্গেশ্বৰ" নিবন্ধটি কাৰিকৰী কাৰণত শেষলৈ নিব লগা হ'ল। বন্ধুবৰ শ্ৰীযুত মুনীন্দ্ৰ নাথ বৰুৱাৰ উদ্যোগত আৰু ষ্টুডেণ্টচ্ ষ্ট'ৰচ্ৰ শ্ৰীযুত মৃত্যুঞ্জয় দত্তৰ আগ্ৰহত এই এক-ডজন-এটা নিবন্ধ কিতাপাকাৰে প্ৰকাশ হৈ ওলাল—তাৰ বাবে উভয়লৈকে মোৰ আন্তৰিক ধন্যবাদ ইয়াতে লিপিবদ্ধ কৰিলো। ডঁ ৰঞ্জিতা চৌধুৰী আৰু শ্ৰীঅংকুৰ ডেকাই কিতাপ-আলোচনীৰ যোগান ধৰি সহায় কৰি দিছে, দুয়োৰে শলাগ ল'লো। ষ্টুডেণ্টচ্ ষ্ট'ৰচ্ৰ কৰ্মীসকলে লেখকৰ বিভিন্ন আহুকলীয়া দিহা মানি লৈ কিতাপখন নিয়াৰিকৈ প্ৰকাশ কৰি উলিওৱা বাবে তেখেতসকলকো ধন্যবাদ জ্ঞাপিলো।

সূচীপত্ৰ

- একে ঘৰ, একে ঘৈণী/৯
- কিছ্লভ্স্কিৰ কথাছবি/১৪
- এঁকেশ শতিকা ধেমালি নহয় (১)/২৫
- এঁকেশ শতিকা ধেমালি নহয় (২)/৩২
- অথ ঘেণ্টু সংবাদ/৩৭
- শূন্য পাণবজাৰ/৪৩
- বুজা নাই/৪৮
- হাঁহিৰ হষ্টেল/৫৭
- সৰুকালিৰ দিনবোৰ/৬২
- কলেজলৈ ওলগ/৬৯
- পুৰণি পাণবজাৰ/৭৭
- মোৰ ৰসনা সমগ্ৰ/৮৬
- শিল্পবোধ আৰু দুৰ্গেশ্বৰ/৯০

একে ঘৰ, একে ঘৈণী

টেলিফোনত সন্ধিয়া আকৌ মনোজ গোস্বামী, আকৌ সেই একেটা দাবী—১ জানুৱাৰীৰ বাবে যেনে-তেনে এটা লেখা লাগে—সাংবাদিকৰ কাৰবাৰ বোধহয় সদায় তেনেকুৱাই, সদায় 'একাদশ ঘণ্টা'ত আকস্মিক যোগাযোগ, ভাবটো এনেকুৱা, যেন লেখক নামৰ ৰবট এটা বহি আছে, কোৱাৰ লগে লগে ছাবি টিপি লেখা বাহিৰ কৰি দিব, যেন আমি দৌৰ মাৰি গৈ এতিয়াই হোমৰ কাষত বহি যাব লাগে, নহ'লে লগ্ন পাৰ হৈ যাব, তেতিয়া বেচেৰী কইনাজনীৰ কি হ'ব?

'কইনাজনী' বোধহয় তেওঁলোকৰ বিশেষ 'মিলেনিয়াম' সংখ্যাজাতীয় কিবা এটা—'সহস্রাব্দৰ আৰম্ভণি'ৰ আলমত বোধহয় কিবা পাঙিছে, কিন্তু আমাৰ বুজনত, ২১ শতিকা আৰম্ভ হ'ব ১-১-২০০১ তাৰিখে (গ্রীণিচৰ মান-মন্দিৰেও তেনেকৈয়ে বুজিছে, মার্কিন নৌবাহিনী-বীক্ষণাগাৰৰো সেয়ে মত, 'হুয়ল্-নার্লিকাৰ' সৃষ্টিতত্ত্ব-খ্যাত জয়ন্ত বিষ্ণু নার্লিকাৰেও হেনো তাকেই কৈছে)—অর্থাৎ, নতুন সহস্রাব্দ আৰম্ভ হ'বলৈ এতিয়াও এবছৰ বাকী (আৰু সেইটোও পশ্চিমীয়া পৰম্পৰা—বেলেগ বেলেগ পৰম্পৰা বা কন্‌ভেনশ্যনত সেইবোৰো বেলেগ বেলেগ, যেনে আজি ৩১ ডিচেম্বৰ ১৯৯৯ হ'ল আমাৰ পঞ্জীমতে ১৫ পুহ ১৯২১ শক, অর্থাৎ আমাৰ কেলেণ্ডাৰত শতিকাটো শেষ হ'বলৈ এতিয়াও আছে ৭৯ বছৰ)। গতিকে আমাৰ পক্ষৰ পৰা কোনো লৰা-লৰি নাই, কোনো কইনাৰো বিয়া ভাগি যোৱাৰ কোনো ভয় নাই, আন বহুত দৰা পাব—

গতিকে এটা সুদৃঢ়, বলিষ্ঠ, আপোচবিহীন স্থিতি ল'ব লগীয়া হ'ল যে ১ তাৰিখে নতুন একো নহয়, এটা গতানুগতিক নৱবর্ষ, গতিকে ইমান সংক্ষিপ্ত জাননীত তাৰ বিষয়ে নতুন একো কোৱাৰ কথা ভাবিব পৰা নাযাব, লেখিবলৈ নতুন একো নাই, বেয়া নাপাবা, থৈছোঁ। হেপী নিউ ইয়াৰ্!

স্বস্তিৰ নিশ্বাস পেলাই চিগাৰেটৰ পেকেটটো খুলিলো। কিন্তু দেখিলো বাহ খালী—কি যে বিড়ম্বনা—ল'ৰাটোও ঘৰত নাই, বাধ্য হৈ অনিচ্ছা সত্ত্বেও

দোকানলৈ বুলি বাহিৰ ওলালো। ঘৰৰ পৰা অলপ দূৰ ওলাই আহি ঘাই ৰাস্তাটো চকুত পৰে। দূৰৰ পৰা দেখিলো যেন ধূলিৰ ধুমুহা বৈছে, দিনতো বুজা যায় যদিও তিমান প্ৰকট হৈ নুঠে, কিন্তু এতিয়া ৰাতি গাড়ীৰ লাইটবোৰৰ পোহৰত স্পষ্ট দেখা যায় ৰাশি ৰাশি ধূলি উৰিছে, মূৰে-চুলিয়ে, কাপোৰে-কানিয়ে ধূলি-বালিৰে একাকাৰ হৈ এজন যেন চিনাকি মানুহ হাতত বজাৰৰ মোনা এটা লৈ বেগ দিছে—চুবুৰিৰে গোপাল দাস—'অ', দাস দেখোন', তেওঁৰ ওচৰ পাই ক'লো, 'বজাৰলৈ যায়?' নহয়, তেওঁৰ গেছ শেষ হৈছে, কেবাদিনো হ'ল গেছ যোগাৰ কৰিব পৰা নাই, আজি যেনে-তেনে অলপ কেৰাচিন যোগাৰ নকৰিলেই নহয়, শুনিছে যে ৰেচনৰ দোকানখনত বোধহয় এতিয়া কেৰাচিন দিছে, ৰেচন কার্ডখন লৈ ওলাইছে—

ওচৰৰে গুম্টি এটাৰ পৰা চিগাৰেট কিনিলো, তেওঁক এটা যাচিলো, ক'লো, 'বলক, মইও ওলাই আহিলো যেতিয়া আপোনাৰ লগতে অলপ কথা পাতি পাতি যাওঁ—'

'বাঃ আপুনি দেখোন আবেলি পাৰিলে একেবাৰে নোলায়েই, আজিনো কিয়—' 'নাই, চিগাৰেট কিনিব লগা হ'ল—আৰু এইমাত্ৰ কাম এটাৰ পৰা সাৰিলো, নৱবৰ্ষৰ বাবে কিবা এটা লেখা—মনটো পাতল লাগিছে—অৱশ্যে, আপুনি ঠিকেই কৈছে, আবেলিৰ পিনে পাৰিলে কেতিয়াও নোলাওঁ—আবেলি কি, দিনতেই ওলাবৰ মন নাযায়—যি ৰাস্তা, যি ট্ৰেফিক, বৰষুণ দিলে নৰক, বৰষুণ নিদিলে ধূলি আৰু আবর্জনা আৰু দুর্গন্ধ, মস্ত মস্ত গাঁত, অকথ্য ভিৰ—আমাৰ চহৰবোৰত তো ৰাস্তা বুলি কোনো বস্তু নাই! আমি কিনিছোহে কিনিছো নতুন নতুন চিকচিকীয়া গাড়ী, কিন্তু এইটোহে নুবুজোঁ যে গাড়ী চলাবৰ কোনো ৰাস্তা নাই—কি অসম্ভৱ জেম্, বাম্পাৰ টু বাম্পাৰ, ঠেকা-ঠেকি—দুঘণ্টা আগেয়ে ঘৰৰ পৰা ওলাই আহিলেও আপুনি ঠিক টাইমত গন্তব্য স্থান গৈ নাপায়—সিদিনা মিনি বাছ গণেশগুৰি ক্ৰছিঙৰ কাষত প্ৰায় কুৰি মিনিটৰো বেছি ৰৈ আছে। অৱশেষত বিকট চাইৰেণ বজাই চবপিনে বন্দুক-এ কে ফ'ৰটী ছেভেন টোৱাই টোৱাই হুচ হুচ কৰি মস্ত ভি আই পি কনভয় পাৰ হৈ গ'ল, বৰ ইণ্টাৰেষ্টিং কথা-বার্তা শুনিলো মোৰ কাষতে বহা দুজন মানুহৰ, এজনে কৈছে, 'উঃ কিয় ইমান দেৰি বাছ ৰৈ আছে—', ইজনে উত্তৰ দিছে—'এ নহয়, কোনোবা চোৰ-ডকাইত পাছ কৰিব বোধহয়'—

'হেঃ হেঃ—'

সুলভ মূল্যৰ দোকানখন পাই জানিব পৰা গ'ল যে কেৰাচিন এতিয়াও অহা নাই—'কালি এবাৰ খবৰ কৰক'—নহ'লে একেবাৰে অহা সপ্তাহত বুধবাৰমানে দিব পাৰিব, গতিকে দাসে এটা হতাশাৰ মুখভংগী কৰিলে আৰু দুয়ো ৰাস্তাত নামিলো। দোকানখনৰ প্ৰায় সমুখতেই মাটিত এখন থৈলা পাৰি এটা ফটা পাতল চোলা পিন্ধা এজনী ন-দহ বছৰীয়া ছোৱালী বহি জাৰত অলপ কঁপিছে, কাষত দুটামান চুপি আৰু এটা ডাঙৰ প্লাষ্টিকৰ ঢামাত কেৰাচিন—তাৰ পৰা অলপ দূৰত অনুৰূপভাৱে বহি আছে জুপুকা মাৰি এজনী বুঢ়ী (বাংলাদেশী, অৱশ্যেই)।

'কিমানকৈ দিছ অ'?—গোপাল দাসে সুধিলে।

'পোন্ধৰ টকা'। 'পোন্ধৰ! বাপ্, ইমান দাম বাঢ়িলনে? সিদিনালৈকে দেখোন দহ টকা আছিল। বাৰমান দিওঁ দে?'. 'নাই বাবু, আমাৰ কিনা দামেই তেৰ টকা, তাৰ ওপৰত ঠেলা ভাৰা আছে—'

অগত্যা নিৰুপায় হৈ দাসে বিৰক্তমুখে ত্ৰিশ টকাৰে দুই লিটাৰ কেৰাচিন ল'লে, ক'লে, 'চাওকচোন কি কাণ্ড, চাৰে তিনি টকাৰ কেৰাচিন কিনিব লগা হৈছে পোন্ধৰ টকাত! দোকানত কেৰাচিন নাই, অথচ তাৰ সমুখতে কেৰাচিন উভেনদী—'

'হয়', মই ক'লো আৰু সমুখৰ তথাকথিত 'ৱাইন শ্বপ' এখনৰ নিয়ন-চাইনখনৰ পিনে আঙুলিয়ালো, 'খাবলৈ খোৱা পানীও নাই, কেঁচুৱাৰ বাবে গাখীৰো নাই, কিন্তু ৰাস্তাই-ৰাস্তাই মদ উভেনদী—যি হওক, আমি চোৰ-ডকাইতৰ হাতলৈ বাৰে বাৰে চৰকাৰ তুলি দিওঁ যেতিয়া, আমাৰ প্ৰাপ্য আমি পাই আছোঁ—চাৰে তিনি টকাৰ কেৰাচিন পোন্ধৰ টকাত কিনিছোঁ—যোগান বিভাগ, ৰাজহ বিভাগ, পুলিচ-চোৰাংচোৱা, পৌৰ-নিগম, চবৰে চকুৰ আগতে এই চব চলি আছে—আপোনাৰ হাতৰ এই দুই লিটাৰ কেৰাচিনতে সোমাই আছে কৌটি কৌটি নির্লজ্জ টকাৰ ভাগ-বিভাগ, মন্ত্ৰী-পালিমন্ত্ৰীৰ পৰা আৰম্ভ কৰি একেবাৰে তলৰ দালালটোলৈকে—অৱশ্যে', কিবা এটা চিন্তা কৰি ক'লো, 'মানুহজনে কালি এবাৰ খবৰ লোৱাৰ কথা কৈছিল, আজি আপুনি ইমান দাম দি এই দুই লিটাৰ নল'লেও হ'লহেঁতেন নেকি—কালি কিজানি পায়েই যায়—'

'নাই নাই, তেওঁলোকৰ কথা মই জানো নহয়', গোপাল দাসে ক'লে,

'কালিও সেই একেটা কথাকেই ক'ব, 'অহা সপ্তাহত খবৰ কৰক', আজি যি কালিও সি, কিনো ডিফাৰেন্স আছে—'

মোৰ ক'বৰ মন গ'ল যে সেইটোও সঁচা, এই সৰু ছোৱালীজনী কালিও ইয়াত বহি বহি কঁপিব, অথচ সংবিধান অনুসাৰে শিশুৰ কাৰণে প্ৰাথমিক শিক্ষা হ'ব লাগে বাধ্যতামূলক আৰু বিনামূলীয়া, কিন্তু কোনোখন চৰকাৰে সেইটো হ'ব নিদিয়ে, কিয়নো বিশালসংখ্যক অশিক্ষিত মানুহ নাথাকিলে তেওঁলোকৰ সান্দহ খোৱা বালি তল যাব, তেওঁলোকে আৰু ছলাহী-ধাপ্পাবাজীৰে ভোট যোগাৰ্ব কৰি থাকিব নোৱাৰিব—'আৰু তাৰোপৰি' গোপাল দাসে ক'লে 'কালি হ'ল নিউ ইয়াৰ্ছ ডে', এওঁ লাগি আছে কালি কিবা এটা আউটিং-টাউটিং কৰিব লাগে—অৱশ্যে মই তাৰ বিশেষ কোনো মানে নেদেখোঁ, ৩১ ডিচেম্বৰ বা ১ জানুৱাৰী, কি নো পাৰ্থক্যটো আছে, এইবোৰ মানুহে আৰ্টিফিচিয়েলী দি লোৱা কিছুমান দাগহে, কালিওতো সেই একে ধৰণে সূর্য্য উঠিব, পৃথিৱী ঘূৰিব—' 'নহয়' মই ক'লো, 'মাজে মাজে মানুহক স্ফূৰ্তি-তামাচা কৰিবৰ একোটা অচিলা লাগে, অৱকাশ লাগে, সকাহ লাগে—অলপ ৰিলাক্স কৰিবৰ কিবা এটা এক্সকিউজ লাগে—পাৰ্টী, এনিভার্ছাৰী, বার্থ-ডে', পূজা, খৃষ্টমাছ, বিহু—'

'হয়' গোপাল দাসে ক'লে, 'পিছে তাৰো ৰকমভেদ আছে—যেনে ধৰক, আপুনি যে ক'লে বিহু—বিহুৰ আনন্দ উৎসৱ, গীত-মাত-নাচ-খোৱা-বোৱা, কোৱাইট জাষ্টিফাইড্—বছৰটো পৰিশ্রম কৰি মানুহে খেতি কৰিছে, উৎপাদন কৰিছে, তাৰ ফচল পাইছে, পৰিশ্রমৰ পুৰস্কাৰ হিচাবে, উপহাৰ হিচাবে, অলপ ৰং-ধেমালি, অলপ খোৱা-বোৱা—কিন্তু যোৱা বছৰটোত আমি কি উৎপাদন কৰিলো, কি পৰিশ্রম কৰিলো—ফৰ্ ডেট্ মেটাৰ্, যোৱা শতিকাটোৱেই, বিশেষকৈ যোৱা আধা শতিকাত, আমি কি উৎপাদন কৰিলো, পৰিশ্রম কৰিলো, অধ্যৱসায় কৰিলো? কিটো আমি কৰিলো যে কেলেণ্ডাৰত ১ জানুৱাৰী বুলি ৰঙা চিন এটা আছে দেখিয়েই আমি এটা উৎসৱ পাতি খৰচে খৰচান্ত হৈ এখন তোলপাৰ লগাব লাগিব—।

'নাই', মই ক'লো, 'আনন্দ উৎসৱৰ, এণ্টাৰটেইনমেণ্টৰ, বিলাক্সেশ্যনৰ কিবাকিবি এক্সকিউজ আমাক লাগিবই—আমাৰ দাল-দৰিদ্র ধোদ জাতিটোকো লাগিব (বোধহয় বেছিকৈয়ে লাগিব), কালি গোটেই পৃথিৱীয়ে 'মিলেনিয়াম' কৰিব, গতিকে, আমিও কৰিম—লাগিলে ২০০১ চনত আকৌ কৰিম,

অধিকন্তু ন দোষায়, কি কয়?)—যি হওক, সদ্যহতে মইও যে নিউ ইয়াৰৰ বাবে কিবা এটা লেখি উলিওৱাৰ ঝামেলাটো এৰাব পাৰিলো, সেইটোও তো মোৰ বাবে অলপ স্ফূৰ্তি কৰাৰ এটা এক্সকিউজ, আপুনিও তো ডিঙিটো কাটি হ'লেও আজিলৈ কেৰাচিন দুটোপ পালে—দেখিছোঁ এই 'ৱাইন্ শ্বপ্'খনৰ লগত এখন 'বাৰো' আছে, আহক, সদ্যহতে ইয়াতেই এটুপি ধৰি লৈ অলপ হাঁহি লওঁ—'

'হাঁহি ল'ব? আমাৰ আৰু কিবা হাঁহিব লগীয়া আছে নেকি? আমি আৰু হাঁহিব পৰা মানুহ হৈ আছোঁ নেকি?' অলপ যেন আফচোচেৰে দাসে ক'লে।

'তাকেইতো কৈছোঁ' মই ক'লো, 'চাৰিওপিনে যি দৃশ্য, হাঁহিবলৈ আজিকালি আমাক কৃত্রিম উপকৰণ লাগিব—আর্টিফিচিয়েল ষ্টিমুলাছ লাগিব—গতিকে আহক, এই 'বাৰ্'খনতেই নৱবর্ষ বুলি সোমাই পৰোঁ, যদিও আপুনিও জানে মইও জানো যে আজি যি কালিও সি—সময় বয় নিৰৱচ্ছিন্ন, নতুন একো নাই—মাথোঁ, সেই কথাটোকে আমি ৰস লগাই ক'ব নাজানো, উইটিলী ক'ব নাজানো—গতিকে ৰসিক ব্যক্তিৰ ভাষাৰেই আমি কথাবোৰ কওঁচোন—

যেনে?

'এই ধৰক ইজাক্ বাশ্বেভিছ ছিংগাৰ্—জানে নহয়, আমেৰিকাত থাকে, ইদ্দিশ ভাষাত গল্প লেখে, অৱশেষত তাৰ বাবে পালে ন'বেল প্রাইজ, সাংবাদিকে সুধিলে—আচ্ছা, ন'বেল প্রাইজ পোৱাৰ পিছত বাৰু আপোনাৰ জীৱন-প্রণালীৰ, আপোনাৰ লাইফ-ষ্টাইলৰ কি পৰিৱর্তন হ'ব? তেওঁ ক'লে, 'নাই, একো পৰিৱর্তন নহয়, চব একেই থাকিব—একেটা ঘৰ, একেটা কোঠালি, একেখন লেখা-পঢ়াৰ মেজ, একেগৰাকী ঘৈণী'—'

(আমাৰ অসম, ১-১-২০০০)

কিছ্‌লভ্স্কিৰ কথাছবি

এটা দুর্ঘটনাত (বস্তুতঃ দুটা দুর্ঘটনাত) আঘাত পাই আস্পতাল, তাৰ পিছত কিছুদিনৰ বাবে প্রায় গৃহবন্দী, তেনে অৱস্থাত একো পঢ়া-শুনা কৰিবৰ মন নাযায়, বাতৰি কাকতখনো ওপৰে ওপৰে চাই এফলীয়াকৈ থৈ দিওঁ। তথাপিও, সুদীর্ঘ নিষ্কর্মা মিনিটবোৰ পাৰ কৰি দিবলৈ হাততে পোৱা দুই-এখন কিতাপ-আলোচনীৰ পাত মাজে মাজে লুটিয়াই চাওঁ—এপাত-দুপাতকৈ চাওঁতে তেনেকৈ এখন কিতাপ প্রায় গোটেইখন ('ৰেফাৰেন্স' আদি কিবা-কিবি বাদ দি) পঢ়ি পেলোৱা গ'ল—মনোজ কুমাৰ গোস্বামীৰ সৌজন্যত প্রাপ্ত 'কিছ্‌লভ্স্কি অন্ কিছ্‌লভ্স্কি' (Kies'lowski on Kies'lowski)।



(আণ্ড্রে ভাইডা, ৰমান্ পলান্স্কি, জে'ৰী স্কলিমভ্স্কি আৰু ক্রিষ্টফ্ জানুছিৰ লগতে) ক্রিষ্টফ্ কিছ্‌লভ্স্কি আজি অন্যতম বিশিষ্ট পলিশ্ কথাছবি নির্মাতাৰূপে সুপ্রতিষ্ঠিত। পলিশ্ শব্দবোৰত বহুতো Z আৰু আঁচ আদি থাকে, নামবোৰৰ উচ্চাৰণ কেনেকুৱা বুজা টান—Krzysztof K'ies'lowski নামটো আমি ইয়াত কৃষ্টফ্ কিছ্ (জ্?) লভ্স্কি বুলিয়েই লিখিছোঁ (হয়তো সম্পূর্ণ শুদ্ধ নহয়)—জন্ম ৰাৱ্ছত ১৯৪১ চনৰ জুন মাহত; প্রথমতে সৰু সৰু ডকুমেণ্টাৰী ফিল্ম নির্মাণ কৰে, পিছলৈ 'ফিচাৰ্'-ফিল্ম আদি; ১৯৯৬ চনত তেওঁৰ মৃত্যু ঘটে। কিছ্‌লভ্স্কিৰ লগত হোৱা অন্তৰংগ আলোচনাৰাজিৰ ভিত্তিত কিতাপখন সম্পাদনা কৰিছে ডানুছিয়া ষ্টক্ (Danusia Stok)-য়ে— তেওঁ এগৰাকী লেখিকা আৰু অনুবাদিকা, বহু দিন ধৰি পলিশ্ ডকুমেণ্টাৰীৰ লগত অনুবাদিকা আৰু গৱেষিকাৰূপে জড়িত, আৰু ছায়াছবিৰ লেখিকাৰূপেও।

(লণ্ডনৰ 'faber and faber'য়ে প্রকাশ কৰি উলিওৱা এইলানি কিতাপৰ অন্যতম দুখন—Fellini on Fellini আৰু Hitchcock on Hitchcock—পঢ়িবলৈ মনটো উচপিচাই আছে।) কিছ্‌লভ্স্কিৰ চমু পৰিচয় দিবলৈ আমি ইয়াত কিতাপখনৰ প্রকাশকৰ কথাখিনিকেই উদ্ধৃত কৰিলো ঃ

"১৯৯৬ চনত ক্রিষ্টফ্ কিছ্‌লভ্স্কিৰ অকাল বিয়োগত চিনেমাই এজন মহান সৃষ্টিশীল দ্রষ্টা (visionary) হেৰুৱালে। Decalogue, The Double Life of Veronique আৰু Three Colours—ত্রিখণ্ডী (trilogy)ৰে কিছ্‌লভ্স্কিয়ে বিশ্বমানৰ উৎকর্ষতাসম্পন্ন চিত্রনির্মাতাৰ খ্যাতি অর্জন কৰিছে। নিজৰ কথা ক'বলৈ কিছ্‌লভ্স্কি আছিল দুৰন্তভাৱে অনিচ্ছুক, এনেকি নিজৰ কৃতি আৰু প্রতিভাৰ কথা উঠিলে সেইবোৰ একেবাৰে নাকচেই কৰি দিছিল, কিন্তু (এই কিতাপৰ) এইবোৰ মুকলি আৰু বিতং আলোচনাই চিত্র নির্মাণৰ প্রতি তেওঁৰ তীব্র অনুৰাগী জীৱনটো স্পষ্ট কৰি দেখুৱাই দিয়ে—যি জীৱন হিটলাৰ আৰু ষ্টালিনৰ দ্বাৰা (আৰু এই দুই ব্যক্তিয়ে পূব ইউৰোপত আনি দিয়া পৰিণতিয়ে) বিপর্যস্ত কৰি পেলাইছিল। নিজৰ হেৰোৱা সত্তা/পৰিচয় পুনর্সাব্যস্ত কৰিবলৈ পলেণ্ডে কৰিব লগীয়া সংগ্রামৰ প্রতিফলন ঘটিছে চিত্রনির্মাতাৰূপে কাম কৰিবলৈ কিছ্‌লভ্স্কিয়ে কৰিব লগীয়া হোৱা সংগ্রামত। ১৯৮৯ চনত যেতিয়া বার্লিন দেৱালৰ পতন ঘটিল আৰু পূব উইৰোপীয় ৰাষ্ট্রসমূহে ছভিয়েট নিপীড়নৰ বোজা ওফৰাই পেলালে, কিছ্‌লভ্স্কিৰ স্থিতিয়ে দিশ ল'লে ফ্রান্সলৈ। পলেণ্ড আৰু ফ্রান্সৰ মাজত সময় ভগাই কিছ্‌লভ্স্কিয়ে ৯০-ৰ দশকৰ কেইখনমান অতি গুৰুত্বপূর্ণ চিনেমা-কৃতি সম্পন্ন কৰিলে।"

কেইটামান উদ্ধৃতি

চিনেমা প্রসংগ ঃ

"চলচ্চিত্র-নির্মাণ মানে দর্শকমণ্ডলী নহয়, উৎসৱ, সমালোচনা, সাক্ষাৎকাৰ নহয়। ইয়াৰ মানে হ'ল প্রতিদিন পুৱা ছয়টা বজাত বিছনা এৰা। ইয়াৰ মানে হ'ল জাৰ, বৰষুণ, বোকা, গধুৰ গধুৰ লাইট কঢ়িয়াই নিয়া। এইটো এটা হাৰাশাস্তি ব্যাপাৰ, আৰু এটা সময়ত আন সকলো কথা হৈ পৰে গৌণ—নিজৰ পৰিয়াল, অনুভূতি, ব্যক্তিগত জীৱন...ছবি নির্মাণৰ বাবে যিটো বস্তু অত্যাৱশ্যকীয়, ধৈর্য্য, তাৰ শেষ সীমাত আহি পৰোঁ। অভিনেতাৰ কথা

লৈ ধৈর্য নাথাকে, ধৈর্য নাথাকে আলোক-সম্পাতী কেমেৰামেনৰ কথাত, বতৰৰ কথাত, ৰৈ থাকিবলগীয়া হোৱাৰ কথাত, এই কথাত যে যিধৰণে বিচাৰিছোঁ সেইধৰণে দেখোন একো হৈ নুঠে...অথচ মোৰ এই অধৈর্য মই দেখুৱাবও নোৱাৰোঁ...."

... ...

"কেইবছৰমান আগেয়ে ফৰাচী কাকত 'লিবাৰেশ্বিঅঁ' (Libération)ই বিভিন্ন পৰিচালকক সুধিছিল তেওঁলোকে কিয় ছবি কৰে। তেতিয়া মই উত্তৰ দিছিলো ঃ 'কিয়নো অইন একো কৰিব মই নাজানো'..."

... ...

চিনেমা বনাম টি.ভি. ঃ

"টি.ভি.ৰ বাবে নির্মিত ছবি আৰু চিনেমাৰ বাবে নির্মিত ছবিৰ পার্থক্য কি? (...বৃটিছ টি.ভি.য়ে—বিশেষকৈ বি.বি.চি. আৰু চেনেল্-৪-য়ে কথাবোৰ বহু বেছি উদাৰনৈতিকভাৱে আৰু আন্তৰিকতাৰে অনুশীলন কৰে...), কিন্তু আমেৰিকাকে ধৰি বহু সংখ্যক দেশতেই টি.ভি. হ'ল মূর্খালি (idiotic), কিয়নো সম্পাদকসকলে ভাবে যে মানুহ মূর্খ। মই নাভাবোঁ যে মানুহ মূর্খ আৰু সেয়ে মই দুয়োবিধ দর্শককে সমান গুৰুত্বসহকাৰে লওঁ। ফলত, টি.ভি.ৰ বাবে নির্মিত আৰু চিনেমাৰ বাবে নির্মিত ছবিৰ উপস্থাপনত মই কোনো ডাঙৰ পার্থক্য বিচাৰি নাপাওঁ।" (যেনে ঃ Dekalog ইং Decalogue—হ'ল বাইবেলৰ 'দহ অনুজ্ঞা' (The Ten Commandments)ৰ ভিত্তিত নির্মিত দহখন টি.ভি. ছবি।)

... ...

আমেৰিকা ঃ

"আমেৰিকাই যে মোক আকর্ষণ নকৰে তাৰ বহুতা কাৰণ আছে। প্রথমত ঃ মই আমেৰিকা ভাল নাপাওঁ। অতি বৃহৎ। বহু বেছি মানুহ। সকলোৱে অতি দ্রুতবেগে ছুটাছুটি কৰিছে। অত্যধিক কোলাহল, অত্যধিক হৈ-হাল্লা। সকলোৱে খুব কষ্ট কৰি ভাও দিয়ে যে তাত তেওঁলোক সুখী। মই কিন্তু তেওঁলোকৰ সুখৰ কথাত বিশ্বাস নকৰোঁ। মই ভাবোঁ তেওঁলোকে আমাৰ দৰেই অসুখী, মাথোঁ আমি এতিয়াও মাজে মাজে সেই কথাটো কওঁ। কিন্তু তেওঁলোকে

মাথোঁ কয় যে সব ঠিক আছে, সব চমৎকাৰ...দ্বিতীয়তঃ, তাত পৰিচালকক সম্পাদনা-কক্ষত সোমাব নিদিয়ে, অন্ততঃ ডাঙৰ ষ্টুডিঅ'বোৰত...কিন্তু মই অৱশ্যেই সম্পাদনা বাদ নিদিও...চিগাৰেট মানা...গতিকে আমেৰিকাৰ প্রতি আকর্ষিত নোহোৱাৰ যথেষ্ট কাৰণ আছে...মই আমেৰিকাক ভয় খাওঁ। নিউইয়র্কত গ'লেই ভাব হয় এই বোধহয় সব জহি-খহি পৰিব, একমাত্র চিন্তা আহে সেইটো হ'বৰ হ'লে কেনেকৈ সেইটো এৰাই যাম...সর্বত্র বিশালসংখ্যক গাড়ী, সঁচাকৈয়ে সন্দেহ জাগে ভিতৰত কোনো আমেৰিকান আছে নে নাই? মানে, গাড়ীৰ ভিতৰত কোন? সদায় এইটোৱেই ভাব আহে যে গাড়ীবোৰ নিজে নিজে চলে...এনেকি সৰু সৰু 'জিলাৰ ঠাইবোৰ'তো...ভয় খাওঁ, সদায় পলাওঁ... মোৰ হোটেললৈ পলাওঁ, পাৰিলে শুই পৰোঁ..."

... ...

আমেৰিকান বনাম ইউৰোপীয় মানসিকতা ঃ

"নিউইয়র্ক ফিল্ম উৎসৱত যেতিয়া 'ভেৰনিকিৰ দ্বৈত জীৱন' (ইং, The Double life of Véronique) দেখুওৱা হয়, এটা সময়ত মই বুজিলো যে তাৰ সমাপ্তিত আমেৰিকাৰ মানুহ একেবাৰে বিভ্রান্ত হৈছে—ভেৰনিক্ নিজৰ পৰিয়াল-গৃহলৈ উভতিছে, তাত তেওঁৰ দেউতাক আছে—দৃশ্যটো অতি ৰহস্যাবৃতভাৱে দেখুওৱা হৈছে, কিন্তু আমেৰিকান দর্শকে বুজা নাই যে তাই নিজৰ ঘৰলৈ উভতি গৈছে, যে সেই ঘৰটোত থকা মানুহজন তাইৰ দেউতাক —আৰু সেইটো বুজিলেও এইটো বুজা নাই, তাইনো কিয় ঘৰলৈ উভতি গৈছে—

"আমি ইউৰোপীয়সকলৰ বাবে পৰিয়ালৰ ঘৰলৈ উভতি যোৱাটোত নিহিত হৈ আছে এটা বিশেষ প্রমূল্য, যিটো আমাৰ পৰম্পৰাত আছে, আমাৰ ইতিহাসত আৰু কৃষ্টিত আছে। এইটো পোৱা যায় 'অ'ডিছি'ত, আমাৰ সাহিত্য, নাটক আৰু কলাই যুগ যুগ ধৰি পিতৃ-ভিঠাৰ (পৰিয়ালৰ আবাসৰ) বিষয়টো লৈছে এখন স্থান হিচাপে, যিয়ে গঢ়িছে কেতবোৰ মূল্যবোধ। আৰু আমি প'ল্সকলৰ বাবে—প'ল্সকল বৰ ৰোমাণ্টিক—পৰিয়াল-গৃহৰ বিষয়টো আমাৰ জীৱনৰ এটা অপৰিহার্য্য কথা—সেয়ে ছবিখন মই তেনেকৈ শেষ কৰিলো। কিন্তু মই বুজি পালো যে আমেৰিকাত কোনেও কথাটো নুবুজিলে। গতিকে মই আমেৰিকানসকলক ক'লো যে মই তেওঁলোকৰ বাবে বেলেগ এটা সমাপ্তি

দেখুৱাম, যাতে তেওঁলোকে বুজি পায় যে এইটো পৰিয়ালৰ ঘৰ। সেয়ে মই তাকেই কৰিলো। পাছলৈ মই ভাবিবৰ চেষ্টা কৰিলো আমেৰিকানসকলে কিয় এই ধাৰণাটো বুজি নাপায়। মই আমেৰিকা বুজি নাপাওঁ, আৰু ইয়াৰ গভীৰত কি আছে বুজিবৰ চেষ্টা কৰোঁতে মোৰ মনত পৰিল এটা কাহিনী।"

কাহিনীটো (কিছুলভ্স্কি নিশ্চিত নহয় এইটো তেওঁ ক'ৰবাত শুনা কাহিনী, নে নিজৰ অভিজ্ঞতা, নে কল্পনা—কল্পনা আৰু বাস্তৰ আৰু স্মৃতি আৰু বিস্মৃতি একাকাৰ হৈ গৈছে) এই ঃ কিছুলভ্স্কি গৈ আছে বিমানেৰে আমেৰিকালৈ, অলপ শুই লোৱা বা কিতাপ এখন পঢ়াৰ ইচ্ছা। কিন্তু কাষৰ আসনৰ এজন কথাচহকী জার্মানে উপযাচি কথা আৰম্ভ কৰিলে—কোনেও কাৰো ভাষা নাজানে, কিন্তু একধৰণৰ ইংৰাজীৰে কাম চলি গ'ল। 'আপুনি কি কৰে?' 'ছবি কৰোঁ'। 'বৰ ইণ্টাৰেষ্টিং'। 'হয় বৰ ইণ্টাৰেষ্টিং'। 'মই খিৰিকী বনাওঁ।' 'বৰ ইণ্টাৰেষ্টিং'। 'হয়, অবিশ্বাস্য ধৰণে ইণ্টাৰেষ্টিং।' জার্মানীত তেওঁৰ আছিল সর্বোত্তম আৰু বৃহত্তম খিৰিকীৰ কাৰখানা—দামো চৰা, কিন্তু ৫০ বছৰৰ নিশ্চয়তা (গেৰাণ্টি)। খুব চলে, জার্মানসকল সুখী যে ৫০ বছৰলৈ খিৰিকী নাভাঙে। জার্মানীত সফলতাৰ পিছত আন ইউৰোপীয় উদ্যোগীৰ দৰেই তেওঁও ঠিক কৰিলে যে এইবাৰ আমেৰিকালৈ গৈ বেপাৰ তৰিব। আমেৰিকাতো কাৰখানা ল'লে, বিজ্ঞাপনত বহুত ধন ঢালিলে—বাতৰিকাকত, টেলিভিশ্যন, প্ৰচাৰ-পত্ৰ, কেটেলগ, সকলো—তাতো ৫০ বছৰৰ গেৰাণ্টি দিলে। উৎকৃষ্ট খিৰিকী, ৫০ বছৰৰ গেৰাণ্টি, কিন্তু কোনেও নিকিনে, এজনো গ্ৰাহক নাই। শেষত গেৰাণ্টিকাল নমাই দিলে ২০ বছৰলৈ, দাম একেই ৰাখিলে। এতিয়া মানুহে খিৰিকী কিনিব আৰম্ভ কৰিলে। তেওঁ গেৰাণ্টিকাল আৰু নমাই দিলে, ১০ বছৰলৈ, দাম একেই ৰাখিলে। বিক্ৰী বাঢ়ি গ'ল চাৰিগুণ। এতিয়া তেওঁ আমেৰিকালৈ যাব ধৰিছে আৰু এটা কাৰখানা কিনিবলৈ, গেৰাণ্টিকাল এইবাৰ নমাই দিব ৫ বছৰলৈ। দাম একে ৰাখিব।" তেওঁলোকে কিয় ৫-বছৰীয়া গেৰাণ্টিৰ খিৰিকী কিনে, অথচ ৫০ বছৰীয়া গেৰাণ্টিৰ খিৰিকী নিকিনে? কাৰণ একেটা ঠাইতে ৫০ বছৰ বহি থকাৰ কথা তেওঁলোকে কল্পনাই কৰিব নোৱাৰে। তেওঁলোকৰ বাবে সেইটো অভাৱনীয়। সেয়ে, পৰিয়াল-ঘৰ যে এটা বস্তু য'ত এটাৰ পিছত এটা প্ৰজন্মই জীৱন অতিবাহিত কৰি যায় তেনে এটা ধাৰণা তেওঁলোকৰ ভাবনাৰ অতীত। কিয়নো তেওঁলোকে সঘনে থকা-ঘৰ সলনি কৰি থাকে।"

... ...

কিতাপখন চিনেমাপ্ৰেমীৰ বাবে (আৰু মইও তেনে এজন পঢ়ুৱৈ), কিন্তু কিতাপখন পঢ়ি যাওঁতে যি এটা প্ৰেৰণাদায়ক তৃপ্তি পালো তাৰ কাৰণ অকল চিনেমাই নহয়, আৰু প্ৰথমতে সেই উপলব্ধি মনলৈ নাহিল, কিন্তু পিছত মনত খেলালে যে এই ভাললগাৰ এটা প্ৰচ্ছন্ন কাৰণ হ'ল তাৰ পাতে পাতে অঘোষিত ভাষাত ফুটি উঠা দেশপ্ৰেম—পলেণ্ডৰ মানুহৰ দেশপ্ৰেম।

বোধহয় মাথোঁ এঠাইত কিছুলভ্স্কিয়ে স্পষ্টভাষাত এই কথা ব্যক্ত কৰিছে ঃ

"পলেণ্ডৰ প্ৰতি মোৰ মৰম হ'ল এটি বহুদিনীয়া পৰিয়ালৰ দৰে, য'ত এহাল দম্পতীৰ ইজনে-সিজনৰ বিষয়ে সকলো জানে আৰু ইজনে-সিজনৰ কথাত কিছু আমনি পাই থাকে (bored), কিন্তু এজন ঢুকালে আনজনে লগে লগে তেওঁক অনুসৰণ কৰে। পলেণ্ড অবিহনে জীৱন মই কল্পনা কৰিব নোৱাৰোঁ। পশ্চিমত—য'ত এতিয়া মই আছোঁ—নিজৰ বাবে ঠাই এখন উলিয়াই ল'বলৈ মই বৰ টান পাওঁ, যদিও তাত বিধি-ব্যৱস্থা চমৎকাৰ...মই নিজকে এজন বিশ্ব-নাগৰিক বুলি অনুভৱ নকৰোঁ, মই এতিয়াও নিজকে অনুভৱ কৰোঁ এজন প'ল্..."

এনেকুৱা কথা অসমীয়া মানুহে ক'বলৈ গ'লে জগৰ লাগিব ('সংকীর্ণমনা' আদি গালি খাব), কিন্তু দেশপ্ৰেম থকা সকলো জাতিয়েই এই কথাখিনিৰ ভাবার্থ বুজি পাব, কিয়নো কিছুলভ্স্কিৰ ছবিবোৰ পলেণ্ড-ভিত্তিক যদিও, সেইবোৰৰ বিষয়বস্তু আৰু আবেদন সার্বজনীন, সেয়ে ছবিবোৰ সর্বত্ৰ সমাদৃত।

এই দেশপ্ৰেমৰ আন এটা চানেকি হ'ল কাহিনী-চিত্ৰ আদিৰ নির্মাণৰ মাজতো যেতিয়াই যি পাৰে পলেণ্ডৰ মানুহৰ ভাল, প্ৰশংসনীয় দিশবোৰৰ আলেখ্য কেমেৰা আৰু মাইক্ৰ'ফ'নেৰে ধৰি ৰখাৰ হাবিয়াস ঃ

[কিছুলভ্স্কিৰ 'চিনেমা-কৃতি'ৰ পৰা দুটা উদাহৰণ]

১। ... ('আস্পতাল' ছবিখন) প্ৰথমতে ডাক্তৰৰ বিষয়ে ভৰা হোৱা নাছিল। ভৰা হৈছিল এইটো কথা যে আমাক ঘেৰি থকা এই সমস্ত ছেদেলি-ভেদেলি বিশৃংখলা, এই সমস্ত মলিনতা, শক্তিহীনতা, মানবীয় অক্ষমতা, কোনো কিছু সমাপন কৰিবলৈ অসমর্থতা, কিবা এটা ভালদৰে কৰিবলৈ অপাৰগতা, এই সকলোবোৰৰ মাজতো একোদল মানুহ আছে, যিসকলে কিবা এটা কৰিব পাৰে,

যাক আজি আমি সফলতা বুলি ক'ব পাৰোঁ। কিন্তু মোৰ বাবে যিটো কথা গুৰুত্বপূৰ্ণ আছিল সেইটো এই যে তেওঁলোকে লেখতল'বলগীয়া ধৰণে ভাল কিবা এটা কৰিছে, উপযুক্ত কৰণীয় কিবা এটা কৰিছে। মই বেলেগ বেলেগ ধৰণৰ মানুহৰ কথা ভাবি চালো...খুব ভাল ভলীবল টিম্ এটা আছে, মণ্ট্রিয়েল অলিম্পিক্সত এটা স্বৰ্ণপদক পাইছে...খনিৰ ভিতৰত ঘটা দুৰ্ঘটনাত দিনৰ পিছত দিন অসহ্য কষ্ট মূৰ পাতি লৈ মৃতপ্ৰায় বনুৱাসকলক উদ্ধাৰ কৰা মানুহৰ দল...অৱশেষত এঠাইত পালো (এদল ডাক্তৰ)...তেওঁলোকে দিনটোৰ ২৪ ঘণ্টা তো কাম কৰেই, তাৰ উপৰিও খাটে আৰু ৭ ঘণ্টা, মুঠতে বিৰামহীনভাৱে ৩১ ঘণ্টা..."

'আস্পতাল (Hospital 1976)' ঃ

তথ্যচিত্ৰ। কেমেৰাই অনুসৰণ কৰি যায়, ৩২-ঘণ্টীয়া পাল (shift)ত কৰ্মৰত শৈল-চিকিৎসকৰ দল। তেওঁলোকৰ হাতত যন্ত্ৰপাতি ভাঙি পৰে, বিজুলী বন্ধ হৈ যায়, প্ৰয়োজনীয় প্ৰাথমিক বস্তু-বাহানিৰ নাটনি আহি পৰে, কিন্তু এই ডাক্তৰসকলে তেওঁলোকৰ হাস্যৰস বজায় ৰাখে, ঘণ্টাৰ পাছত ঘণ্টা ধৈর্য্য অটুট ৰাখি কাম কৰি যায়।"

—৩৫ মি.মি., ক'লা-বগা
—২১ মি. ৪ চে.

২। অভাৱ-অনাটন-নিষেধ-নিপীড়নৰ নৈৰাশ্য নেওচি পলেণ্ডৰ মানুহৰ অদমনীয় উৎকৰ্ষ-সন্ধানৰ এখন ডুখৰীয়া চিত্ৰ ঃ

"মটৰ-দৌৰৰ আগে আগে (Before the Rally, ১৯৭১) ঃ

তথ্যচিত্ৰ। মণ্টিকার্ল' মটৰ-দৌৰ (rally)ৰ বাবে দহদিনৰ প্ৰস্তুতি। 'পলিশ্ ফিয়াট ১২৫' খনৰ যান্ত্ৰিক খুঁত আৰু অভাৱবোৰৰ লগত পলিশ্ চালক দুজনৰ যুঁজ-বাগৰ। তেওঁলোকৰ দৌৰ শেষ কৰা নহ'ল। দেশৰ ঔদ্যোগিক আৰু অৰ্থনৈতিক সমস্যাৰাজিৰ এটা ৰূপক।"

—৩৫ মি.মি., ক'লা-বগা/ৰঙীন
—১৫ মি. ৯ চে.

(এনেবোৰ কথাই নিশ্চয় পঢ়ি যাওঁতে মোৰ অবচেতনত কাম কৰিছে, কিয়নো আজি যিটো বস্তুৰ অভাৱ আমি অসমত পলে পলে অনুভৱ কৰোঁ

সেইটো হ'ল দেশপ্ৰেম—নিজৰ নিজত্ব নিৰ্বিকাৰভাৱে বিসৰ্জন দি আজি আমি মাথোঁ বান্দৰৰ দৰে আনৰ অনুকৰণ কৰিছোঁ, আমাৰ 'দেশপ্ৰেম' বোলা অনুভূতিটো কেতিয়া জানো ক'ত হেৰাই গৈছে—দেশৰ মানুহৰ প্ৰতি মাটিৰ প্ৰতি, নিজৰ ঐতিহ্য-পৰম্পৰাৰ প্ৰতি বিন্দুমাত্ৰ মৰম নাই—নিজ দেশৰ আলি-পদূলি বন-বিৰিখ জান-জুৰি আচাৰ-অনুষ্ঠান চালচলন মতি-গতিৰ দুখলগা ছবিখনেই দেখুৱাই দি থাকে যে আমাৰ দুৰ্দশাৰ কাৰণ এয়ে যে আমাৰ অনুমাত্ৰ দেশপ্ৰেম নাই—যিটো বঙালীসকলৰ আছে, তামিলসকলৰ আছে, ইংৰাজ, ৰুছ বা জাপানীসকলৰ তো প্ৰচণ্ডভাৱেই আছে, যাৰ কাৰণে তেওঁলোক একো একোটা জাতি বুলিব পৰা জাতি।)

... ...

মানুহৰ সাৰ্বজনীন সুখ-দুখ-দ্বন্দ্ব-সংকটৰ প্ৰতিচ্ছবি যেনেদৰে কিছ্লভ্স্কিৰ বিচিত্ৰ আৰু বিস্তীৰ্ণ চিনেমা-কৃতিত ফুটি উঠিছে, তেনেদৰে (আৰু তাৰ ভিতৰতো) কমিউনিষ্ট শাসনৰ অন্যায়-অকল্যাণবোৰ আৰু পার্টিৰ পদাধিকাৰী তথা বিষয়ৱবীয়া আদিৰ দুৰ্নীতি-দুষ্কৃতি আদিও বাস্তবানুগভাৱে প্ৰতিফলিত হৈছে—(যিটো কৰিব পৰাটো ষ্টালিনৰ ৰুচিয়াত বা ইন্দিৰা গান্ধীৰ 'জৰুৰীকালীন' ভাৰতত অকল্পনীয়)। সকলো দোষ-ত্ৰুটি সত্ত্বেও কমিউনিষ্ট শাসনাধীন পলেণ্ডত কিছ্লভ্স্কিয়ে তেওঁৰ অনুভৱ মতে নিষেধাজ্ঞা বা 'চেন্সৰ্শিপ'ৰ বাধা নোপোৱাকৈ বা ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰচাৰকার্য্য (প্ৰপাগাণ্ডা)ৰ লগত আপোচ কৰিবলগীয়া নোহোৱাকৈ ছবি কৰিব পাৰিছে, এইটো পলেণ্ডৰ মানুহৰ স্বাধীনচিতীয়া মানসিকতাৰেই প্ৰকাশ। চিনেমা-স্কুল এখন যদি পতা হৈছে, তাত সঁচাকৈয়ে চিনেমাৰ বিষয়েই শিক্ষা দিয়া হওক, তাত পলেণ্ডৰ ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষৰ সাধনা হওক, তাত যেন লেতেৰা ৰাজনীতি বা প্ৰৱঞ্চনা সোমাব নোৱাৰে, 'প্ৰপাগাণ্ডা'-ধৰ্মী প্ৰবৃত্তিয়ে যেন ফিল্ম্-স্কুলৰ উদ্দেশ্য নষ্ট কৰি নেপেলায়। কিছ্লভ্স্কিয়ে লিখিছে ঃ

"(লজ্ ফিল্ম্-) স্কুলত তেনেকুৱা **বিধি-নিষেধ** (চেন্সৰ্শিপ) নাছিল। মানুহে সাধাৰণতে চাবলৈ নোপোৱা বিভিন্ন ছবি আমাক দেখুওৱা হৈছিল। তেওঁলোকে ছবি আমদানী কৰাইছিল যাতে ছাত্ৰসকলে সেইবোৰৰ পৰা শিক্ষা ল'ব পাৰে, অকল যেন **কৌতূহলী** (ইণ্টাৰেষ্টিং) তথ্যৰ টুকুৰা হিচাপে নাচায়, বা নিষিদ্ধ বাতৰি (যদিও ৰাজনৈতিক) হিচাপে নাচায়। অৱশ্যে আমাক জেইম্ছ বণ্ডে (ৰুচ গুপ্তচৰ বিভাগ) কে.জি.বি.ৰ বিৰুদ্ধে যুঁজাৰ ছবি আদি দেখুওৱা হোৱা নাছিল,

কিন্তু পলেগুত সাধাৰণতে চাবলৈ নোপোৱা কিছুমান ছবি আমি চাবলৈ পাইছিলো, বা পলেগুত প্ৰদৰ্শিত হোৱাৰ বহু আগেয়ে আমি চাবলৈ পাইছিলো। মোৰ বোধেৰে, তেওঁলোকৰ ছবি-বাছনিত কোনো ৰাজনৈতিক চেন্সৰ্শ্বিপ্ নাছিল। হয়তো আছিল, মাথোঁ মই সেইবিষয়ে জনা নাছিলো। তেওঁলোকে আমাক আইজেন্ষ্টাইনৰ 'ৰণতৰী পটেম্কিণ্' (ইং Battleship Potemkim) আৰু আন ভাল ভাল কিছু ছবি দেখুৱাইছিল, যিবোৰ চিত্তাকৰ্ষক (ইণ্টাৰেষ্টিং) হোৱাৰ কাৰণ আছিল। (এই) স্কুলত কমিউনিষ্ট প্ৰচাৰৰ ৰহন নাছিল। ই আছিল সঁচাকৈয়ে খোলা মনৰ, আৰু সেয়ে ই আছিল (এখন) ভাল (স্কুল), ১৯৬৮-চনলৈ।"

... ...

যিসকলে (তাৰে ময়ো এজন) কিছ্লভ্স্কিৰ কোনো ছবি চোৱা নাই তেওঁলোকে হয়তো ওপৰৰ কথাবোৰৰ পৰা ছবিবোৰৰ বিষয়ে বিশেষ একো ধাৰণা কৰিব নোৱাৰিব—কিন্তু বিভিন্ন চিত্ৰ-মহোৎসৱত যোগদান কৰা গুৱাহাটীৰ এজন ফিল্ম্-অনুৰাগীক অলপতে লগ পাইছোঁ, তেওঁ কিছ্লভ্স্কিৰ এলানি ছবি এখন 'ৰেট্ৰ'স্পেক্টিভ্' (Retrospective)ত চাইছে, তেওঁ ক'লে যে ছবিবোৰ অনন্যসাধাৰণ, পৰিচালনা, উপস্থাপন, কেমেৰা-কোণ, বিম্ব, শব্দ, পৰিবেশ-সৃষ্টি অতি অভিনৱ আৰু মনত দকৈ সাঁচ বহুৱাই যোৱা বিধৰ। কিতাপখনত ছবিবোৰৰ উঁহ, নিৰ্মাণ-অভিজ্ঞতা, তাৎপৰ্য্য (বা তাৎপৰ্য্যহীনতা) আদিৰ বিষয়ে চিত্তাকৰ্ষক বৰ্ণনা আছে, বোলছবি আৰু জীৱনৰ অন্যান্য বিভিন্ন দিশৰ ওপৰত অসাৱধান বা গভীৰ চিন্তালব্ধ মন্তব্য আদি আছে—আৰু আছে তেওঁৰ বিভিন্ন তথ্যচিত্ৰ আৰু বিষয়-চিত্ৰৰ ভালেমান স্থিৰচিত্ৰ। চলচ্চিত্ৰত তেওঁৰ দুৰ্বাৰ আগ্ৰহ একেবাৰে সুস্পষ্ট ('চিটিজে'ন্ কেইন্' চাইছোঁ শতবাৰ' [প্ৰসংগতঃ, অব্ছন্ ৱেল্ছৰ Citizen Kane ছবিখনক বহুতো সমালোচকে ক'ব খোজে শতিকাৰ শ্ৰেষ্ঠ কথাছবি বুলি]। 'সাক্ষাৎকাৰত মোক বাতৰি কাকতে প্ৰায়ে সোধে, মোক প্ৰভাৱিত কৰিছে কোন পৰিচালকে। তাৰ উত্তৰ মই নাজানো...হয়তো বহুতে...সদায় কওঁ ঃ শ্বেইক্সপীয়েৰ, ডষ্টয়েভ্স্কি, কাফ্কা...'।)

মুঠতে, কিছ্লভ্স্কিৰ ছবি চাবলৈ কিতাপখনে মনত আগ্ৰহ জগাই তুলিছে। অৱলীলাক্ৰমে তেওঁ বিশ্বৰ অন্যতম শ্ৰেষ্ঠ বোলছবি নিৰ্মাতা হোৱা নাই—বহু সাধনা, চিন্তা-ভাবনা, অধ্যৱসায়ৰ মাজেৰে তেওঁৰ পৰিচালনা-প্ৰয়াস আগ

বাঢ়িছে—তেওঁৰ পশ্চাৎপট একেবাৰে দুখীয়া (আৰু বেমাৰী) ঘৰৰ, দুবাৰ অকৃতকাৰ্য্য হৈ তৃতীয়বাৰত কোনোমতে লজ্ চহৰৰ চৰকাৰী (তেতিয়া কমিউনিষ্ট) ফিল্ম্ বিদ্যালয়ত ভৰ্তি হোৱাৰ যোগ্যতা অৰ্জন কৰে, শিক্ষানবীশ হিচাবে বহুতো চুটি-দীঘল তথ্যচিত্ৰ নিৰ্মাণ কৰে, বহু প্ৰয়াসৰ অন্তত হে 'পৰিচালক' পদৰ যোগ্যতা অৰ্জন কৰে। কিতাপখনত দিয়া তেওঁৰ সম্পূৰ্ণ ফিল্ম্-কৃতি (Filmography)ৰ পৰা আমি তেওঁৰ ফিল্ম চাবলৈ নোপোৱাসকলৰ বাবে ('ঘ্ৰাণেন অৰ্ধভোজনং' বুলি) মাথোঁ তেওঁৰ প্ৰথম প্ৰচেষ্টাবোৰৰ দুখন চুটি ছবিৰ বিৱৰণী উল্লেখ কৰোহঁক ঃ

১। 'মোৰ প্ৰথম স্নাতক (পৰীক্ষাৰ) ছবিখনেই মোৰ প্ৰথম পেশাদাৰী ছবিও—ৰাৰ্ছৰ ৰাজ্যিক তথ্যচিত্ৰ ফিল্ম্-ষ্টুডিঅ'ত নিৰ্মিত। ...সেই সময়ত আমি মূল ছবিৰ পৰিপূৰক ছবিৰূপে দেখুৱাবলৈ দহ-বাৰ মিনিট দৈৰ্ঘ্যৰ চুটি একাংক—তথ্যচিত্ৰ কৰিব লগীয়া হৈছিল...(এই) ছবিখনৰ বিষয়বস্তু হ'ল লজ্ (Lo'dz') চহৰ—যিখনৰ লগত মই ভালদৰেই পৰিচিত, কিয়নো ফিল্ম্-স্কুলত থাকোঁতে মই তাতে আছোঁ, চহৰখনো মোৰ অতি মৰমৰ। লজ্ আছিল নিষ্ঠুৰ আৰু অসাধাৰণ। অতি চকুত লগা জৰাজীৰ্ণ ঘৰ-দুৱাৰ, জৰাজীৰ্ণ চিড়ি, জৰাজীৰ্ণ মানুহ! তেতিয়া (১৯৬৯) আছিল ৰাৰ্ছতকৈও বেছি জৰাজীৰ্ণ, কিন্তু অধিক সুষম। যুদ্ধত মাথোঁ সামান্য ধ্বংসপ্ৰাপ্ত হৈছিল, গতিকে বস্তুতঃ মোৰ ফিল্ম্-স্কুলৰ দিনৰ চহৰখন যুদ্ধৰ আগৰ সেই পুৰণি চহৰখনেই আছিল...মেৰামতি বা পুনৰ্নিৰ্মাণৰ বাবে কোনো ধন নাই... দেৱালবোৰত ফাট মেলিছে, প্লাষ্টাৰ উঁৰলি গৈছে, সকলো পিনে ভাঙন...সকলো দেখিবলৈ অতি চমকপ্ৰদ, এখন সাধাৰণ চহৰ নহয়...'

'লজ্ চহৰৰ পৰা' (From the City of Lo'dz'. ১৯৬৯) তথ্যচিত্ৰ। 'এখন চহৰৰ প্ৰতিকৃতি—য'ত কিছুমান মানুহে কাম কৰে, কিছুমানে অনাই-বনাই ঘূৰি ফুৰে কিবা বিচাৰি বিচাৰি—ঈশ্বৰে জানে কি যে বিচাৰে...অস্বাভাৱিকতা, বিসংগতিৰে পূৰ্ণ এখন চহৰ, বিভিন্ন বৈসাদৃশ্য আৰু উদ্ভট মূৰ্তি আদিৰে পূৰ্ণ এখন চহৰ...ধ্বংসস্তূপ, অস্থিচৰ্মসাৰ বাসঘৰ, নিজান চুক-কোণেৰে পূৰ্ণ...' (ক্ৰিষ্টফ্ কিছ্লভ্স্কি)

—৩৫ মি.মি., ক'লা-বগা
—১৭ মি. ২১ চে.

২। ট্ৰাম' (The Tram, ১৯৬৬)

চুটি 'ফিচাৰ' ঃ

'ৰাতি। এজন ল'ৰাই দৌৰিছে আৰু ট্ৰাম এখনত জাঁপ দি উঠিছে। যাত্ৰী খুব কম ঃ এজন বনুৱা কামলৈ ওলাইছে, এজনী ধুনীয়া ছোৱালী। ল'ৰাজনে ছোৱালীজনীৰ প্ৰতি আকৃষ্ট হৈ তাইক হুঁহুৱাবৰ চেষ্টা কৰিছে, তাৰ পিছত দেখিছে যে ছোৱালীজনী শুই পৰিছে। নিজৰ আস্থান আহি পালত ল'ৰাজন নামি পৰিছে কিন্তু আকৌ কিবা এটা ভাবিছে, আৰু প্ৰথম দৃশ্যৰ দৰে আকৌ দৌৰিছে পিছে পিছে সেই একেখন ট্ৰামৰ, য'ত ছোৱালীজনী শুই পৰিছে।'

—৩৫ মি.মি., ক'লা-বগা

—৫ মি. ৪৫ চে.

['আমাৰ অসম'ৰ 'মই পঢ়া শেহতীয়া কিতাপ' শিতানত প্ৰকাশিত, ১৫/৭/২০০০ (পৰিবৰ্ধিত)]

একৈশ শতিকা ধেমালি নহয় (১)

আকৌ এটা নৱবৰ্ষ, আকৌ কার্যবাহী সম্পাদকৰ দাবী, যেনে-তেনে এটা লেখা লাগিব। এই লৈ তৃতীয়বাৰ। ওৰে বছৰ লিখকৰ কলাঘুমটি, ১ জানুৱাৰীৰ আগে আগে হঠাৎ সাৰ পোৱাই দি ফৰ্মাইছ, কলম ধৰা, কলম ধৰা, সময় নাই! কিবা একঘেয়ে হৈ পৰা নাইনে কথাটো? এইটো কি এটা ধেমালিত পৰিণত হ'ব ধৰিছে—'ইজ ইট্ গে'টিং টু বি এ' জ'ক্'?

নহয়, এইটো বোলে ধেমালি নহয়, 'জ'ক্' নহয়, কিয়নো এইটো হেনো এটা গতানুগতিক নৱবৰ্ষ নহয়, এইটো এটা অতি গুৰুত্বপূৰ্ণ, গভীৰ তাৎপৰ্য্যপূৰ্ণ সন্ধিক্ষণ, এটা একেবাৰে নতুন শতিকাৰ আৰম্ভণি। কিন্তু, তোমালোকেতো ঢোল-দগৰ বজাই নতুন শতিকা যোৱা বছৰেই পালন কৰি পেলালা, ইমান ক'লো, 'নহয়, ২১ শতিকা আৰম্ভ হ'বলৈ এতিয়াও আৰু এবছৰ আছে, লিখিম দিয়া তেতিয়া কিবা এটা', নামানিলা। বিংশ শতিকা শেষ হ'ল বুলি, একবিংশ আৰম্ভ হ'ল বুলি নাচ-গান, খেল-ধেমালি, ফেশ্যন-ফটকাৰ হৈ চৈ এটাৰ সৃষ্টি কৰি তাৰ পৰা চুহি চুহি কিমান মুনাফা লুটিব পাৰি সেই উদ্যোগত জঁপিয়াই পৰিল গোটেই পৃথিৱীৰ বণিক-গোষ্ঠী, তোমালোকেওতো তাৰ লগতে হাত উজান দিলা। মানে মই যেন আৰু ৰ'ব নোৱাৰি এমাহ আগেয়ে মোৰ বন্ধু-বান্ধৱক ক'লো, পৰহি মোৰ সৰু ল'ৰাটোৰ জন্মদিন, এমাহ আগেয়েই সি পাই গ'ল নানা ৰকমৰ উপহাৰ, কোনোবা কোনোবাই বা দিলে লেফাফাৰ ভিতৰত কেইখনমান নোট, কোনোৱাই দিলে 'গিফ্ট চেক্'—নোটবোৰ মই বাহিৰ কৰিলো। চেক্বোৰ মই ভঙাই ল'লো। (যিসকল আত্মীয়-স্বজনে ল'ৰাটোৰ আচল জন্ম-তাৰিখটো জানিছিল, তেওঁলোকৰো ভালেকেইজনে বিভ্ৰান্ত হৈ দেখাক দেখি সেইটোৱেই কিজানি তাৰ জন্মদিন বুলি মানি ল'লে)। কিন্তু এতিয়া এমাহ পিছত আহি পৰিছে তাৰ আচল জন্মদিন, এতিয়া কৰোঁ কি? নতুন কিবা এটা ভাবি উলিয়াব নালাগিলনে বাৰু?

যিহওক, এইবাৰ কথাটো 'চিৰিয়াছ্' যেতিয়া, কথাটো 'জ'ক্' নহয় যেতিয়া,

নতুন কিবা এটা ভাবি উলিয়াব নালাগিলনে? অৱশ্যে সকলোৱে জানে যে একেই ছন্দত আহি থাকে দিন আৰু ৰাতি, একেদৰেই ঘূৰে চন্দ্ৰ-সূৰ্য্য-পৃথিৱী, যে ৩১ ডিচেম্বৰ আৰু ১ জানুৱাৰীৰ মাজত মূলগত কোনো পার্থক্য নাই (উপৰুৱা কিছুমান বিভিন্নতা হয়তো থাকে, আজি উষ্ণতা ২৫ ডিগ্ৰী, অহাকালি ২৫.৪, আজি পুৱা কুঁৱলী, অহাকালি পুৱাই ৰ'দ)। ১ জানুৱাৰীৰ দিনা প্ৰকৃতিয়ে আকাশত কোনো আশ্চর্য্য পৰিঘটনা নেদেখুৱায়, কোনো দৈৱবাণী শুনা নাযায়, যে তাৰিখবোৰ হ'ল মাথোঁ মানুহে দি লোৱা কিছুমান কৃত্রিম দাগ—কিন্তু একেঘেয়েমিৰ পৰা সকাহ পাবলৈ এই দাগবোৰ মানুহক লাগে—এই দাগত পূজা, এই দাগত পার্বণ, এই দাগত কাৰোবাৰ সোঁৱৰণী, এই দাগত খেতি বা ব্যৱসায় আৰম্ভ কৰিম, এই দাগত জিৰাম, উৎসৱ পালিম, আনন্দ কৰিম...এজন বন্ধুক সুধিলো, বাৰু, অহা এশটা বছৰৰ বিষয়ে—অর্থাৎ ২১ শতিকাটোৰ বিষয়ে—কিনো নতুন কথা ক'ব পাৰি? তেওঁ ক'লে—ক'বতো নোৱাৰোঁ। কিছুমান নতুন নতুন ঘটনা ঘটিব, সকলো শতিকাতে ঘটে, তাৰ বাহিৰেনো আৰু কি? তেওঁ বিজ্ঞানৰ ছাত্ৰ নাছিল, কিন্তু বহুত জনপ্ৰিয় বিজ্ঞানৰ কিতাপ পঢ়িছে, তেওঁ ক'লে যে তেওঁ জনাত, কুৰি শতিকা আৰম্ভ হৈছিল দুটা গুৰুত্বপূর্ণ আৱিষ্কাৰেৰে—এটা হ'ল এক্স-ৰে', আনটো হ'ল কোৱাণ্টাম থিয়ৰী। সেই দুটাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱে গোটেই কুৰি শতিকাটো ভৰাই ৰাখিছে—ৰঞ্জন-ৰশ্মিৰ ফলত চিকিৎসাবিজ্ঞানৰ চেহেৰাই গৈছে একেবাৰে সলনি হৈ, আৰু কোৱাণ্টাম তত্ত্বৰ প্ৰয়োগে সমস্ত প্ৰযুক্তিৰ আৰু মানুহৰ সমস্ত ভাবনা-চিন্তাৰ ৰূপেই বদলাই দিছে। একপিনৰ পৰা ক'বলৈ গ'লে, কুৰি শতিকাৰ দুটা পৰিচয়-চিহ্ন কিজানি ৰঞ্জন-ৰশ্মি আৰু কোৱাণ্টাম তত্ত্বই—কিন্তু, নাজানো, একৈশ শতিকাক বা কিহৰে—'

'আ, আপুনি কথাটো সেই ধৰণে চাইছে?'

মই ক'লো, 'তেনেকুৱা দৃষ্টিকোণৰ পৰা চাব লাগিলে, একৈশ শতিকাৰো', মই ভৱিষ্যায়নৰ (অর্থাৎ 'ফিউচাৰ'লজি'ৰ) বিষয়ে লিখা এখন অসমীয়া ৰচনা বিচাৰি উলিয়ালো, 'একৈশ শতিকাতো কি কি ঘটিব পাৰে, তাৰো লিষ্টি ইতিমধ্যে তৈয়াৰ হৈ গৈছে—এই যে চাওক', ৰচনাখনত দিয়া 'বাকচ' এটা তেওঁক দেখুৱালো। মই পঢ়ি যাওঁতে যাওঁতে তেওঁৰ চকু ডাঙৰ হৈ গৈ থাকিল, শেষত 'চাওঁ চাওঁ' বুলি 'বাকচ'টো আকৌ এবাৰ পঢ়িলে, তাৰ পিছত চছ্‌মাযোৰ খুলি লৈ এটা দীঘল নিশ্বাস এৰিলে, ক'লে, 'বাপ্‌ৰে বাপ্‌, ইমানচব জব্বৰজং

কাৰবাৰ! একেবাৰে আকাশলংঘী। পৃথৱীখনতো দেখিছোঁ একেবাৰে পেৰাডাইছ হৈ যাব। ৰিয়েলী, টুৱেণ্টী ফার্ষ্ট চেঞ্চুৰী ইজ ন' জ'ক। কিন্তু চেঞ্চুৰীৰ প্ৰথম পুৱাই পটুৱৈৰ আগত ইমানচব টেৰিৱিল চিৰিয়াছ্‌ কাণ্ড-কাৰখানা মেলি দিবনে? নহয়, এক কাম কৰক, বাকচটো সম্প্ৰতি ক'ৰবাত আঁতৰাই ৰাখি থওক, পাঠকে এতিয়াই এইটো খুলি নাচালেও হ'ব।' (গতিকে 'বাকচ'টো এফলীয়াকৈ থৈ দিলো, পটুৱৈয়েও এইটো পোনে পোনে নপঢ়িলেও হ'ব।) তেওঁ এবাৰ চকু কোঁচাই মোৰ পিনে চালে, আকৌ চছ্‌মাযোৰ পিন্ধিলে, ক'লে, 'হওক তেও—মানে, য'ত য'ত হয়গৈ। মানে, ইউৰোপ-আমেৰিকাত কিজানি এইবোৰৰ কোনো কোনোটোৰ কিবাকিবি হ'বগৈও পাৰে—ফুল্‌লি অৰ্ পার্টলি—কিন্তু আমাৰ ইয়াত...মানে, পৃথিৱীতো এটা মাত্ৰ গ্ৰহ নহয়—তাৰ দুঠেঙীয়া প্ৰাণীবোৰ দেখাত একে যদিও সিহঁতৰ হাব-ভাব, চিন্তা-চৰিত্ৰতো

একবিংশ শতিকাৰ বিস্ময়?

জীৱ-বিজ্ঞানৰ গৱেষণা আৰু বংশগতি অভিযোজনাৰ আশ্চর্য উদ্ভাৱনাই অবলুপ্ত কৰিছে মানসিক ৰোগ, কর্কট ৰোগ, 'এইড্‌ছ' আৰু অন্যান্য ব্যাধি, মানুহৰ গড় জীৱন-প্ৰত্যাশা এতিয়া ১১০ বা ১২০ বছৰ, সবল-সক্ৰিয় আৰু বার্ধক্যবর্জিত; হাইড্ৰ'জেন-সংযোজন ('ফিউশ্যন')ৰ সাফল্য, সূক্ষ্ম-তৰংগ ('মাইক্ৰ'ৱেভ্‌') যোগে কৃষিবিৰৰ ('ব্লেক্‌ হ'ল)ৰ পৰা শক্তি আহৰণ, গ্ৰহাণুপুঞ্জ আৰু সাগৰতলিৰ পৰা খনিজ-দ্ৰব্য উদ্ধাৰ—ফলত পৃথিৱীৰ প্ৰতিজন নাগৰিকৰ বাবে অফু�ৰন্ত শক্তি। বতৰ আৰু আবহাৱাৰ সম্পূর্ণ বা আংশিক নিয়ন্ত্ৰণ, প্ৰদূষণ-মুক্ত আৰু স্বয়ংচালিত চহৰ আৰু ঘাই আলি, বায়ুৰ কুশ্যানৰ ওপৰত বাস্তাৰ ওপৰেৰে ওপঙি যোৱা অগধুৰ যান-বাহন (তথাকথিত জি ই এম বা গ্ৰাউণ্ড্‌ এফেক্ট মেচিনছ); ঘৰৰ কাম-বনৰ দায়িত্বত চিন্তাসক্ষম 'ৰবট' (আদেশ বুজে, কথাবোৰ বিচাৰ কৰি চাই কি কৰা উচিত হ'ব সিদ্ধান্ত ল'ব পাৰে); নখাগ্ৰত প্ৰয়োজীনয় সমস্ত তথ্যপাতি (চাবি টিপিলেই পোৱা যাব যি লাগে), সূক্ষ্ম-ইলেক্ট্ৰ'নিক্স আৰু উপগ্ৰহ-সংযোগৰ বিশাল বিকাশ আৰু বিস্তাৰৰ ফলত পৃথিৱীৰ যিকোনো ব্যক্তিৰ লগত প্ৰতিজন মানুহৰ ব্যক্তিগত শ্ৰৱণ-দর্শন আহিলাৰে যোগাযোগ, ফলত সমস্ত পৃথিৱী এখন 'ভূমণ্ডলীয় গাঁৱলৈ সংকুচিত। কৃত্রিম অংগৰ বিকাশ আৰু অংগ-সংযোজন পদ্ধতিৰ অগ্ৰগতিৰ ফলত বিকলাংগ (বা অংগহীন) হৈ থকাৰ দুর্ভাগ্য শেষ; জৈৱ-ইলেক্ট্ৰ'নিক সা-সঁজুলিৰ যোগে মানুহৰ অন্তর্নিহিত সক্ষমতা/সম্ভাৱনাবোৰৰ পূর্ণ বিকাশ, সকলোৰে বাবে দ্ৰুত আৰু কষ্টবিহীন শিক্ষা (হয়তো টোপনিকালত); হয়তো প্ৰায় আলোকৰ বেগৰ ওচৰা-উচৰি 'মহাকাশ-চালিকা' পদ্ধতি ('স্পেইচ ড্ৰাইভ'), কাষৰীয়া গ্ৰহ-উপগ্ৰহত মানুহৰ উপনিৱেশ, হয়তো এনেকি চন্দ্ৰ, ফৰচ্‌, টাইটান আদি কিছুমান উপগ্ৰহলৈ অৱসৰ বিনোদনৰ ভ্ৰমণসূচী... 'কৃত্রিম বুদ্ধি'ৰ উদয়, হয়তো এনেকি 'কৃত্রিম জীৱন', হয়তো বা অমৰত্ব—আৰুতো আছেই পৃথিৱীৰ বাহিৰৰ প্ৰাণীৰ লগত যোগাযোগ, 'নিলম্বিত জীৱন'...

একেবাৰে বেলেগ বেলেগ গ্ৰহৰ জীৱৰ দৰে—জাপান এটা বেলেগ গ্ৰহ, চীনো এটা বেলেগ গ্ৰহ, ভাৰতবৰ্ষ এটা বেলেগ উপগ্ৰহ—আমেৰিকা গ্ৰহটোৰ কিছুমান কায়দা-কচৰৎ আমাৰ প্ৰাণীবোৰেও অনুকৰণ কৰাৰ বান্দৰালি কৰোঁ যদিও, আমাৰ মনোবৃত্তিতো একদম দোচোৰা—আচ্ছা, কেনে দেখে, আমাৰ বাবে আমিও এটা বাকচ বনাওঁ?'

প্ৰস্তাৱটো মোৰ বেয়া নালাগিল, কাগজ-কলম লৈ বহিলো। তেওঁ ভাবি ভাবি কৈ গ'ল, মই লিখি গ'লো ঃ

'হ'ব, হ'ব', মই হাত দাঙি দিলো, 'শতাব্দীৰ আৰম্ভণিতেই ইমানবোৰ খেচেৰা বস্তুৰ তালিকা পঢ়িবলৈয়ে কি মানুহে ভাল পাব?'

...ঘোচখোৱা ভাই�ৰাচৰ আৰু কামত ফাকি দিয়া ব্যাধিৰ উত্তৰোত্তৰ প্ৰসাৰ, ফলত সকলো কাল-সীমিত আঁচনি ধূলিসাৎ...ফলত অবাৰিতভাৱে ৰক্তবীজৰ দৰে পিল্‌পিল্‌কৈ জনসংখ্যা বৃদ্ধি, ফলত আন সকলো কল্যাণমূলক আঁচনি প্ৰহসনলৈ ৰূপান্তৰিত... গোলকীকৰণ আৰু উদাৰীকৰণৰ নামত হু হুকৈ মূল্য বৃদ্ধি আৰু ক্ৰমশঃ সকলো ধন-সম্পদ এমুঠি মানুহৰ হাতত কেন্দ্ৰীভূত, বাকীবোৰৰ কোনোমতে 'দিন ভিক্ষা প্ৰাণ ৰক্ষা'...পশ্চিমৰ পৰা অত্যাধুনিক চিকিৎসা-প্ৰযুক্তিৰ আমদানি (ক'লা টকাৰ গৰাকীসকলৰ বাবে সংৰক্ষিত), অন্যসকলৰ বাবে পশ্চিমত নিষিদ্ধ ঔষধ-পত্ৰৰ উভৈনদী বজাৰ...বিভিন্ন ৰাজনৈতিক দলৰ নামেৰে মাফিয়াৰ দ্বাৰা শাসনভাৰ দখল... সন্ত্ৰাসবাদীৰ হাতত পা�ৰমাণৰিক অস্ত্ৰ-শস্ত্ৰৰ ভাণ্ডাৰ...বনাঞ্চল শেষ, বন্যপ্ৰাণী বিলুপ্ত, ক্ষয়বোধী প্লাষ্টিক আৰু টক্সিক দ্ৰব্যেৰে জল-স্থল-বায়ু সম্পৃক্ত, বিস্তীৰ্ণ অঞ্চল ধূ ধূ মৰুভূমিলৈ অথবা বহু গন্ধময় ঘিঞ্জি বস্তিলৈ ৰূপান্তৰণত ক্ষিপ্ৰ অগ্ৰগতি...

'অ', বন্ধুৱে ক'লে, 'অৱশ্যে আচল খেচেৰা বস্তুবোৰৰ কথাতো আৰম্ভ কৰাই নাই—কিন্তু সেইবোৰো থাকক, সবেতা জানেই। ঠিকেই কৈছে, এই পেণ্ডৰাৰ বাকচটো খুলি দিও একো লাভ নাই। এই বাকচটোও ইয়াতে বন্ধ কৰা যাওক—তলাটো মাৰি চাবিডাল দলিয়াই দিয়ক—এইবোৰ ডিছ্‌মেল্‌ কথা, বিমর্ষ কথা কোনে পঢ়ি থাকিব বিচাৰে—তাতকৈ বৰং চীনা প্ৰবাদটোকেনো নলওঁ কিয়, যে 'হাজাৰটা শব্দতকৈ এখন চিত্ৰ বেছি ফলপ্ৰসূ'?'

সেইটো পৰামৰ্শও বেয়া নালাগিল। একবিংশ শতাব্দীৰ কথা যদি ক'বই লাগে, মানুহে সহজে, সংক্ষেপে বুজি পোৱা ছবিবে কোৱাই ভাল। কি ছবি ভাল পায় মানুহে? ডাঙৰ ডাঙৰ শিল্পীৰ 'মাষ্টাৰ্‌পীচ'ত কেইজনবেই বা আগ্ৰহ, আৰু 'এৱষ্ট্ৰেক্ট আৰ্ট' কেইজনেই বা বুজে? সকলোৱে কিন্তু ভাল পায় ব্যংগচিত্ৰ,

কার্টুন। সকলোৱে বুজে, সকলোৱে হাঁহিব পাৰে—হাজাৰ-বিজাৰ ত্যক্ততা-উদ্বিগ্নতাৰ মাজতো মিচিকৈকে হাঁহি বাহিৰ কৰি দিব পৰা এটুকুৰা অংকন—বোধহয় এই কার্টুনেই একবিংশ শতাব্দীলৈ বিংশ শতাব্দীৰ আপুৰুগীয়া প্ৰীতিকৰ দান (ব্যংগচিত্ৰ অৱশ্যে আগেয়েও আছিল, কিন্তু কুৰি শতিকাতেইতো ঘটিছে তাৰ পূৰ্ণ বিকাশ) ঠিকেই, একৈশ শতিকা ধেমালি নহয়, 'ন' 'জ'ক্‌', কিন্তু কার্টুনবোৰেই দেখুৱায় যে চাব জানিলে গুৰুভাৰ পৰিস্থিতিৰ মাজতো সানন্দ সকাহ বিচাৰি পাব পাৰি। লৰালৰিকৈ বিচাৰিলো, মাথোঁ দুই-চাৰিখন কার্টুনহে হাতলৈ আহিল—(সেইবোৰ অৱশ্যে কার্টুনিষ্টে একৈশ শতিকাৰ কথা ভাবি আঁকা নাছিল, কিন্তু তেওঁলোকৰ অবচেতনত হয়তো ভৱিষ্যানুমানে ক্ৰিয়া কৰি আছিল)। বেছ তেনেহ'লে, কার্টুনিষ্টৰ দৃষ্টিৰে এয়া একৈশ শতিকাৰ কিছু পূৰ্বাভাস ঃ

প্ৰথমতে, ভাৰতবৰ্ষৰ এক আৰু অদ্বিতীয় কার্টুন—'জিনিয়াছ' আৰ্‌ কে লক্ষ্মণ, কাইলেৰ চহৰত আমাৰ সকলোৰে চিনাকি চৰিত্ৰ তেওঁৰ 'সাধাৰণ মানুহ' (কমন মেন) ঃ

তাৰ পিছত, নিশ্ছিদ্ৰ যান-জট, যন্ত্ৰ-ঘৰ্ষৰ, ইলেক্ট্ৰ'নিক্স (আৰু অন্যান্য



শব্দ-বিৱৰ্ধন, পৃথিৱীৰ পৰা 'মৃদুতা', 'নম্ৰতা', 'শান্তি-শিষ্ট পৰিৱেশ' আদি শব্দৰ নিৰ্বাসন—

তাৰ পিছত, আমাৰ সকলোৰে প্ৰিয় সৰু ল'ৰাটো, সাক্ষাৎ বিহগুটি 'ডেনিছ দ্য মিনেইছ'—বেচেৰাই নাজানে যে ভোকৰ চেগুউইচখন নাপাই সি ক্ষোভেৰে যি কথা কৈছে, তাৰ অৰ্থ হ'ল ঃ যান্ত্ৰিক যোগাযোগ-ব্যৱস্থাৰ উত্তৰোত্তৰ বিকাশ, লগে লগে মানৱীয় যোগাযোগ শিথিলৰ পৰা শিথিলতৰ (আৰু বিকৃত) ঃ

ইত্যাদি। আৰু সাহিত্য, সংগীত, ৰুচিবোধ প্ৰযুক্তি)ৰ অগ্ৰগতিৰ ফলত সৰ্বত্ৰ অন্ধ্ৰে ৰন্ধ্ৰে ট্ৰেঞ্জিষ্টৰ, লাউড্ স্পীকাৰ, অহৰহ উচ্চৰ পৰা উচ্চতৰ 'পাৱাৰ'ৰ

বাহিৰত এইবোৰ হৈ-হাল্লা চলি থাকিলে মই আৰু ইইঁতক আন কিদৰে পঢ়াম? (ইণ্ডিয়ান এ'ক্সপ্ৰেছ)

এইবোৰ? সেইবোৰৰ কি হ'বগৈ, সেই বিষয়ে কৈ পেলাইছে জনপ্ৰিয় কার্টুন-পটিৰ হিউবার্টে

গতিকে ধ্ৰুপদী কিবাৰ সৃষ্টি কৰাৰ অপচেষ্টা কৰি অনাহক শক্তি ক্ষয় কৰি আৰু কি হ'ব—যি মন যায় বেবেৰিবাং, কিবা এটা লিখি দিলেই, গাই দিলেই, আঁকি দিলেই 'হিট' হৈ যাব, বোধহয় নতুন আৰু একো নাই, যোৱা কুৰিটা শতিকা এইবোৰ কৰি কৰি সকলোৰে চৰ মচলা শেষ হৈ গৈছে, পুৰণি বস্তুত নতুন লেবেল মাৰিলেই হৈ যাব, চলি যাব—এই ৰচনাখনেই হয়তো যাৰ এটা নিদর্শন।

একৈশ শতিকা ধেমালি নহয় (২)

যোৱাকালি (২৯ ডিচেম্বৰ) দিনটো ঘৰত নাছিলো, আবেলি আহি মনোজ কুমাৰ গোস্বামীয়ে এৰি থৈ যোৱা চিঠিটুকুৰা পালো, যে অহা ১ জানুৱাৰীত প্ৰকাশ কৰিবলৈ লেখা এটা লাগে। হতাশাৰ দীৰ্ঘশ্বাস এটা পেলাই ভাবিবলৈ বাধ্য হ'লো যে মনোজ গোস্বামীৰ কিবা পৰিৱৰ্তন ঘটাৰ আৰু কোনো আভাস দেখা নাযায়—বছৰে বছৰে সেই একেই হুৰমুৰ, দুদিন আগেয়ে দি বহিব হঠাৎ এটা জৰুৰী ফৰ্মাইছ, এৰাতিৰ ভিতৰতে যেনেতেনে লিখি দিব লাগে কিবা এটা! কিমানবাৰ কৈছোঁ যে 'তোমালোক সাংবাদিক মানুহ, ৰাতি অফিচলৈ কিবা এটা খবৰ আহিল, তাৰ ওপৰত ৰাতিপুৱাৰ কাগজৰ বাবে লগে লগেই কিবা এটা লিখি উলিয়ালা—কিন্তু আমাৰ দৰে লেহেম মানুহৰ ক্ষেত্ৰতো তেনেকুৱা চট্‌পট্ উৎপাদন আশা কৰাটো কি এটা যুক্তিসংগত কথা? নাই, সেই লৈ তোমাৰ কোনো দুশ্চিন্তাই নাই, ভাবটো সদায় এয়ে যে হ'ব, হ'ব, 'কিবা এটা' হৈ যাব!'

ভাবিবলৈ আৰু বাধ্য হ'লো যে বোধহয় মনোজ গোস্বামীয়ে চেষ্টা কৰিলেও এই প্ৰবৃত্তিটো শুধৰাই ল'ব নোৱাৰে; কিয়নো, হয়তো তেওঁৰ জিন্-গাঁথনিতে ক'ৰবাত এই অভ্যাসটো সোমাই আছে, যেনেকৈ হেনো আমাৰ দেহকোষৰ জিন্‌বোৰত নির্দিষ্ট হৈ থাকে আমাৰ চকু ক'লা হ'ব নে নীলা হ'ব, নাকটো জোঙা হ'ব নে থোপোকা হ'ব, চুলি ঠৰঙা হ'ব নে ঘন হ'ব, আমি খঙাল হ'ম নে ৰঙিয়াল হ'ম, কৃপণ হ'ম নে বদান্য হ'ম, দয়ালু হ'ম নে হিংস্ৰ হ'ম, চিগাৰেট বা মদ ভাল পাম নে বেয়া পাম, ইত্যাদি সকলো বিশেষত্ব আৰু সকলো প্ৰবৃত্তি; আৰু এই জিন্‌বোৰৰ সু-ৰচনাৰ ব্যতিক্ৰম বা বিকৃতিৰ পৰাই, সিবোৰৰ উৎপৰিৱৰ্তনৰ পৰাই, হেনো আহে অসুস্থতা আৰু অস্বাস্থ্য, হৃদৰোগ আৰু কেন্সাৰ, আল্‌জ্‌হাইমাৰৰ ব্যাধি আৰু পার্কিন্‌ছনৰ ব্যাধি, মানসিক বিকাৰ, স্কিজ'ফ্ৰেনিয়া...(অৱশ্যে আমাৰ পাৰিপার্শ্বিকৰ পৰাও আহে কিছুমান অভ্যাস, কিছুমান প্ৰৱণতা, কিন্তু হয়তো সেইবোৰেও প্ৰভাৱিত কৰে জিন্-গাঁথনি, হয়তো শেষ বিচাৰত আমাৰ জিন্-বিন্যাসতেই লিখা থাকে আমাৰ চৰিত্ৰ)...এই

সকলোবোৰ জিনৰ—আমাৰ দেহকোষৰ প্ৰায় ৮০,০০০ জিনৰ চিনাক্তকৰণৰ আৰু ক্ৰম নির্ণয়ৰ এটা বিশ্বজোৰা প্ৰকল্পৰ কাম হেনো চলি আছে পূৰ্ণগতিত; যেতিয়া জানিব পাৰিম দেহকোষৰ কোনডাল ক্ৰ'মছ'মৰ কিমান নম্বৰ জিনৰ কি বিকৃতি বা বিচ্যুতিয়ে ঘটাইছে কি ব্যাধি, কি বদভ্যাস, তেতিয়া 'জেনেটিক ইঞ্জিনিয়াৰিঙ'ৰ যোগে সেই জিন্‌টো অপসাৰিত কৰি বা তাৰ সংশোধন ঘটাই সেই ব্যাধি নিৰাময় কৰিব পাৰিম, সেই বদভ্যাস আঁতৰাই দিব পাৰিম—আৰু তেতিয়া হয়তো ধৰা পৰিব মনোজ কুমাৰ গোস্বামীৰ দৰে মানুহৰ কোনটো জিনত এই 'হুৰমুৰ' অভ্যাসটো লুকাই আছে, তেতিয়া সেই দুষ্ট জিন্‌টো শুধৰাই দি...(অৱশ্যে তাৰ অলপ দেৰি আছে, এই Human Genome Projectৰ কাম হেনো ২০০৩ চনৰ আগেয়ে সম্পূৰ্ণ নহ'ব।)। কিন্তু এইবোৰ হয়তো অবান্তৰ কথালৈ আহিলো।

যিহওক, 'কিবা এটা' মানে—পহিলা জানুৱাৰীৰ প্ৰসংগত—হয়তো যোৱা বছৰটোৰ বিষয়ে কিবা এটা? মনত পৰিছে, যোৱা বছৰ এনেকুৱা তাড়নাতে যিখন ৰচনা লিখি উলিয়াব লগীয়া হৈছিল—একবিংশ শতাব্দীৰ আৰম্ভণি উপলক্ষে—তাৰ নাম দিছিলো 'একৈশ শতিকা ধেমালি নহয়', আধা-খুহুতীয়া সুৰত লিখা, তাত কেইখনমান কার্টুনো সন্নিৰিষ্ট কৰি দিছিলো, আমাৰ মুখত বোধহয় লাগি আছিল এটা কৌতুকৰসাল, আত্মসন্তুষ্ট স্মিতহাস্য। তাৰ পিছৰ মাহবোৰত যথাবিধি 'ধেমালি' অপসাৰিত কৰি বাতৰি কাকতৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰি থাকিল হিংসা-খুনখাৰাপি-কেচ্ছা-কেলেংকাৰি আদিবোৰ বস্তুৰে, যিবোৰ প্ৰত্যাশিত, যিবোৰত আমি অভ্যস্ত, গতিকে চিন্তিত হ'বৰ একো নাই, চমকিত হ'বৰ একো নাই, উত্তেজিত হ'ৰৰ একো নাই—কিন্তু শতিকাৰ প্ৰথম বছৰটোৰ ন মাহ নৌযাওঁতেই এদিন ৰাতিপুৱা কাকতখন খুলি (পৰাপক্ষত টিভি নাচাওঁ, সেয়ে আগদিনা সন্ধিয়া একো গম নাপালো) বিস্ময়-বিস্ফাৰিত নেত্ৰে চাই ৰ'লো, 'ধেমালি নহয়' বুলি ধেমালি কৰা মুখৰ আত্মসন্তুষ্ট কৌতুক-হাঁহি প্ৰথম পৃষ্ঠাৰ ছবিকেইখনে এটা ৰুক্ষ ঘঁহনিৰে মুখৰ পৰা মচি পেলালে ঃ ১১ ছেপ্টেম্বৰৰ আগবেলা নিউয়র্কৰ বিশ্ব বাণিজ্য কেন্দ্ৰৰ যুগল-মিনাৰত আত্মঘাতী সন্ত্ৰাসবাদীৰ অভাবিত আক্ৰমণ...

সমগ্ৰ বিশ্বৰে প্ৰথম প্ৰথম যিটো প্ৰতিক্ৰিয়া, সেইটো হ'ল এটা স্তম্ভিত অবিশ্বাস, প্ৰায় পক্ষাঘাতসদৃশ এটা নির্জীৱ বিমূঢ়তা, শোক, আতংক (...'ব'য়িঙৰ সমস্ত ইন্ধন প্ৰজ্বলিত হোৱাৰ ফলত ১০,০০০ ডিগ্ৰী ছেলছিয়াছ উষ্ণতা',

যেতিয়া সূর্য্যৰ বহির্ভাগৰ উষ্ণতা হ'ল মাথোঁ ৬,০০০ ডিগ্রী...)...তাৰ পিছত লাহে লাহে পুনৰ দেহ-মনলৈ বিচাৰ-বিবেচনাৰ শক্তি, বিভিন্ন জল্পনা-কল্পনা, কিছুমান হয়তো তেনেই অপ্রাসংগিক ভাবনা, ক'ৰবাত পঢ়া কিবা কথা, ক'ৰবাত শুনা কিবা মন্তব্য, নানা ধৰণৰ সোঁৱৰণী। আমাৰ ক্ষেত্রতো, প্রথম প্রথম যিবোৰ স্মৃতি মনলৈ আহিল, তাৰে এটা হ'ল ন'বেল বঁটা বিজয়ী পদার্থবিজ্ঞানী ৰিচার্ড ফাইন্‌মেনৰ কিতাপ এখনৰ কেইটামান শাৰী। তাৰে উদ্ধৃতি দি আমি ইংৰাজী বাতৰি কাকত এখনলৈ চিঠি লিখিলো, কিন্তু কিবাকিবি কাৰণত চিঠিখন ডাকত দিওঁতে কিছু দেৰি হ'ল, চিঠিখন গৈ পালে নে নাই, প্রকাশ হ'ল নে নাই, গম নাপালো।

[প্রসংগতঃ, পদার্থবিজ্ঞানৰ উচ্চমার্গৰ গৱেষণা, প্রশাসনীয় দায়িত্ব আদিৰ পৰা ফাইন্‌মেনক দুবছৰৰ বাবে ৰেহাই দিয়া হৈছিল একেবাৰে নতুনকৈ বিশ্ববিদ্যালয়ত সোমোৱা—১ম আৰু ২য় বার্ষিকৰ ছাত্র-ছাত্রীক প্রাথমিক পদার্থবিজ্ঞানৰ বিষয়ে বক্তৃতা দিবলৈ, সেইবোৰ বক্তৃতা বাণীবদ্ধ আৰু সম্পাদনা কৰি পিছলৈ প্রকাশ কৰা হ'ল 'ফাইন্‌মেনৰ পদার্থবিজ্ঞানৰ বক্তৃতামালা' (The Feynman Lectures on Physics)]। যোৱা বছৰটোৰ বিষয়ে লিখা ৰচনা হিচাপে হয়তো সেয়ে সেই চিঠিখনকে ইয়াত উদ্ধৃত কৰিব পাৰোঁ ঃ

'সম্পাদক ডাঙৰীয়া... নিউয়র্কৰ বিশ্ব বাণিজ্য কেন্দ্রৰ যুগ্ম অট্টালিকাৰ ওপৰত ১১ ছেপ্টেম্বৰৰ দিনা এটা আত্মঘাতী আতংকবাদীৰ আক্রমণৰ বিষাদজর্জৰ বিভীষিকাৰ পিছত প্রকৃতিস্থ হৈ মানুহৰ মনলৈ আহিছে নানা ধৰণৰ কথা; মোৰ মনত পৰিছে ন'বেল-বিজ্ঞানী ফাইন্‌মেনৰ কিতাপৰ দুটামান অনুচ্ছেদ। কিতাপখনৰ এটা অধ্যায়ত তেওঁ বুজাবৰ চেষ্টা কৰিছে আৱহ-বিদ্যুৎ (Atmospheric Electricity)ৰ কিছুমান পৰিঘটনা ঃ বায়ুমণ্ডলৰ বিজুলী-প্রবাহ, বিজুলী-ঢেৰেকনি, বজ্রপাত ইত্যাদি। বক্তৃতাৰ শেষত তেওঁ কৈছে ঃ

'ধাৰণা হয় যে এইটো বহুদিনৰে পৰা জ্ঞাত, যে বজ্রই ওখ বস্তুবোৰত আঘাত হানে। (এই বিষয়ে) আর্টাবানিছৰ উদ্ধৃতি এটা আছে—আর্টাবানিছ আছিল (পাৰস্য-সম্রাট) জেৰেক্সেছ (Xerexes)ৰ উপদেষ্টা, যিসময়ত জেৰেক্সেছে তেতিয়ালৈ আৱিষ্কৃত পৃথিৱীৰ সমস্ত দেশ পাৰ্ছীয়সকলৰ অধীনলৈ অনাৰ চেষ্টা কৰি আছিল। গ্রীকসকলৰ ওপৰত এটা আক্রমণৰ পৰিকল্পনাকালত আর্টাবানিছে তেওঁৰ প্রভুক পৰামর্শ দিছে, আর্টাবানিছে কৈছে, 'চাওক, কেনেকৈ ঈশ্বৰে ডাঙৰ ডাঙৰ প্রাণীবোৰক তেওঁৰ বজ্রেৰে আঘাত হানে, সিহঁত উদ্ধত

হৈ ওফন্দি উঠাটো তেওঁ সহ্য নকৰে, কিন্তু সৰু সৰু প্রাণীবোৰে তেওঁক বিৰক্ত নকৰে। আৰু তেনেদৰে, কেনেকৈ তেওঁৰ বজ্র পৰে সদায় উচ্চতম গৃহবোৰত আৰু অত্যুচ্চ গছবোৰত।' আৰু তাৰ পিছত তেওঁ ব্যাখ্যা কৰিছে তাৰ কাৰণ ঃ 'অর্থাৎ, স্পষ্টতঃ, যিয়ে নিজকে উচ্চলৈ উন্নীত কৰিবলৈ চেষ্টা কৰে, তেওঁ ভাল পায় তেনেকুৱা সকলো বস্তুকে ভূ-লুণ্ঠিত কৰি (নমাই) দিবলৈ।'

তাৰ পিছত ফাইন্‌মেনে তেওঁৰ ছাত্র-ছাত্রীসকলক উদ্দেশি কৈছে ঃ 'এতিয়াতো তোমালোকে জানিলা ওখ গছত কিয় বজ্র পৰে, এতিয়া বাৰু তোমালোকে ভাবা নেকি যে ৰাজ-ৰাজন্যক সামৰিক বিষয়ত উপদেশ দিবলৈ আজিৰ পৰা ২৩০০ বছৰ আগৰ আর্টাবানিছতকৈ তোমালোক বেছি বিজ্ঞ? নিজকে উচ্চলৈ উন্নীত কৰিবলৈ চেষ্টা নকৰিবা। তোমালোকে সেইটো কৰিব পাৰিবা মাথোঁ (তেওঁতকৈ) মন্দতৰ কাব্যিক ভাষাত।' *

ওখ ওখ ঘৰবোৰৰ বিপর্যয়ৰ আঘাতৰ প্রাচীনতম উদাহৰণবোৰৰ এটা হ'ল বাইবেলৰ 'আদিপুস্তক'ত বর্ণিত বাবিল-মিনাৰ (Tower of Babel)ৰ পতন। বেবীলনৰ সম্রাট নেবুচাদ্‌নেজ্জাৰৰ পিতাকে হেনো নির্মাণ কৰিছিল এই অট্টালিকা-মন্দিৰ, আৰু এতলা-দুতলাকৈ আকাশৰ পিনে উঠি যোৱাৰ তাৰ আস্পর্দ্ধা দেখি প্রভু যিহোৱাই হেনো তাত ভাষাৰ ভেদ জন্মালে—যদিও আজিৰ তুলনাত তাৰ উচ্চতা একোৱেই নাছিল—মাথোঁ ৭ তলা, ৩০০ ফুট। খ্রীঃপূঃ ৬৮৯ চনত এছিৰীয় সম্রাট ছেন্নাছেৰিবে বেবীলন আক্রমণ আৰু লুণ্ঠন কৰোঁতে বাবিল-মিনাৰো ধ্বংস হৈ গ'ল।

ধাৰণা হয় যেন সুউচ্চ ইমাৰতবোৰে, আকাশচুম্বী গাঁথনিবোৰে পায় মানুহৰ আশ্চর্য্যবোধ আৰু তাৰিফ, কিন্তু তাৰ লগতে সেইবোৰে আকর্ষণ কৰে ঈর্ষা আৰু আক্রোশ, মানুহে অনুভৱ কৰে সেইবোৰ ধ্বংস কৰি মাটিত মিলাই দিবলৈ এক অবোধ্য, হয়তো অযৌক্তিক, উদ্বিগ্নতা। (গুৱাহাটীৰ সৰু সুন্দৰ অসম-আৰ্হিৰ ঘৰবোৰৰ মাজত 'শান্ত-মধুৰ শ্রীময়ী পৰিৱেশ'ত ডাঙৰ-দীঘল হোৱা মানুহে যেনেকৈ আজিৰ গুৱাহাটীৰ ঠেকাঠেকি আপচু অট্টালিকাভৰা কদর্য্য পৰিৱেশত দিশহাৰা আৰু শ্বাসৰুদ্ধ হৈ পৰে, এইখন তেওঁলোকৰ গুৱাহাটী বুলি মানি নলয়।) ১১ ছেপ্টেম্বৰৰ ঘটনাৰ পিছত খালী কৰি পেলোৱা হৈছে পৃথিৱীৰ বহু ঠাইৰ ওখ ওখ অট্টালিকাৰ ওপৰৰ বহুতো তলা, সুৰক্ষাৰ চিন্তাই আৱৰি ধৰিছে নিউয়র্কৰে এম্পায়াৰ ষ্টেট বিল্ডিং আৰু ষ্টেট্যু অফ লিবার্টী,

যাক আজি আমি সফলতা বুলি ক'ব পাৰোঁ। কিন্তু মোৰ বাবে যিটো কথা গুৰুত্বপূৰ্ণ আছিল সেইটো এই যে তেওঁলোকে লেখতল'বলগীয়া ধৰণে ভাল কিবা এটা কৰিছে, উপযুক্ত কৰণীয় কিবা এটা কৰিছে। মই বেলেগ বেলেগ ধৰণৰ মানুহৰ কথা ভাবি চালো...খুব ভাল ভলীবল টিম্ এটা আছে, মণ্ট্রিয়েল অলিম্পিক্সত এটা স্বৰ্ণপদক পাইছে...খনিৰ ভিতৰত ঘটা দুৰ্ঘটনাত দিনৰ পিছত দিন অসহ্য কষ্ট মূৰ পাতি লৈ মৃতপ্ৰায় বনুৱাসকলক উদ্ধাৰ কৰা মানুহৰ দল...অৱশেষত এঠাইত পালো (এদল ডাক্তৰ)...তেওঁলোকে দিনটোৰ ২৪ ঘণ্টা তো কাম কৰেই, তাৰ উপৰিও খাটে আৰু ৭ ঘণ্টা, মুঠতে বিৰামহীনভাৱে ৩১ ঘণ্টা..."

'আস্পতাল (Hospital 1976)' ঃ

তথ্যচিত্ৰ। কেমেৰাই অনুসৰণ কৰি যায়, ৩২-ঘণ্টীয়া পাল (shift)ত কৰ্মৰত শৈল-চিকিৎসকৰ দল। তেওঁলোকৰ হাতত যন্ত্ৰপাতি ভাঙি পৰে, বিজুলী বন্ধ হৈ যায়, প্ৰয়োজনীয় প্ৰাথমিক বস্তু-বাহানিৰ নাটনি আহি পৰে, কিন্তু এই ডাক্তৰসকলে তেওঁলোকৰ হাস্যৰস বজায় ৰাখে, ঘণ্টাৰ পাছত ঘণ্টা ধৈর্য্য অটুট ৰাখি কাম কৰি যায়।"

—৩৫ মি.মি., ক'লা-বগা
—২১ মি. ৪ চে.

২। অভাৱ-অনাটন-নিষেধ-নিপীড়নৰ নৈৰাশ্য নেওচি পলেণ্ডৰ মানুহৰ অদমনীয় উৎকৰ্ষ-সন্ধানৰ এখন ডুখৰীয়া চিত্ৰ ঃ

"মটৰ-দৌৰৰ আগে আগে (Before the Rally, ১৯৭১) ঃ

তথ্যচিত্ৰ। মণ্টিকার্ল' মটৰ-দৌৰ (rally)ৰ বাবে দহদিনৰ প্ৰস্তুতি। 'পলিশ্ ফিয়াট ১২৫' খনৰ যান্ত্ৰিক খুঁত আৰু অভাৱবোৰৰ লগত পলিশ্ চালক দুজনৰ যুঁজ-বাগৰ। তেওঁলোকৰ দৌৰ শেষ কৰা নহ'ল। দেশৰ ঔদ্যোগিক আৰু অৰ্থনৈতিক সমস্যাৰাজিৰ এটা ৰূপক।"

—৩৫ মি.মি., ক'লা-বগা/ৰঙীন
—১৫ মি. ৯ চে.

(এনেবোৰ কথাই নিশ্চয় পঢ়ি যাওঁতে মোৰ অবচেতনত কাম কৰিছে, কিয়নো আজি যিটো বস্তুৰ অভাৱ আমি অসমত পলে পলে অনুভৱ কৰোঁ

সেইটো হ'ল দেশপ্ৰেম—নিজৰ নিজত্ব নিৰ্বিকাৰভাৱে বিসৰ্জন দি আজি আমি মাথোঁ বান্দৰৰ দৰে আনৰ অনুকৰণ কৰিছোঁ, আমাৰ 'দেশপ্ৰেম' বোলা অনুভূতিটো কেতিয়া জানো ক'ত হেৰাই গৈছে—দেশৰ মানুহৰ প্ৰতি মাটিৰ প্ৰতি, নিজৰ ঐতিহ্য-পৰম্পৰাৰ প্ৰতি বিন্দুমাত্ৰ মৰম নাই—নিজ দেশৰ আলি-পদুলি বন-বিৰিখ জান-জুৰি আচাৰ-অনুষ্ঠান চালচলন মতি-গতিৰ দুখলগা ছবিখনেই দেখুৱাই দি থাকে যে আমাৰ দুৰ্দশাৰ কাৰণ এয়ে যে আমাৰ অনুমাত্ৰ দেশপ্ৰেম নাই—যিটো বঙালীসকলৰ আছে, তামিলসকলৰ আছে, ইংৰাজ, ৰুছ বা জাপানীসকলৰ তো প্ৰচণ্ডভাৱেই আছে, যাৰ কাৰণে তেওঁলোক একো একোটা জাতি বুলিব পৰা জাতি।)

... ...

মানুহৰ সাৰ্বজনীন সুখ-দুখ-দ্বন্দ্ব-সংকটৰ প্ৰতিচ্ছবি যেনেদৰে কিছ্লভ্স্কিৰ বিচিত্ৰ আৰু বিস্তীৰ্ণ চিনেমা-কৃতিত ফুটি উঠিছে, তেনেদৰে (আৰু তাৰ ভিতৰতো) কমিউনিষ্ট শাসনৰ অন্যায়-অকল্যাণবোৰ আৰু পার্টিৰ পদাধিকাৰী তথা বিষয়ৱবীয়া আদিৰ দুৰ্নীতি-দুষ্কৃতি আদিও বাস্তবানুগভাৱে প্ৰতিফলিত হৈছে—(যিটো কৰিব পৰাটো ষ্টালিনৰ ৰুচিয়াত বা ইন্দিৰা গান্ধীৰ 'জৰুৰীকালীন' ভাৰতত অকল্পনীয়)। সকলো দোষ-ত্ৰুটি সত্ত্বেও কমিউনিষ্ট শাসনাধীন পলেণ্ডত কিছ্লভ্স্কিয়ে তেওঁৰ অনুভৱ মতে নিষেধাজ্ঞা বা 'চেন্সৰ্শ্বিপ'ৰ বাধা নোপোৱাকৈ বা ৰাষ্ট্ৰযন্ত্ৰৰ প্ৰচাৰকার্য্য (প্ৰপাগাণ্ডা)ৰ লগত আপোচ কৰিবলগীয়া নোহোৱাকৈ ছবি কৰিব পাৰিছে, এইটো পলেণ্ডৰ মানুহৰ স্বাধীনচিতীয়া মানসিকতাৰেই প্ৰকাশ। চিনেমা-স্কুল এখন যদি পতা হৈছে, তাত সঁচাকৈয়ে চিনেমাৰ বিষয়েই শিক্ষা দিয়া হওক, তাত পলেণ্ডৰ ছাত্ৰ-ছাত্ৰীৰ উৎকৰ্ষৰ সাধনা হওক, তাত যেন লেতেৰা ৰাজনীতি বা প্ৰৱঞ্চনা সোমাব নোৱাৰে, 'প্ৰপাগাণ্ডা'-ধৰ্মী প্ৰবৃত্তিয়ে যেন ফিল্ম্-স্কুলৰ উদ্দেশ্য নষ্ট কৰি নেপেলায়। কিছ্লভ্স্কিয়ে লিখিছে ঃ

"(লজ্ ফিল্ম্-) স্কুলত তেনেকুৱা বিধি-নিষেধ (চেন্সৰ্শ্বিপ) নাছিল। মানুহে সাধাৰণতে চাবলৈ নোপোৱা বিভিন্ন ছবি আমাক দেখুওৱা হৈছিল। তেওঁলোকে ছবি আমদানী কৰাইছিল যাতে ছাত্ৰসকলে সেইবোৰৰ পৰা শিক্ষা ল'ব পাৰে, অকল যেন কৌতূহলী (ইণ্টাৰেষ্টিং) তথ্যৰ টুকুৰা হিচাপে নাচায়, বা নিষিদ্ধ বাতৰি (যদিও ৰাজনৈতিক) হিচাপে নাচায়। অৱশ্যে আমাক জেইম্ছ বণ্ডে (ৰুচ গুপ্তচৰ বিভাগ) কে.জি.বি.ৰ বিৰুদ্ধে যুঁজাৰ ছবি আদি দেখুওৱা হোৱা নাছিল,

কিন্তু পলেগুত সাধাৰণতে চাবলৈ নোপোৱা কিছুমান ছবি আমি চাবলৈ পাইছিলো, বা পলেগুত প্ৰদৰ্শিত হোৱাৰ বহু আগেয়ে আমি চাবলৈ পাইছিলো। মোৰ বোধেৰে, তেওঁলোকৰ ছবি-বাছনিত কোনো ৰাজনৈতিক চেন্সৰ্শ্বিপ্ নাছিল। হয়তো আছিল, মাথোঁ মই সেইবিষয়ে জনা নাছিলো। তেওঁলোকে আমাক আইজেন্ষ্টাইনৰ 'ৰণতৰী পটেম্কিণ্' (ইং Battleship Potemkim) আৰু আন ভাল ভাল কিছু ছবি দেখুৱাইছিল, যিবোৰ চিত্তাকৰ্ষক (ইণ্টাৰেষ্টিং) হোৱাৰ কাৰণ আছিল। (এই) স্কুলত কমিউনিষ্ট প্ৰচাৰৰ ৰহন নাছিল। ই আছিল সঁচাকৈয়ে খোলা মনৰ, আৰু সেয়ে ই আছিল (এখন) ভাল (স্কুল), ১৯৬৮ চনলৈ।''

... ...

যিসকলে (তাৰে ময়ো এজন) কিছ্লভ্স্কিৰ কোনো ছবি চোৱা নাই তেওঁলোকে হয়তো ওপৰৰ কথাবোৰৰ পৰা ছবিবোৰৰ বিষয়ে বিশেষ একো ধাৰণা কৰিব নোৱাৰিব—কিন্তু বিভিন্ন চিত্ৰ-মহোৎসৱত যোগদান কৰা গুৱাহাটীৰ এজন ফিল্ম্-অনুৰাগীক অলপতে লগ পাইছোঁ, তেওঁ কিছ্লভ্স্কিৰ এলানি ছবি এখন 'ৰেট্ৰ'স্পেক্টিভ্' (Retrospective)ত চাইছে, তেওঁ ক'লে যে ছবিবোৰ অনন্যসাধাৰণ, পৰিচালনা, উপস্থাপন, কেমেৰা-কোণ, বিম্ব, শব্দ, পৰিবেশ-সৃষ্টি অতি অভিনৱ আৰু মনত দকৈ সাঁচ বহুৱাই যোৱা বিধৰ। কিতাপখনত ছবিবোৰৰ উঁহ, নিৰ্মাণ-অভিজ্ঞতা, তাৎপৰ্য্য (বা তাৎপৰ্য্যহীনতা) আদিৰ বিষয়ে চিত্তাকৰ্ষক বৰ্ণনা আছে, বোলছবি আৰু জীৱনৰ অন্যান্য বিভিন্ন দিশৰ ওপৰত অসাৱধান বা গভীৰ চিন্তালব্ধ মন্তব্য আদি আছে—আৰু আছে তেওঁৰ বিভিন্ন তথ্যচিত্ৰ আৰু বিষয়-চিত্ৰৰ ভালেমান স্থিৰচিত্ৰ। চলচ্চিত্ৰত তেওঁৰ দুৰ্বাৰ আগ্ৰহ একেবাৰে সুস্পষ্ট ('চিটিজে'ন্ কেইন্' চাইছোঁ শতবাৰ' [প্ৰসংগতঃ, অব্ছন্ ৱেল্ছৰ Citizen Kane ছবিখনক বহুতো সমালোচকে ক'ব খোজে শতিকাৰ শ্ৰেষ্ঠ কথাছবি বুলি]। 'সাক্ষাৎকাৰত মোক বাতৰি কাকতে প্ৰায়ে সোধে, মোক প্ৰভাৱিত কৰিছে কোন পৰিচালকে। তাৰ উত্তৰ মই নাজানো...হয়তো বহুতে...সদায় কওঁ ঃ শ্বেইক্সপীয়েৰ, ডষ্টয়েভ্স্কি, কাফ্কা...'।)

মুঠতে, কিছ্লভ্স্কিৰ ছবি চাবলৈ কিতাপখনে মনত আগ্ৰহ জগাই তুলিছে। অৱলীলাক্ৰমে তেওঁ বিশ্বৰ অন্যতম শ্ৰেষ্ঠ বোলছবি নিৰ্মাতা হোৱা নাই—বহু সাধনা, চিন্তা-ভাবনা, অধ্যৱসায়ৰ মাজেৰে তেওঁৰ পৰিচালনা-প্ৰয়াস আগ

বাঢ়িছে—তেওঁৰ পশ্চাৎপট একেবাৰে দুখীয়া (আৰু বেমাৰী) ঘৰৰ, দুবাৰ অকৃতকাৰ্য্য হৈ তৃতীয়বাৰত কোনোমতে লজ্ চহৰৰ চৰকাৰী (তেতিয়া কমিউনিষ্ট) ফিল্ম্ বিদ্যালয়ত ভৰ্তি হোৱাৰ যোগ্যতা অৰ্জন কৰে, শিক্ষানবীশ হিচাবে বহুতো চুটি-দীঘল তথ্যচিত্ৰ নিৰ্মাণ কৰে, বহু প্ৰয়াসৰ অন্তত হে 'পৰিচালক' পদৰ যোগ্যতা অৰ্জন কৰে। কিতাপখনত দিয়া তেওঁৰ সম্পূৰ্ণ ফিল্ম্-কৃতি (Filmography)ৰ পৰা আমি তেওঁৰ ফিল্ম চাবলৈ নোপোৱাসকলৰ বাবে ('ঘ্ৰাণেন অৰ্ধভোজনং' বুলি) মাথোঁ তেওঁৰ প্ৰথম প্ৰচেষ্টাবোৰৰ দুখন চুটি ছবিৰ বিৱৰণী উল্লেখ কৰোহঁক ঃ

১। 'মোৰ প্ৰথম স্নাতক (পৰীক্ষাৰ) ছবিখনেই মোৰ প্ৰথম পেশাদাৰী ছবিও—ৰাৱ্ছৰ ৰাজ্যিক তথ্যচিত্ৰ ফিল্ম্-ষ্টুডিঅ'ত নিৰ্মিত। ...সেই সময়ত আমি মূল ছবিৰ পৰিপূৰক ছবিৰূপে দেখুৱাবলৈ দহ-বাৰ মিনিট দৈৰ্ঘ্যৰ চুটি একাংক—তথ্যচিত্ৰ কৰিব লগীয়া হৈছিল...(এই) ছবিখনৰ বিষয়বস্তু হ'ল লজ্ (Lo'dz') চহৰ—যিখনৰ লগত মই ভালদৰেই পৰিচিত, কিয়নো ফিল্ম্-স্কুলত থাকোঁতে মই তাতে আছোঁ, চহৰখনো মোৰ অতি মৰমৰ। লজ্ আছিল নিষ্ঠুৰ আৰু অসাধাৰণ। অতি চকুত লগা জৰাজীৰ্ণ ঘৰ-দুৱাৰ, জৰাজীৰ্ণ চিড়ি, জৰাজীৰ্ণ মানুহ! তেতিয়া (১৯৬৯) আছিল ৰাৱ্ছতকৈও বেছি জৰাজীৰ্ণ, কিন্তু অধিক সুষম। যুদ্ধত মাথোঁ সামান্য ধ্বংসপ্ৰাপ্ত হৈছিল, গতিকে বস্তুতঃ মোৰ ফিল্ম্-স্কুলৰ দিনৰ চহৰখন যুদ্ধৰ আগৰ সেই পুৰণি চহৰখনেই আছিল...মেৰামতি বা পুনৰ্নিৰ্মাণৰ বাবে কোনো ধন নাই... দেৱালবোৰত ফাট মেলিছে, প্লাষ্টাৰ উঁৰলি গৈছে, সকলো পিনে ভাঙন...সকলো দেখিবলৈ অতি চমকপ্ৰদ, এখন সাধাৰণ চহৰ নহয়...'

'লজ্ চহৰৰ পৰা' (From the City of Lo'dz'. ১৯৬৯) তথ্যচিত্ৰ। 'এখন চহৰৰ প্ৰতিকৃতি—য'ত কিছুমান মানুহে কাম কৰে, কিছুমানে অনাই-বনাই ঘূৰি ফুৰে কিবা বিচাৰি বিচাৰি—ঈশ্বৰে জানে কি যে বিচাৰে...অস্বাভাৱিকতা, বিসংগতিৰে পূৰ্ণ এখন চহৰ, বিভিন্ন বৈসাদৃশ্য আৰু উদ্ভট মূৰ্তি আদিৰে পূৰ্ণ এখন চহৰ...ধ্বংসস্তূপ, অস্থিচৰ্মসাৰ বাসঘৰ, নিজান চুক-কোণেৰে পূৰ্ণ...' (ক্ৰিষ্টফ্ কিছ্লভ্স্কি)

—৩৫ মি.মি., ক'লা-বগা
—১৭ মি. ২১ চে.

২। ট্ৰাম' (The Tram, ১৯৬৬)

চুটি 'ফিচাৰ' ঃ

'ৰাতি। এজন ল'ৰাই দৌৰিছে আৰু ট্ৰাম এখনত জাঁপ দি উঠিছে। যাত্ৰী খুব কম ঃ এজন বনুৱা কামলৈ ওলাইছে, এজনী ধুনীয়া ছোৱালী। ল'ৰাজনে ছোৱালীজনীৰ প্ৰতি আকৃষ্ট হে তাইক হুঁহুৱাবৰ চেষ্টা কৰিছে, তাৰ পিছত দেখিছে যে ছোৱালীজনী শুই পৰিছে। নিজৰ আস্থান আহি পালত ল'ৰাজন নামি পৰিছে কিন্তু আকৌ কিবা এটা ভাবিছে, আৰু প্ৰথম দৃশ্যৰ দৰে আকৌ দৌৰিছে পিছে পিছে সেই একেখন ট্ৰামৰ, য'ত ছোৱালীজনী শুই পৰিছে।'

—৩৫ মি.মি., ক'লা-বগা

—৫ মি. ৪৫ চে.

['আমাৰ অসম'ৰ 'মই পঢ়া শেহতীয়া কিতাপ' শিতানত প্ৰকাশিত, ১৫/৭/২০০০ (পৰিবৰ্ধিত)]

একৈশ শতিকা ধেমালি নহয় (১)

আকৌ এটা নৱবৰ্ষ, আকৌ কাৰ্যবাহী সম্পাদকৰ দাবী, যেনে-তেনে এটা লেখা লাগিব। এই লৈ তৃতীয়বাৰ। ওৰে বছৰ লিখকৰ কলাঘুমটি, ১ জানুৱাৰীৰ আগে আগে হঠাৎ সাৰ পোৱাই দি ফৰ্মাইছ, কলম ধৰা, কলম ধৰা, সময় নাই! কিবা একঘেয়ে হৈ পৰা নাইনে কথাটো? এইটো কি এটা ধেমালিত পৰিণত হ'ব ধৰিছে—'ইজ ইট্ গে'টিং টু বি এ' জ'ক্'?

নহয়, এইটো বোলে ধেমালি নহয়, 'জ'ক্' নহয়, কিয়নো এইটো হেনো এটা গতানুগতিক নৱবৰ্ষ নহয়, এইটো এটা অতি গুৰুত্বপূৰ্ণ, গভীৰ তাৎপৰ্য্যপূৰ্ণ সন্ধিক্ষণ, এটা একেবাৰে নতুন শতিকাৰ আৰম্ভণি। কিন্তু, তোমালোকেতো ঢোল-দগৰ বজাই নতুন শতিকা যোৱা বছৰেই পালন কৰি পেলালা, ইমান ক'লো, 'নহয়, ২১ শতিকা আৰম্ভ হ'বলৈ এতিয়াও আৰু এবছৰ আছে, লিখিম দিয়া তেতিয়া কিবা এটা', নামানিলা। বিংশ শতিকা শেষ হ'ল বুলি, একবিংশ আৰম্ভ হ'ল বুলি নাচ-গান, খেল-ধেমালি, ফেশ্যন-ফটকাৰ হৈ চৈ এটাৰ সৃষ্টি কৰি তাৰ পৰা চুহি চুহি কিমান মুনাফা লুটিব পাৰি সেই উদ্যোগত জঁপিয়াই পৰিল গোটেই পৃথিৱীৰ বণিক-গোষ্ঠী, তোমালোকেওতো তাৰ লগতে হাত উজান দিলা। মানে মই যেন আৰু ৰ'ব নোৱাৰি এমাহ আগেয়ে মোৰ বন্ধু-বান্ধৱক ক'লো, পৰহি মোৰ সৰু ল'ৰাটোৰ জন্মদিন, এমাহ আগেয়েই সি পাই গ'ল নানা ৰকমৰ উপহাৰ, কোনোবা কোনোবাই বা দিলে লেফাফাৰ ভিতৰত কেইখনমান নোট, কোনোৱাই দিলে 'গিফ্ট চেক্'—নোটবোৰ মই বাহিৰ কৰিলো। চেক্বোৰ মই ভঙাই ল'লো। (যিসকল আত্মীয়-স্বজনে ল'ৰাটোৰ আচল জন্ম-তাৰিখটো জানিছিল, তেওঁলোকৰো ভালেকেইজনে বিভ্ৰান্ত হৈ দেখাক দেখি সেইটোৱেই কিজানি তাৰ জন্মদিন বুলি মানি ল'লে)। কিন্তু এতিয়া এমাহ পিছত আহি পৰিছে তাৰ আচল জন্মদিন, এতিয়া কৰোঁ কি? নতুন কিবা এটা ভাবি উলিয়াব নালাগিলনে বাৰু?

যিহওক, এইবাৰ কথাটো 'চিৰিয়াছ্' যেতিয়া, কথাটো 'জ'ক্' নহয় যেতিয়া,

নতুন কিবা এটা ভাবি উলিয়াব নালাগিলনে? অৱশ্যে সকলোৱে জানে যে একেই ছন্দত আহি থাকে দিন আৰু ৰাতি, একেদৰেই ঘূৰে চন্দ্ৰ-সূৰ্য্য-পৃথিৱী, যে ৩১ ডিচেম্বৰ আৰু ১ জানুৱাৰীৰ মাজত মূলগত কোনো পাৰ্থক্য নাই (উপৰুৱা কিছুমান বিভিন্নতা হয়তো থাকে, আজি উষ্ণতা ২৫ ডিগ্ৰী, অহাকালি ২৫.৪, আজি পুৱা কুঁৱলী, অহাকালি পুৱাই ৰ'দ)। ১ জানুৱাৰীৰ দিনা প্ৰকৃতিয়ে আকাশত কোনো আশ্চৰ্য্য পৰিঘটনা নেদেখুৱায়, কোনো দৈৱবাণী শুনা নাযায়, যে তাৰিখবোৰ হ'ল মাথোঁ মানুহে দি লোৱা কিছুমান কৃত্ৰিম দাগ—কিন্তু একেঘেয়েমিৰ পৰা সকাহ পাবলৈ এই দাগবোৰ মানুহক লাগে—এই দাগত পূজা, এই দাগত পাৰ্বণ, এই দাগত কাৰোবাৰ সোঁৱৰণী, এই দাগত খেতি বা ব্যৱসায় আৰম্ভ কৰিম, এই দাগত জিৰাম, উৎসৱ পালিম, আনন্দ কৰিম...এজন বন্ধুক সুধিলো, বাৰু, অহা এশটা বছৰৰ বিষয়ে—অৰ্থাৎ ২১ শতিকাটোৰ বিষয়ে—কিনো নতুন কথা ক'ব পাৰি? তেওঁ ক'লে—ক'বতো নোৱাৰোঁ। কিছুমান নতুন নতুন ঘটনা ঘটিব, সকলো শতিকাতে ঘটে, তাৰ বাহিৰেনো আৰু কি? তেওঁ বিজ্ঞানৰ ছাত্ৰ নাছিল, কিন্তু বহুত জনপ্ৰিয় বিজ্ঞানৰ কিতাপ পঢ়িছে, তেওঁ ক'লে যে তেওঁ জনাত, কুৰি শতিকা আৰম্ভ হৈছিল দুটা গুৰুত্বপূৰ্ণ আৱিষ্কাৰেৰে—এটা হ'ল এক্স-ৰে', আনটো হ'ল কোৱাণ্টাম থিয়ৰী। সেই দুটাৰ সুদূৰপ্ৰসাৰী প্ৰভাৱে গোটেই কুৰি শতিকাটো ভৰাই ৰাখিছে—ৰঞ্জন-ৰশ্মিৰ ফলত চিকিৎসাবিজ্ঞানৰ চেহেৰাই গৈছে একেবাৰে সলনি হৈ, আৰু কোৱাণ্টাম তত্ত্বৰ প্ৰয়োগে সমস্ত প্ৰযুক্তিৰ আৰু মানুহৰ সমস্ত ভাবনা-চিন্তাৰ ৰূপেই বদলাই দিছে। একপিনৰ পৰা ক'বলৈ গ'লে, কুৰি শতিকাৰ দুটা পৰিচয়-চিহ্ন কিজানি ৰঞ্জন-ৰশ্মি আৰু কোৱাণ্টাম তত্ত্বই—কিন্তু, নাজানো, একৈশ শতিকাক ৰা কিহৰে—'

'আ, আপুনি কথাটো সেই ধৰণে চাইছে?'

মই ক'লো, 'তেনেকুৱা দৃষ্টিকোণৰ পৰা চাব লাগিলে, একৈশ শতিকাৰো', মই ভৱিষ্যায়নৰ (অৰ্থাৎ 'ফিউচাৰ'লজি'ৰ) বিষয়ে লিখা এখন অসমীয়া ৰচনা বিচাৰি উলিয়ালো, 'একৈশ শতিকাতো কি কি ঘটিব পাৰে, তাৰো লিষ্টি ইতিমধ্যে তৈয়াৰ হৈ গৈছে—এই যে চাওক', ৰচনাখনত দিয়া 'বাকচ' এটা তেওঁক দেখুৱালো। মই পঢ়ি যাওঁতে যাওঁতে তেওঁৰ চকু ডাঙৰ হৈ গৈ থাকিল, শেষত 'চাওঁ চাওঁ' বুলি 'বাকচ'টো আকৌ এবাৰ পঢ়িলে, তাৰ পিছত চছ্‌মাযোৰ খুলি লৈ এটা দীঘল নিশ্বাস এৰিলে, ক'লে, 'বাপ্‌ৰে বাপ্‌, ইমানচব জব্বৰজং

কাৰবাৰ! একেবাৰে আকাশলংঘী। পৃথৱীখনতো দেখিছোঁ একেবাৰে পেৰাডাইছ হৈ যাব। ৰিয়েলী, টুৱেণ্টী ফাৰ্ষ্ট চেঞ্চুৰী ইজ ন' জ'ক। কিন্তু চেঞ্চুৰীৰ প্ৰথম পুৱাই পটুৱৈৰ আগত ইমানচব টেৰিৰি চিৰিয়াছ্‌ কাণ্ড-কাৰখানা মেলি দিবনে? নহয়, এক কাম কৰক, বাকচটো সম্প্ৰতি ক'ৰবাত আঁতৰাই ৰাখি থওক, পাঠকে এতিয়াই এইটো খুলি নাচালেও হ'ব।' (গতিকে 'বাকচ'টো এফলীয়াকৈ থৈ দিলো, পটুৱৈয়েও এইটো পোনে পোনে নপঢ়িলেও হ'ব।) তেওঁ এবাৰ চকু কোঁচাই মোৰ পিনে চালে, আকৌ চছ্‌মাযোৰ পিন্ধিলে, ক'লে, 'হওক তেও। হওক তেও—মানে, য'ত য'ত হয়গৈ। মানে, ইউৰোপ-আমেৰিকাত কিজানি এইবোৰৰ কোনো কোনোটোৰ কিবাকিবি হ'বগৈও পাৰে—ফুল্‌লি অৰ্ পাৰ্টলি—কিন্তু আমাৰ ইয়াত...মানে, পৃথিৱীতো এটা মাত্ৰ গ্ৰহ নহয়—তাৰ দুঠেঙীয়া প্ৰাণীবোৰ দেখাত একে যদিও সিহঁতৰ হাব-ভাব, চিন্তা-চৰিত্ৰতো

একবিংশ শতিকাৰ বিস্ময়?

জীৱ-বিজ্ঞানৰ গৱেষণা আৰু বংশগতি অভিযোজনাৰ আশ্চৰ্য উদ্ভাৱনাই অবলুপ্ত কৰিছে মানসিক ৰোগ, কৰ্কট ৰোগ, 'এইড্‌ছ' আৰু অন্যান্য ব্যাধি, মানুহৰ গড় জীৱন-প্ৰত্যাশা এতিয়া ১১০ বা ১২০ বছৰ, সবল-সক্ৰিয় আৰু বাৰ্ধক্যবৰ্জিত; হাইড্ৰ'জেন-সংযোজন ('ফিউশ্যন')ৰ সাফল্য, সূক্ষ্ম-তৰংগ ('মাইক্ৰ'ৱেভ্‌') যোগে কৃষিবিৱৰ ('ব্ৰেক্‌ হ'ল)ৰ পৰা শক্তি আহৰণ, গ্ৰহাণুপুঞ্জ আৰু সাগৰতলিৰ পৰা খনিজ-দ্ৰব্য উদ্ধাৰ—ফলত পৃথিৱীৰ প্ৰতিজন নাগৰিকৰ বাবে অফু�ৰন্ত শক্তি। বতৰ আৰু আবহাৱাৰ সম্পূৰ্ণ বা আংশিক নিয়ন্ত্ৰণ, প্ৰদূষণ-মুক্ত আৰু স্বয়ংচালিত চহৰ আৰু ঘাই আলি, বায়ুৰ কুশ্যনৰ ওপৰত ৰাস্তাৰ ওপৰেৰে ওপঙি যোৱা অগধুৰ যান-বাহন (তথাকথিত জি ই এম বা গ্ৰাউণ্ড্‌ এফেক্ট মেচিনছ); ঘৰৰ কাম-বনৰ দায়িত্বত চিন্তাসক্ষম 'ৰবট' (আদেশ বুজে, কথাবোৰ বিচাৰ কৰি চাই কি কৰা উচিত হ'ব সিদ্ধান্ত ল'ব পাৰে); নখাগ্ৰত প্ৰয়োজনীয় সমস্ত তথ্যপাতি (চাবি টিপিলেই পোৱা যাব যি লাগে), সূক্ষ্ম-ইলেক্ট্ৰ'নিক্স আৰু উপগ্ৰহ-সংযোগৰ বিশাল বিকাশ আৰু বিস্তাৰৰ ফলত পৃথিৱীৰ যিকোনো ব্যক্তিৰ লগত প্ৰতিজন মানুহৰ ব্যক্তিগত শ্ৰৱণ-দৰ্শন আহিলাৰে যোগাযোগ, ফলত সমস্ত পৃথিৱী এখন 'ভূমণ্ডলীয় গাঁৱলৈ সংকুচিত। কৃত্ৰিম অংগৰ বিকাশ আৰু অংগ-সংযোজন পদ্ধতিৰ অগ্ৰগতিৰ ফলত বিকলাংগ (বা অংগহীন) হৈ থকাৰ দুৰ্ভাগ্য শেষ; জৈৱ-ইলেক্ট্ৰ'নিক সা-সঁজুলিৰ যোগে মানুহৰ অন্তৰ্নিহিত সক্ষমতা/সম্ভাৱনাবোৰৰ পূৰ্ণ বিকাশ, সকলোৰে বাবে দ্ৰুত আৰু কষ্টবিহীন শিক্ষা (হয়তো টোপনিকালত); হয়তো প্ৰায় আলোকৰ বেগৰ ওচৰা-উচৰি 'মহাকাশ-চালিকা' পদ্ধতি ('স্পেইচ ড্ৰাইভ'), কাষৰীয়া গ্ৰহ-উপগ্ৰহত মানুহৰ উপনিৱেশ, হয়তো এনেকি চন্দ্ৰ, ফবচ্‌, টাইটান আদি কিছুমান উপগ্ৰহলৈ অৱসৰ বিনোদনৰ ভ্ৰমণসূচী...'কৃত্ৰিম বুদ্ধি'ৰ উদয়, হয়তো এনেকি 'কৃত্ৰিম জীৱন', হয়তো বা অমৰত্ব—আৰুতো আছেই পৃথিৱীৰ বাহিৰৰ প্ৰাণীৰ লগত যোগাযোগ, 'নিলম্বিত জীৱন'...

একেবাৰে বেলেগ বেলেগ গ্ৰহৰ জীৱৰ দৰে—জাপান এটা বেলেগ গ্ৰহ, চীনো এটা বেলেগ গ্ৰহ, ভাৰতবৰ্ষ এটা বেলেগ উপগ্ৰহ—আমেৰিকা গ্ৰহটোৰ কিছুমান কায়দা-কচৰৎ আমাৰ প্ৰাণীবোৰেও অনুকৰণ কৰাৰ বান্দৰালি কৰোঁ যদিও, আমাৰ মনোবৃত্তিতো একদম দোচোৰা—আচ্ছা, কেনে দেখে, আমাৰ বাবে আমিও এটা বাকচ বনাওঁ?'

প্ৰস্তাৱটো মোৰ বেয়া নালাগিল, কাগজ-কলম লৈ বহিলো। তেওঁ ভাবি ভাবি কৈ গ'ল, মই লিখি গ'লো ঃ

'হ'ব, হ'ব', মই হাত দাঙি দিলো, 'শতাব্দীৰ আৰম্ভণিতেই ইমানবোৰ খেচেৰা বস্তুৰ তালিকা পঢ়িবলৈয়ে কি মানুহে ভাল পাব?'

...ঘোচখোৱা ভাই�ৰাচৰ আৰু কামত ফাকি দিয়া ব্যাধিৰ উত্তৰোত্তৰ প্ৰসাৰ, ফলত সকলো কাল-সীমিত আঁচনি ধূলিসাৎ...ফলত অবাৰিতভাৱে ৰক্তবীজৰ দৰে পিলপিলকৈ জনসংখ্যা বৃদ্ধি, ফলত আন সকলো কল্যাণমূলক আঁচনি প্ৰহসনলৈ ৰূপান্তৰিত... গোলকীকৰণ আৰু উদাৰীকৰণৰ নামত হু হুকৈ মূল্য বৃদ্ধি আৰু ক্ৰমশঃ সকলো ধন-সম্পদ এমুঠি মানুহৰ হাতত কেন্দ্ৰীভূত, বাকীবোৰৰ কোনোমতে 'দিন ভিক্ষা প্ৰাণ ৰক্ষা'...পশ্চিমৰ পৰা অত্যাধুনিক চিকিৎসা-প্ৰযুক্তিৰ আমদানি (ক'লা টকাৰ গৰাকীসকলৰ বাবে সংৰক্ষিত), অন্যসকলৰ বাবে পশ্চিমত নিষিদ্ধ ঔষধ-পত্ৰৰ উভেনদী বজাৰ...বিভিন্ন ৰাজনৈতিক দলৰ নামেৰে মাফিয়াৰ দ্বাৰা শাসনভাৰ দখল... সন্ত্ৰাসবাদীৰ হাতত পাৰমাণৱিক অস্ত্ৰ-শস্ত্ৰৰ ভাণ্ডাৰ...বনাঞ্চল শেষ, বন্যপ্ৰাণী বিলুপ্ত, ক্ষয়ৰোধী প্লাষ্টিক আৰু টক্সিক দ্ৰব্যেৰে জল-স্থল-বায়ু সম্পৃক্ত, বিস্তীৰ্ণ অঞ্চল ধূ ধূ মৰুভূমিলৈ অথবা বহু গন্ধময় ঘিঞ্জি বস্তিলৈ ৰূপান্তৰণত ক্ষিপ্ৰ অগ্ৰগতি...

'অ', বন্ধুৱে ক'লে, 'অৱশ্যে আচল খেচেৰা বস্তুবোৰৰ কথাতো আৰম্ভ কৰাই নাই—কিন্তু সেইবোৰো থাকক, সবেতা জানেই। ঠিকেই কৈছে, এই পেণ্ডৰাৰ বাকচটো খুলি দিও একো লাভ নাই। এই বাকচটোও ইয়াতে বন্ধ কৰা যাওক—তলাটো মাৰি চাবিডাল দলিয়াই দিয়ক—এইবোৰ ডিছ্‌মেল্‌ কথা, বিমৰ্ষ কথা কোনে পঢ়ি থাকিব বিচাৰে—তাতকৈ ববং চীনা প্ৰবাদটোকেনো নলওঁ কিয়, যে 'হাজাৰটা শব্দতকৈ এখন চিত্ৰ বেছি ফলপ্ৰসূ'?'

সেইটো পৰামৰ্শও বেয়া নালাগিল। একবিংশ শতাব্দীৰ কথা যদি ক'বই লাগে, মানুহে সহজে, সংক্ষেপে বুজি পোৱা ছবিবে কোৱাই ভাল। কি ছবি ভাল পায় মানুহে? ডাঙৰ ডাঙৰ শিল্পীৰ 'মাষ্টাৰ্‌পীচ'ত কেইজনবেই বা আগ্ৰহ, আৰু 'এৱাষ্ট্ৰেক্ট আৰ্ট' কেইজনেই বা বুজে? সকলোৱে কিন্তু ভাল পায় ব্যংগচিত্ৰ,

কার্টুন। সকলোৱে বুজে, সকলোৱে হাঁহিব পাৰে—হাজাৰ-বিজাৰ ত্যক্ততা-উদ্বিগ্নতাৰ মাজতো মিচিকৈকে হাঁহি বাহিৰ কৰি দিব পৰা এটুকুৰা অংকন—বোধহয় এই কার্টুনেই একবিংশ শতাব্দীলৈ বিংশ শতাব্দীৰ আপুৰুগীয়া প্ৰীতিকৰ দান (ব্যংগচিত্ৰ অৱশ্যে আগেয়েও আছিল, কিন্তু কুৰি শতিকাতেইতো ঘটিছে তাৰ পূৰ্ণ বিকাশ) ঠিকেই, একৈশ শতিকা ধেমালি নহয়, 'ন' 'জ'ক্‌', কিন্তু কার্টুনবোৰেই দেখুৱায় যে চাব জানিলে গুৰুভাৰ পৰিস্থিতিৰ মাজতো সানন্দ সকাহ বিচাৰি পাব পাৰি। লৰালৰিকৈ বিচাৰিলো, মাথোঁ দুই-চাৰিখন কার্টুনহে হাতলৈ আহিল—(সেইবোৰ অৱশ্যে কার্টুনিষ্টে একৈশ শতিকাৰ কথা ভাবি আঁকা নাছিল, কিন্তু তেওঁলোকৰ অবচেতনত হয়তো ভৱিষ্যানুমানে ক্ৰিয়া কৰি আছিল)। বেছ তেনেহ'লে, কার্টুনিষ্টৰ দৃষ্টিৰে এয়া একৈশ শতিকাৰ কিছু পূৰ্বাভাস ঃ

প্ৰথমতে, ভাৰতবৰ্ষৰ এক আৰু অদ্বিতীয় কার্টুন—'জিনিয়াছ' আৰ্‌ কে লক্ষ্মণ, কাইলৈৰ চহৰত আমাৰ সকলোৰে চিনাকি চৰিত্ৰ তেওঁৰ 'সাধাৰণ মানুহ' (কমন মেন) ঃ

তাৰ পিছত, নিশ্ছিদ্ৰ যান-জট, যন্ত্ৰ-ঘৰ্ঘৰ, ইলেক্ট্ৰ'নিক্স (আৰু অন্যান্য



শব্দ-বিৱর্ধন, পৃথিৱীৰ পৰা 'মৃদুতা', 'নম্রতা', 'শান্তি-শিষ্ট পৰিৱেশ' আদি শব্দৰ নির্বাসন—

তাৰ পিছত, আমাৰ সকলোৰে প্রিয় সৰু ল'ৰাটো, সাক্ষাৎ বিহগুটি 'ডেনিছ দ্য মিনেইছ'—বেচেৰাই নাজানে যে ভোকৰ চেগুউইচখন নাপাই সি ক্ষোভেৰে যি কথা কৈছে, তাৰ অর্থ হ'ল ঃ যান্ত্রিক যোগাযোগ-ব্যৱস্থাৰ উত্তৰোত্তৰ বিকাশ, লগে লগে মানৱীয় যোগাযোগ শিথিলৰ পৰা শিথিলতৰ (আৰু বিকৃত) ঃ

ইত্যাদি। আৰু সাহিত্য, সংগীত, ৰুচিবোধ প্রযুক্তি)ৰ অগ্রগতিৰ ফলত সর্বত্র অন্ত্রে ৰন্ত্রে ট্রেঞ্জিষ্টৰ, লাউড্ স্পীকাৰ, অহৰহ উচ্চৰ পৰা উচ্চতৰ 'পাৱাৰ'ৰ

বাহিৰত এইবোৰ হৈ-হাল্লা চলি থাকিলে মই আৰু ইহঁতক আন কিদৰে পঢ়াম? (ইণ্ডিয়ান এ'ক্সপ্রেছ)

এইবোৰ? সেইবোৰৰ কি হ'বগৈ, সেই বিষয়ে কৈ পেলাইছে জনপ্রিয় কার্টুন-পটিৰ হিউবার্টে

গতিকে ধ্রুপদী কিবাৰ সৃষ্টি কৰাৰ অপচেষ্টা কৰি অনাহক শক্তি ক্ষয় কৰি আৰু কি হ'ব—যি মন যায় বেবেৰিবাং, কিবা এটা লিখি দিলেই, গাই দিলেই, আঁকি দিলেই 'হিট' হৈ যাব, বোধহয় নতুন আৰু একো নাই, যোৱা কুৰিটা শতিকা এইবোৰ কৰি কৰি সকলোৰে চব মচলা শেষ হৈ গৈছে, পুৰণি বস্তুত নতুন লেবেল মাৰিলেই হৈ যাব, চলি যাব—এই ৰচনাখনেই হয়তো যাৰ এটা নিদর্শন।

একৈশ শতিকা ধেমালি নহয় (২)

যোৱাকালি (২৯ ডিচেম্বৰ) দিনটো ঘৰত নাছিলো, আবেলি আহি মনোজ কুমাৰ গোস্বামীয়ে এৰি থৈ যোৱা চিঠিটুকুৰা পালো, যে অহা ১ জানুৱাৰীত প্ৰকাশ কৰিবলৈ লেখা এটা লাগে। হতাশাৰ দীৰ্ঘশ্বাস এটা পেলাই ভাবিবলৈ বাধ্য হ'লো যে মনোজ গোস্বামীৰ কিবা পৰিৱৰ্তন ঘটাৰ আৰু কোনো আভাস দেখা নাযায়—বছৰে বছৰে সেই একেই হুৰমুৰ, দুদিন আগেয়ে দি বহিব হঠাৎ এটা জৰুৰী ফৰ্মাইছ, এৰাতিৰ ভিতৰতে যেনেতেনে লিখি দিব লাগে কিবা এটা! কিমানবাৰ কৈছোঁ যে 'তোমালোক সাংবাদিক মানুহ, ৰাতি অফিচলৈ কিবা এটা খবৰ আহিল, তাৰ ওপৰত ৰাতিপুৱাৰ কাগজৰ বাবে লগে লগেই কিবা এটা লিখি উলিয়ালা—কিন্তু আমাৰ দৰে লেহেম মানুহৰ ক্ষেত্ৰতো তেনেকুৱা চট্‌পট্‌ উৎপাদন আশা কৰাটো কি এটা যুক্তিসংগত কথা? নাই, সেই লৈ তোমাৰ কোনো দুশ্চিন্তাই নাই, ভাবটো সদায় এয়ে যে হ'ব, হ'ব, 'কিবা এটা' হৈ যাব!'

ভাবিবলৈ আৰু বাধ্য হ'লো যে বোধহয় মনোজ গোস্বামীয়ে চেষ্টা কৰিলেও এই প্ৰবৃত্তিটো শুধৰাই ল'ব নোৱাৰে; কিয়নো, হয়তো তেওঁৰ জিন্‌-গাঁথনিতে ক'ৰবাত এই অভ্যাসটো সোমাই আছে, যেনেকৈ হেনো আমাৰ দেহকোষৰ জিন্‌বোৰত নিৰ্দিষ্ট হৈ থাকে আমাৰ চকু ক'লা হ'ব নে নীলা হ'ব, নাকটো জোঙা হ'ব নে থোপোকা হ'ব, চুলি ঠৰঙা হ'ব নে ঘন হ'ব, আমি খঙাল হ'ম নে ৰঙিয়াল হ'ম, কৃপণ হ'ম নে বদান্য হ'ম, দয়ালু হ'ম নে হিংস্ৰ হ'ম, চিগাৰেট বা মদ ভাল পাম নে বেয়া পাম, ইত্যাদি সকলো বিশেষত্ব আৰু সকলো প্ৰবৃত্তি; আৰু এই জিন্‌বোৰৰ সু-ৰচনাৰ ব্যতিক্ৰম বা বিকৃতিৰ পৰাই, সিবোৰৰ উৎপৰিৱৰ্তনৰ পৰাই, হেনো আহে অসুস্থতা আৰু অস্বাস্থ্য, হৃদৰোগ আৰু কেন্সাৰ, আল্‌জ্‌হাইমাৰৰ ব্যাধি আৰু পাৰ্কিন্‌ছনৰ ব্যাধি, মানসিক বিকাৰ, স্কিজ'ফ্ৰেনিয়া...(অৱশ্যে আমাৰ পাৰিপাৰ্শ্বিকৰ পৰাও আহে কিছুমান অভ্যাস, কিছুমান প্ৰৱণতা, কিন্তু হয়তো সেইবোৰেও প্ৰভাৱিত কৰে জিন্‌-গাঁথনি, হয়তো শেষ বিচাৰত আমাৰ জিন্‌-বিন্যাসতেই লিখা থাকে আমাৰ চৰিত্ৰ)...এই

সকলোবোৰ জিনৰ—আমাৰ দেহকোষৰ প্ৰায় ৮০,০০০ জিনৰ চিনাক্তকৰণৰ আৰু ক্ৰম নিৰ্ণয়ৰ এটা বিশ্বজোৰা প্ৰকল্পৰ কাম হেনো চলি আছে পূৰ্ণগতিত; যেতিয়া জানিব পাৰিম দেহকোষৰ কোনডাল ক্ৰ'মছ'মৰ কিমান নম্বৰ জিনৰ কি বিকৃতি বা বিচ্যুতিয়ে ঘটাইছে কি ব্যাধি, কি বদভ্যাস, তেতিয়া 'জেনেটিক ইঞ্জিনিয়াৰিঙ'ৰ যোগে সেই জিন্‌টো অপসাৰিত কৰি বা তাৰ সংশোধন ঘটাই সেই ব্যাধি নিৰাময় কৰিব পাৰিম, সেই বদভ্যাস আঁতৰাই দিব পাৰিম—আৰু তেতিয়া হয়তো ধৰা পৰিব মনোজ কুমাৰ গোস্বামীৰ দৰে মানুহৰ কোনটো জিনত এই 'হুৰমুৰ' অভ্যাসটো লুকাই আছে, তেতিয়া সেই দুষ্ট জিন্‌টো শুধৰাই দি...(অৱশ্যে তাৰ অলপ দেৰি আছে, এই Human Genome Projectৰ কাম হেনো ২০০৩ চনৰ আগেয়ে সম্পূৰ্ণ নহ'ব।)। কিন্তু এইবোৰ হয়তো অবান্তৰ কথালৈ আহিলো।

যিহওক, 'কিবা এটা' মানে—পহিলা জানুৱাৰীৰ প্ৰসংগত—হয়তো যোৱা বছৰটোৰ বিষয়ে কিবা এটা? মনত পৰিছে, যোৱা বছৰ এনেকুৱা তাড়নাতে যিখন ৰচনা লিখি উলিয়াব লগীয়া হৈছিল—একবিংশ শতাব্দীৰ আৰম্ভণি উপলক্ষে—তাৰ নাম দিছিলো 'একৈশ শতিকা ধেমালি নহয়', আধা-খুহুতীয়া সুৰত লিখা, তাত কেইখনমান কাৰ্টুনো সন্নিৱিষ্ট কৰি দিছিলো, আমাৰ মুখত বোধহয় লাগি আছিল এটা কৌতুকৰসাল, আত্মসন্তুষ্ট স্মিতহাস্য। তাৰ পিছৰ মাহবোৰত যথাবিধি 'ধেমালি' অপসাৰিত কৰি বাতৰি কাকতৰ প্ৰথম পৃষ্ঠা অধিকাৰ কৰি থাকিল হিংসা-খুনখাৰাপি-কেচ্ছা-কেলেংকাৰি আদিবোৰ বস্তুৰে, যিবোৰ প্ৰত্যাশিত, যিবোৰত আমি অভ্যস্ত, গতিকে চিন্তিত হ'বৰ একো নাই, চমকিত হ'বৰ একো নাই, উত্তেজিত হ'বৰ একো নাই—কিন্তু শতিকাৰ প্ৰথম বছৰটোৰ ন মাহ নৌযাওঁতেই এদিন ৰাতিপুৱা কাকতখন খুলি (পৰাপক্ষত টিভি নাচাওঁ, সেয়ে আগদিনা সন্ধিয়া একো গম নাপালো) বিস্ময়-বিস্ফাৰিত নেত্ৰে চাই ৰ'লো, 'ধেমালি নহয়' বুলি ধেমালি কৰা মুখৰ আত্মসন্তুষ্ট কৌতুক-হাঁহি প্ৰথম পৃষ্ঠাৰ ছবিকেইখনে এটা ৰুক্ষ ঘঁহনিৰে মুখৰ পৰা মচি পেলালে ঃ ১১ ছেপ্টেম্বৰৰ আগবেলা নিউয়ৰ্কৰ বিশ্ব বাণিজ্য কেন্দ্ৰৰ যুগল-মিনাৰত আত্মঘাতী সন্ত্ৰাসবাদীৰ অভাবিত আক্ৰমণ...

সমগ্ৰ বিশ্বৰে প্ৰথম প্ৰথম যিটো প্ৰতিক্ৰিয়া, সেইটো হ'ল এটা স্তম্ভিত অবিশ্বাস, প্ৰায় পক্ষাঘাতসদৃশ এটা নিৰ্জীৱ বিমূঢ়তা, শোক, আতংক (...'ব'য়িঙৰ সমস্ত ইন্ধন প্ৰজ্বলিত হোৱাৰ ফলত ১০,০০০ ডিগ্ৰী ছেলছিয়াছ উষ্ণতা',

যেতিয়া সূর্য্যৰ বহির্ভাগৰ উষ্ণতা হ'ল মাথোঁ ৬,০০০ ডিগ্রী...)...তাৰ পিছত লাহে লাহে পুনৰ দেহ-মনলৈ বিচাৰ-বিবেচনাৰ শক্তি, বিভিন্ন জল্পনা-কল্পনা, কিছুমান হয়তো তেনেই অপ্রাসংগিক ভাবনা, ক'ৰবাত পঢ়া কিবা কথা, ক'ৰবাত শুনা কিবা মন্তব্য, নানা ধৰণৰ সোঁৱৰণী। আমাৰ ক্ষেত্রতো, প্রথম প্রথম যিবোৰ স্মৃতি মনলৈ আহিল, তাৰে এটা হ'ল ন'বেল বঁটা বিজয়ী পদার্থবিজ্ঞানী ৰিচার্ড ফাইন্‌মেনৰ কিতাপ এখনৰ কেইটামান শাৰী। তাৰে উদ্ধৃতি দি আমি ইংৰাজী বাতৰি কাকত এখনলৈ চিঠি লিখিলো, কিন্তু কিবাকিবি কাৰণত চিঠিখন ডাকত দিওঁতে কিছু দেৰি হ'ল, চিঠিখন গৈ পালে নে নাই, প্রকাশ হ'ল নে নাই, গম নাপালো।

[প্রসংগতঃ, পদার্থবিজ্ঞানৰ উচ্চমার্গৰ গৱেষণা, প্রশাসনীয় দায়িত্ব আদিৰ পৰা ফাইন্‌মেনক দুবছৰৰ বাবে ৰেহাই দিয়া হৈছিল একেবাৰে নতুনকৈ বিশ্ববিদ্যালয়ত সোমোৱা—১ম আৰু ২য় বার্ষিকৰ ছাত্র-ছাত্রীক প্রাথমিক পদার্থবিজ্ঞানৰ বিষয়ে বক্তৃতা দিবলৈ, সেইবোৰ বক্তৃতা বাণীবদ্ধ আৰু সম্পাদনা কৰি পিছলৈ প্রকাশ কৰা হ'ল 'ফাইন্‌মেনৰ পদার্থবিজ্ঞানৰ বক্তৃতামালা' (The Feynman Lectures on Physics)]। যোৱা বছৰটোৰ বিষয়ে লিখা ৰচনা হিচাপে হয়তো সেয়ে সেই চিঠিখনকে ইয়াত উদ্ধৃত কৰিব পাৰোঁ ঃ

'সম্পাদক ডাঙৰীয়া... নিউয়র্কৰ বিশ্ব বাণিজ্য কেন্দ্রৰ যুগ্ম অট্টালিকাৰ ওপৰত ১১ ছেপ্টেম্বৰৰ দিনা এটা আত্মঘাতী আতংকবাদীৰ আক্রমণৰ বিষাদজর্জৰ বিভীষিকাৰ পিছত প্রকৃতিস্থ হৈ মানুহৰ মনলৈ আহিছে নানা ধৰণৰ কথা; মোৰ মনত পৰিছে ন'বেল-বিজ্ঞানী ফাইন্‌মেনৰ কিতাপৰ দুটামান অনুচ্ছেদ। কিতাপখনৰ এটা অধ্যায়ত তেওঁ বুজাবৰ চেষ্টা কৰিছে আৱহ-বিদ্যুৎ (Atmospheric Electricity)ৰ কিছুমান পৰিঘটনা ঃ বায়ুমণ্ডলৰ বিজুলী-প্রবাহ, বিজুলী-ঢেৰেকনি, বজ্রপাত ইত্যাদি। বক্তৃতাৰ শেষত তেওঁ কৈছে ঃ

'ধাৰণা হয় যে এইটো বহুদিনৰে পৰা জ্ঞাত, যে বজ্রই ওখ বস্তুবোৰত আঘাত হানে। (এই বিষয়ে) আর্টাবানিছৰ উদ্ধৃতি এটা আছে—আর্টাবানিছ আছিল (পাৰস্য-সম্রাট) জেৰেক্সেছ (Xerexes)ৰ উপদেষ্টা, যিসময়ত জেৰেক্সেছে তেতিয়ালৈ আৱিষ্কৃত পৃথিৱীৰ সমস্ত দেশ পাৰ্ছীয়সকলৰ অধীনলৈ অনাৰ চেষ্টা কৰি আছিল। গ্রীকসকলৰ ওপৰত এটা আক্রমণৰ পৰিকল্পনাকালত আর্টাবানিছে তেওঁৰ প্রভুক পৰামর্শ দিছে, আর্টাবানিছে কৈছে, 'চাওক, কেনেকৈ ঈশ্বৰে ডাঙৰ ডাঙৰ প্রাণীবোৰক তেওঁৰ বজ্রেৰে আঘাত হানে, সিহঁত উদ্ধত

হৈ ওফন্দি উঠাটো তেওঁ সহ্য নকৰে, কিন্তু সৰু সৰু প্রাণীবোৰে তেওঁক বিৰক্ত নকৰে। আৰু তেনেদৰে, কেনেকৈ তেওঁৰ বজ্র পৰে সদায় উচ্চতম গৃহবোৰত আৰু অত্যুচ্চ গছবোৰত।' আৰু তাৰ পিছত তেওঁ ব্যাখ্যা কৰিছে তাৰ কাৰণ ঃ 'অর্থাৎ, স্পষ্টতঃ, যিয়ে নিজকে উচ্চলৈ উন্নীত কৰিবলৈ চেষ্টা কৰে, তেওঁ ভাল পায় তেনেকুৱা সকলো বস্তুকে ভূ-লুণ্ঠিত কৰি (নমাই) দিবলৈ।'

তাৰ পিছত ফাইন্‌মেনে তেওঁৰ ছাত্র-ছাত্রীসকলক উদ্দেশি কৈছে ঃ 'এতিয়াতো তোমালোকে জানিলা ওখ গছত কিয় বজ্র পৰে, এতিয়া বাৰু তোমালোকে ভাবা নেকি যে ৰাজ-ৰাজন্যক সামৰিক বিষয়ত উপদেশ দিবলৈ আজিৰ পৰা ২৩০০ বছৰ আগৰ আর্টাবানিছতকৈ তোমালোক বেছি বিজ্ঞ? নিজকে উচ্চলৈ উন্নীত কৰিবলৈ চেষ্টা নকৰিবা। তোমালোকে সেইটো কৰিব পাৰিবা মাথোঁ (তেওঁতকৈ) মন্দতৰ কাব্যিক ভাষাত।' *

ওখ ওখ ঘৰবোৰৰ বিপর্যয়ৰ আঘাতৰ প্রাচীনতম উদাহৰণবোৰৰ এটা হ'ল বাইবেলৰ 'আদিপুস্তক'ত বর্ণিত বাবিল-মিনাৰ (Tower of Babel)ৰ পতন। বেবীলনৰ সম্রাট নেবুচাদ্‌নেজ্জাৰৰ পিতাকে হেনো নির্মাণ কৰিছিল এই অট্টালিকা-মন্দিৰ, আৰু এতলা-দুতলাকৈ আকাশৰ পিনে উঠি যোৱাৰ তাৰ আস্পর্দ্ধা দেখি প্রভু যিহোৱাই হেনো তাত ভাষাৰ ভেদ জন্মালে—যদিও আজিৰ তুলনাত তাৰ উচ্চতা একোৱেই নাছিল—মাথোঁ ৭ তলা, ৩০০ ফুট। খ্রীঃপূঃ ৬৮৯ চনত এছিৰীয় সম্রাট ছেন্নাছেৰিবে বেবীলন আক্রমণ আৰু লুণ্ঠন কৰোঁতে বাবিল-মিনাৰো ধ্বংস হৈ গ'ল।

ধাৰণা হয় যেন সুউচ্চ ইমাৰতবোৰে, আকাশচুম্বী গাঁথনিবোৰে পায় মানুহৰ আশ্চর্য্যবোধ আৰু তাৰিফ, কিন্তু তাৰ লগতে সেইবোৰে আকর্ষণ কৰে ঈর্ষা আৰু আক্রোশ, মানুহে অনুভৱ কৰে সেইবোৰ ধ্বংস কৰি মাটিত মিলাই দিবলৈ এক অবোধ্য, হয়তো অযৌক্তিক, উদ্বিগ্নতা। (গুৱাহাটীৰ সৰু সুন্দৰ অসম-আর্হিৰ ঘৰবোৰৰ মাজত 'শান্ত-মধুৰ শ্রীময়ী পৰিৱেশ'ত ডাঙৰ-দীঘল হোৱা মানুহে যেনেকৈ আজিৰ গুৱাহাটীৰ ঠেকাঠেকি আপচু অট্টালিকাভৰা কদর্য্য পৰিৱেশত দিশহাৰা আৰু শ্বাসৰুদ্ধ হৈ পৰে, এইখন তেওঁলোকৰ গুৱাহাটী বুলি মানি নলয়।) ১১ ছেপ্টেম্বৰৰ ঘটনাৰ পিছত খালী কৰি পেলোৱা হৈছে পৃথিৱীৰ বহু ঠাইৰ ওখ ওখ অট্টালিকাৰ ওপৰৰ বহুতো তলা, সুৰক্ষাৰ চিন্তাই আৱৰি ধৰিছে নিউয়র্কৰে এম্পায়াৰ ষ্টেট বিল্ডিং আৰু ষ্টেট্যু অফ লিবার্টী,

টকিঅ'ৰ টাৱাৰ, কুৱালালাম্‌পুৰৰ পেট্ৰ'নিয়াছ টাৱাৰ্ছ, সন্ত্রস্ত হৈ পৰিছে ফৰাচীসকল পেৰিছৰ আইফেল্ স্তম্ভৰ ভৱিষ্যত ভাবি, ইত্যাদি।

ওখ ওখ নির্মাণবোৰত বিপদৰ সম্ভাৱনা সদায়েই আছিল—গাঁথনিৰ ত্রুটি, ধুমুহা-তুফান, ভূমিকম্প, অগ্নিকাণ্ড, বজ্রাঘাত, বিমান দুর্ঘটনা (...আৰু সেইবোৰৰ প্রতিবোধৰ ব্যৱস্থাও যি পাৰে লৈছিল)। কিন্তু আত্মঘাতী এই বিমান আক্রমণ আছিল অভাবিত, অকল্পনীয়...নাজানো, এই অচিন্তিত আতংকই আৰু উচ্চ-নির্মাণৰ ক্ষেত্রত উত্তৰ-১১ ছেপ্টেম্বৰৰ চিন্তা-ভাবনাবোৰে কিহৰ ইংগিত দিয়ে, কি সূচায়; কিন্তু মোৰ ইচ্ছা হ'ল যে আপোনাৰ পঢ়ুৱৈসকলৰ লগতে ফাইন্‌মেনৰ এই অনুচ্ছেদটি একেলগে পঢ়োহঁক....'

* * *

অর্থাৎ, ২১ শতিকাত সঁচাকৈয়ে 'ধেমালি' শেষ? নাজানো, কিয়নো সৌ সিদিনালৈকে আফগানিস্তানতো প্রকৃততে নিষিদ্ধ হৈ গৈছিল সকলো ধেমালি, খেলা-ধূলা, নাচ-গান, ৰেডিঅ'-টিভি, খানা-পিনা, আমোদ-আহ্লাদ (শিক্ষা-দীক্ষা আদি 'অ-ধেমালি'বোৰৰ কথা নধৰিলোৱেই বা)—কিন্তু ১১ ছেপ্টেম্বৰৰ পিছত তিনি মাহ নৌযাওঁতেই আফগানিস্তানৰ পৰা উৎখাত হৈ গ'ল এই সকলো দবাই ৰখা তালিবান, আৰু লগে লগেই আফগানিস্তানৰ ঘৰে-বাহিৰে আকাশে-বতাহে স্বতঃস্ফূর্তভাৱে উপচি পৰিল খেলা-ধূলা, আমোদ-প্রমোদ, সকলো ধৰণৰ 'ধেমালি'। নাই—শ্রম আৰু উৎপাদনৰ লগতে, অনুসন্ধিৎসা আৰু অভিযোজনাৰ অনুশীলনৰ লগতে, বিৰাম আৰু উপভোগো মানুহৰ মজ্জাগত, সেইবোৰ জোৰজবৰদস্তি কৰি হয়তো দমাই ৰাখিব পৰা যাব সাময়িকভাৱে, কিন্তু সেইবোৰ মাৰি পেলোৱা নাযাব চিৰদিনৰ বাবে। সুৰুঙা ওলাব, আৰু সুৰুঙা ওলালেই হিলদল ভাঙি ওলাই আহিব 'ধেমালি'ৰ উদ্দাম জোৱাৰ।

অ', আৰু এই ৰচনাৰ আৰম্ভণিৰ আপাত-অবান্তৰ সেই জিন্-সংশোধনৰ ব্যাপাৰটো ঃ আত্মঘাতী-হত্যালীলাৰ প্রৱণতা নির্দিষ্ট হৈ থকা সেই জিন্ বা জিন্‌সমূহো চিনাক্ত নহ'বগৈনে বাকু ২০০৩ চনলৈ।

---

* *প্রসংগত, শ্যেক্সপীয়াৰ ঃ 'They that stand high have many winds to shake them, and if they fall, they dash themselves to pieces."*

['দৈনিক জনসাধাৰণ'ৰ উদ্বোধন উপলক্ষে]

অথ ঘেণ্টু সংবাদ

কি! আৰু এখন? আমাৰ বাতৰি কাকত মানে কি ৰক্তবীজ, যদি এখন মৰিলতো তাৰ ঠাইত জন্মিল নতুন দহখন? আৰু ৰক্তবীজ মানে কি তো আমি চবেই জানো—অসুৰ, অশান্তিৰ বাহ, যত চব হুজুগ আৰু হৈ-হাল্লা, সঁচা-মিছা একাকাৰ। (আৰু বজাৰ তো সম্পৃক্ত, আৰু এখন দৈনিক চলিব নো কেনেকৈ?)

হিচাব ৰখাই টান হৈ পৰে দেখোন, আঁত হেৰাই যায়, বল্গাহীন জনসংখ্যা যেনেকুৱা—বহুদিন আগেয়ে প্রকাশ হোৱা এটা গল্পত এনেকুৱা এটা ধেমেলীয়া পৰিচ্ছেদ আছিল ঃ

"...এবাৰ মই কলিকতাৰ পৰা ট্রেইনেৰে আহোঁতে আলিপুৰ দুৱাৰ ষ্টেচনত হৈ চৈ লগাই বাকচ-বিছনা টানা-টানি লগাই মস্ত এটা ফেমেলি নামিছিল, গিৰিয়েক, ঘৈণীয়েক, এক দঙ্গল সৰু সৰু ল'ৰা-ছোৱালী, আৰু এক পর্বত মালপত্র। ঘৈণীয়েকে কম্পার্টমেণ্টৰ চাৰিওপিনৰ পৰা ল'ৰা-ছোৱালীবোৰ সামৰি আনি মানুহৰ হেতা-ওপৰাৰ মাজত এটা এটাকৈ গিৰিয়েকক গটাইছে, আৰু মালবিলাকো গটাইছে, চাৰিওপিনে ভীৰ, হুলস্থুল। 'এই যে ছোট প্যাট্‌ৰাটা', ঘৈণীয়েকে কৈছে। 'নিলাম', গিৰীয়েকে কৈছে। 'এই নাও টিফিন কেৰিয়াৰ'—'পেলাম'। 'এই নাও পিসীমাৰ দেওয়া সুট'কেস আৰ্ জালেৰ কুঁজো'—'পেলাম, পেলাম'। 'এই নাও মণ্টু'—'নিলাম'। 'এই যে নাও পিণ্টু'—'নিলাম'। এই যে নাও নাণ্টু'—'নিলাম'। 'এই যে নাও' ঘেণ্টু'—'ঘেণ্টু? ঘেণ্টু? ঘেণ্টু একটা আবাৰ কবে হ'ল?'...এই ৰকম কাৰবাৰ।"

ঘেণ্টু পাছলৈ সত্যবাদী হ'ল নে মিথ্যাবাদী হ'ল? নীতিনিষ্ঠ হ'ল নে দুতলীয়া ধুৰন্ধৰ হ'ল? নাজানো। কিন্তু ঘেণ্টু-পৰিয়ালৰ দৰে অস্বাভাৰিক হাৰত বৃদ্ধি পোৱা আমাৰ কাগজবোৰৰ পৰা আমি কি আশা (বা আশংকা) কৰিব

পাৰোঁ তাৰ এটা আভাস বেশ কিছুদিন আগেয়ে এটা প্ৰবন্ধত ওলাইছিল (এই পৰিচ্ছেদটো কিন্তু ধেমেলীয়া নহয়, একেবাৰে গুৰু-গম্ভীৰ) ঃ

"...অবাৰিত জনসংখ্যা-বিস্ফোৰণে যেনেকৈ সকলো সোণৰ সপোন লণ্ড-ভণ্ড কৰি জন্ম দিয়ে মাথোঁ ঠেকা-ঠেকি প্ৰতিযোগিতা, বিদূষণ আৰু আইনহীনতা, নৈৰাশ্য আৰু নৈৰাজ্য, সাম্প্ৰতিক অসমৰ বাতৰি কাকতৰ অভূতপূৰ্ব বিস্ফোৰণেও তেনেকৈ জন্ম দিবলৈ বাধ্য হৈছে মাথোঁ খোৱা-কামোৰা, বিদ্বেষ আৰু বিভেদ, মিছা কথা, বাজে কথা, তুলুঙামি, চাঞ্চল্য-প্ৰচাৰ, সকলো প্ৰমূল্যৰ জলাঞ্জলি। (বোধহয় পৃথিৱীৰ আন কোনো চহৰত গুৱাহাটীৰ দৰে ইমানখন দৈনিক নোলায়)।... তথাকথিত 'অসম আন্দোলন'ৰ সময়ৰে পৰা আৰম্ভ হৈছে এই স্খলন, এই কাগজবোৰেই অসমলৈ নমাই আনিছে চৰম সংকট আৰু দুৰ্দিন; তেতিয়াৰে পৰা ছানি ধৰিছে আমাৰ কাগজবোৰক এহাতে ভয়ে, আনহাতে 'খকে', কোনো সাংবাদিক-নৈতিকতাৰ লেকাম নাই। ফলত আজি আৰু প্ৰায় কোনো এখন অসমীয়া কাগজ পঢ়া নাযায়—বাতৰি মিছা, তথ্য ভুল (বা বিকৃত), বাক্য ভুল, বানান ভুল, হে'ডলাইন ৰুচিহীন (কেতিয়াবা একেবাৰে বজৰুৱা), আলোচনা তুলুঙা, ইংৰাজীৰ তৰ্জমা হাঁহি উঠা, অৰ্থহীন, বিৰক্তিকৰ, মাথোঁ চাঞ্চল্য-সৃষ্টি, চমক, চটক, বস্তুগত আলোচনা বা সৎ বিশ্লেষণৰ কোনো বালাই নাই..."।

ইতিমধ্যে হয়তো ঘেণ্টুহঁতৰো বংশবৃদ্ধি হৈ আছে, মাক-বাপেক হয়তো নিৰ্বিকাৰ, বা হয়তো শেহলৈ আৰু নিৰ্বিকাৰ হৈ থাকিব পৰা নাই, কিয়নো মুদ্ৰাস্ফীতিয়ে ক্ৰয়-ক্ষমতা নিৰন্তৰ হ্ৰাস কৰি আনিছে, খাই-খৰচ চৰি গৈছে, ঔষধ-পাতি দুৰ্মূল্য হৈছে, স্কুল-কলেজৰ খৰচ বাঢ়ি গৈছে (যদিহে কোনোবাটো বা কোনোবাজনী 'ড্ৰপ-আউট' নোহোৱাকৈ বৰ্তি আছে), ছোৱালীৰ বিয়াৰ বয়স হৈছে, যৌতুকৰ সমস্যা আছে, কত কি—গতিকে ঘেণ্টুৰ বিস্তীৰ্ণ 'ৰাবন-গোষ্ঠী'টোৱেও হয়তো কৈ উঠিছে, 'হেই, থামা, থামা। হ'ব দিয়া আৰু, এয়েই যথেষ্ট" (যাক ইংৰাজীত কয় 'enough is sufficient')—

সঠিক হিচাব ওলালে হয়তো দেখা যাব যে ঘেণ্টু হ'ল পৰিয়ালৰ ৭নং বা ৮নং সন্তান; ঘেণ্টুৱে এতিয়া কি কৰিছে, তাৰ ভৱিষ্যৎ কি দেখা যায়?

এনেকুৱা হ'ব পাৰে (কথাটো বুজন ধৰণৰ নহয়, কিন্তু একেবাৰে অসম্ভৱো নহয়) যে আটাইকেইটি ভাই-ভনীয়ে ভালে-বেয়াই পঢ়া-শুনা সাং কৰিলে, বিয়া-বাৰু হ'ল, চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্যত সোমাল—অসম্ভৱ নহয়—একোটা পৰিয়াল থাকে (দুৰ্লভ যদিও) যাৰ প্ৰতিজনেই সুপ্ৰতিষ্ঠিত। কিন্তু এনেকুৱা কিবাকিবিও হ'ব পাৰে ঃ মণ্টু—ক্লাছ ফাইভত স্কুল এৰিলে, এতিয়া দালাল তথা পকেটমাৰ, দুবাৰমান ফাটেকো খাটিছে; পিণ্টু—কোনোমতে মেট্ৰিক (মাধ্যমিক) পাছ কৰি এটা কেৰাণী কামত সোমাইছে, বিয়া কৰাব পৰা নাই; বিংকি—ক্লাছ এইটলৈ পঢ়িছিল, তাৰ পিছত এখন চিলাই স্কুলত চিলাই শিকিছিল, পাছত তাৰ মালিকৰ লগত বিয়া সোমাল, এতিয়া তাৰে শিক্ষয়িত্ৰী; নাণ্টু—মাধ্যমিক পাছ কৰিব নোৱাৰিলে, এতিয়া ঘৰত নাথাকে, ক'ত কি কৰে কোনেও নাজানে; পিংকি—পঢ়া-শুনাত ভাল আছিল, প্ৰথম বিভাগত 'লেটাৰ' সহ মাধ্যমিক পাছ কৰি কলেজত নাম লগাইছিল, কিন্তু হঠাতে ঔষধ-কোম্পানীৰ ভ্ৰাম্যমাণ প্ৰতিনিধি (সিদ্ধি নে কিবা) ডেকা এজনৰ লগত ক'ৰবালৈ পলাই গুচি গ'ল; খেণ্টু—কিবাকৈ বি.এ পাছ কৰি মাৰ্ক্সবাদী পাৰ্টীত সোমাল, এতিয়া তাৰে পাড়াৰ অফিচৰ 'বড়দা', গোটেই পাড়াৰেই "দাদা"—বেশ দুইপছা হাতলৈ আহে; ঝাণ্টু—বাৰ বছৰমানত মস্তিষ্ক বিকৃতি ঘটিল (স্কিজ'ফ্ৰেনিয়া), প্ৰথম প্ৰথম উদণ্ড, এতিয়া শান্ত, ঘৰতে থাকে। তাৰ ঔষধ-পাতিত বহুত পইছা, ওলাই যায়; টুংকি—পঢ়া-শুনা নহ'ল, কিন্তু দেখাত ভাল আছিল, সোনকালে বিয়া হৈ গ'ল ওচৰৰে এখন গাঁৱৰ গেলামালৰ দোকানীৰ ল'ৰা এজনৰ লগত, তিনিটা ল'ৰা-ছোৱালী হৈছে; আৰু আমাৰ শ্ৰীমান ঘেণ্টু...

পৰিয়ালৰ ৭নং বা ৮নং সভ্য ঘেণ্টুৰ নিজৰ কি ভাল-বেয়া হ'ল, পৰিয়ালৰ তথা সমাজৰ কি উপকাৰ-অপকাৰ কৰিলে, তাৰ খতিয়ানো এদিন পাম, কিন্তু এইটো ধুৰূপ নহয় যে প্ৰতিবেদনখন হতাশাজনকেই হ'ব, সেইখন বেছ আশাপ্ৰদ ও হ'ব পাৰে। যথেচ্ছভাৱে (at random) কেইটিমান নাম টানি বাৰু চাওঁচোন, তেওঁলোক পৰিয়ালৰ কিমান কিমান নম্বৰৰ আৰু তেওঁলোকে কি কি কৰিছিল ঃ

ৱিলিয়াম শ্ৰেক্সপীয়েৰ ঃ বোধহয় ১৫৬৪ চনৰ ২৩ এপ্ৰিলত জন্ম, জন্

আৰু মেৰী আৰ্ডেনৰ ৮টি সন্তানৰ এটি, তাৰে ৭টি (৪ ভনী, ৩ ভাই) শৈশৱতে ঢুকাল; বিলিৰ এবছৰ নহওঁতেই প্লেগ মহামাৰীয়ে শেষ কৰি দিলে জন্মস্থান ষ্টেটফৰ্ড-আপন্-এভন্, কিন্তু আমাৰ শিশু বিলি কোনোমতে বাচিল (তাৰ পিছত বিলিয়ে কি কি কৰিলে তাৰ বিৱৰণ হ'ব অৱশ্য বাহুল্য)।

ছাৰ জেইমছ ইয়ং চিম্প্ছন্ (১৮১১–১৮৭০) ঃ স্কটিশ ভিষগ, প্ৰথমবাৰৰ বাবে প্ৰসৱৰ সময়ত সংজ্ঞালোপক ৰূপে ইথাৰ্ ব্যৱহাৰ কৰে (১৮৪৭), তাৰ পিছত নিজৰেই ওপৰত প্ৰথমতে পৰীক্ষা কৰি লৈ প্ৰৱৰ্তন কৰে সংজ্ঞালোপক হিচাপে ক্লৰফৰ্ম্। তাৰ আগেয়ে প্ৰসৱ বা অস্ত্ৰোপচাৰ আছিল এক যন্ত্ৰণাময় বিভীষিকা; ফ্লৰফৰ্ম্ আদি সাৰ্বজনীন সংজ্ঞালোপক হিচাপে ফ্লৰফৰ্ম্। তাৰ আগেয়ে প্ৰসৱ বা অস্ত্ৰোপচাৰ আছিল এক যন্ত্ৰণাময় বিভীষিকা; ক্লৰফৰ্ম্ আজি অন্যতম সাৰ্বজনীন সংজ্ঞালোপাক (Anaesthetic) লিন্লিথ্গ'ৰ এজন ৰুটিৱালা ('বেইকাৰ্')ৰ ৭ম সন্তান।

কুং-ফু-ৎচু বা কনফিউচিয়াছ (খ্ৰীঃপূঃ ৫৫১–৪৭৮) ঃ প্ৰখ্যাত চীনা দাৰ্শনিক আৰু শিক্ষাগুৰু, ন্যায় আৰু নীতি-নিৰ্দেশক, ইত্যাদি; যাৰ দৰ্শন আৰু ভাৱধাৰা আছিল ২০০০ বছৰ ধৰি (১৯১২ চনলৈ) চীন দেশৰ ব্যক্তি তথা সমাজৰ আচৰণৰ আৰু প্ৰশাসনৰ ভিত্তি। পিতাক আছিল সৈন্য বাহিনীৰ এজন সেনাপতি, তেওঁৰ স্ত্ৰীয়ে তেওঁক দিছিল ভালেকেইজনী কন্যা, কিন্তু দিয়া নাছিল কোনো পুত্ৰ।

সেয়ে ৭০ বছৰ বয়সত তেওঁ বিয়া কৰিলে এগৰাকী ১৯ বছৰীয়া গাভৰু, এই স্ত্ৰীয়ে তেওঁক দিয়ে এটি পুত্ৰ-সন্তান, কুং-ফু-ৎচু। অৰ্থাৎ, একেজন পিতাকৰ বহুতো (কন্যা) সন্তানৰ পিছৰ সন্তান।

বে'ঞ্জামিন্ ফ্ৰেংক্লিন (১৭০৬–১৭৯০) ঃ আমেৰিকান ৰাজনীতিক (স্বাধীনতা সংগ্ৰাম, 'স্বাধীনতাৰ ঘোষণা-পত্ৰ'খনৰ খছড়া আৰু আমেৰিকান সংবিধান ৰচনাতো অংশগ্ৰহণকাৰী) আৰু বৈজ্ঞানিক। বিজুলী-ঢেৰেকণিৰ বতৰত মেঘৰ মাজলৈ চিলা উৰুৱাই দি পোন প্ৰথমবাৰৰ বাবে প্ৰমাণ কৰে যে আকাশৰ বিজুলী আৰু পৃথিৱীৰ বিদ্যুৎ একেই; আৰু দেখুৱায় যে বিদ্যুৎ দুই ধৰণৰ, ধনাত্মক আৰু ঋণাত্মক (পজিটিভ্ আৰু নিগেটিভ্); বজ্ৰপাতৰ পৰা জীৱন আৰু ঘৰ-দুৱাৰ ৰক্ষা কৰিবলৈ উদ্ভাৱন কৰে আজি ঘৰে ঘৰে

ব্যৱহৃত বজ্ৰ-বাৰক (lightning conductor)। পিতাকৰ পঞ্চদশ (১৫শ) সন্তান।

ইত্যাদি ইত্যাদি। অৰ্থাৎ, পিতৃ-মাতৃয়ে যদি পৰিয়াল-পৰিকল্পনা গ্ৰহণ কৰি "২টা বা ৩টা—বচ্" বুলি প্ৰজনন বন্ধ কৰি দিলেহেঁতেন তেনেহ'লে আমি এই ব্যক্তিকেইজনক নাপালোহেঁতেন। উদাহৰণ আৰু বহুতো দিব পাৰি, কিন্তু হাততে পোৱাকৈ কিতাপ-পত্ৰ নথকাত লিষ্টিখন আৰু দীঘল কৰা নগ'ল—কিন্তু বিচাৰিলে আৰু বহুতো ওলাব। (লক্ষ্মীনাথ বেজবৰুৱা কিমানতম সন্তান? ক'ৰবাত পঢ়া যেন মনত পৰে যে দেবেন্দ্ৰনাথ ঠাকুৰৰ বহু বিস্মৃতনাম সন্তানৰ পাছতহে জন্মিছিল ৰবীন্দ্ৰনাথ ঠাকুৰ; সংগীত স্ৰষ্টা য়হান্ চেবাষ্টিয়ান্ বাখৰ সংগীতকৃতি বিশাল আৰু সন্তান ২০ টি, আৰু তেওঁ নিজেও বোধহয় পিতৃ-মাতৃৰ বহুসংখ্যক সন্তানৰ শেষৰ ফালৰ এজন...কিন্তু দুৰ্ভাগ্যক্ৰমে এই মুহূৰ্তত এইবোৰ তথ্য-পাতি সংগ্ৰহ কৰা সম্ভৱ নহ'ল)।

অৰ্থাৎ, আজিৰ দিনত পৰিয়াল নিয়ন্ত্ৰণ দৰকাৰী যদিও, আগেয়ে কথাটো সিমান জৰুৰী নাছিল, ফলত বহুতো আদৰণীয় বা আদৰ্শ ব্যক্তি, অনুকৰণীয় ব্যক্তি, পৃথিৱীলৈ আহিছে, হয়তো আজিও আহিব। অৱশ্যে, ওলোটাটোও ঘটিছে—বহুতো ন-ধৰ্তব্য সন্তানৰ পিছত জন্ম হৈছে এটা নৰাধম বা কুলাংগাৰ, যি নহা হ'লেই ভাল আছিল, অৰ্থাৎ তেনেবোৰ ক্ষেত্ৰত পৰিয়াল পৰিকল্পনাই ভাল কথা হ'লহেঁতেন (প্ৰসংগতঃ এই ক্ষেত্ৰতো বিচাৰি চাব পাৰি 'ঈশ্বৰৰ অভিশাপ' হুন সম্ৰাট আটিলা কেইনস্বৰৰ সন্তান? আডল্ফ্ হিটলাৰ? আইখ্মান্?...ইত্যাদি)।

কিন্তু বাতৰি কাকতৰ বেলিকা পৰিয়াল-পৰিকল্পনা আৱশ্যকীয় নে? বাতৰি কাকতৰ বংশবৃদ্ধিৰ ফলত আমি কি পাইছো তাৰ এটা আভাস ওপৰত উদ্ধৃত পৰিচ্ছেদটোত পাইছোঁ—কিন্তু মাজে মাজে কোনোবাখনত নীৰস একঘেয়েমিৰ ব্যতিক্ৰম ঘটিব নে? অৱশ্যে চিন্তাৰ কথা হ'ল এই যে এই ব্যতিক্ৰমৰ ফলত আমি শ্যেক্স্পীয়েৰ পাম নে হিটলাৰ পাম? প্ৰকাশক হিচাপে পাম বেঞ্জামিন ফ্ৰেংকলিনৰ দৰে ব্যক্তি, নে নাৎসী প্ৰচাৰ-মন্ত্ৰী গোৱেৰ্ব্বেল্ছৰ দৰে আৰু এজন, যাৰ সূত্ৰটোকেই যেন আমাৰ সংবাদ মাধ্যমে সাৰোগত কৰি লৈছে (যিটো হ'ল ঃ "মিছা কথা কৈ থাকা, কৈ থাকা—মানুহে অৱশেষত মানি ল'ব")।

সেয়ে এইখন নতুন কাকতৰ আৰ্ৱিভাৱৰ লগে লগেই আমি উচ্ছ্বসিত হৈ পৰিব পৰা নাই—সংবাদপত্ৰ পৰিয়ালৰ সুদীৰ্ঘ কিন্তু বৈশিষ্ট্যহীন লানিৰ পাছৰ এই নৱজাতকটিৰ মতি-গতি কি হয়, নিৰহ-নিপানীমাৰ্কা মাঝাৰি ধৰণৰ (humdrum, run-of-the mill) গতানুগতিক কিবা, গড্ডালিকা-প্ৰবাহত ভাঁহি যোৱা কিবা, নে পাঠোপযোগী আৰু নিৰ্ভৰযোগ্য কিবা—কিছুদিন চাব লাগিব। এইখন যেন আমাৰ আলিপুৰ দুৱাৰৰ পৰিয়ালৰ শেহতীয়া ঘেণ্টু—আশা ৰাখিছোঁ, ঘেণ্টুৱে কিবা এটা কৰক, ঘেণ্টুৰ ভাল হওক, ঘেণ্টুৱে অন্যৰো ভাল কৰক।

(দৈনিক অসমীয়া জনসাধাৰণ, ১-১-২০০৩)

শূন্য পাণবজাৰ

২৭ জুন, ২০০১। কেইবাজনো মানুহক লগ ধৰিবলগীয়া আছে, বিভিন্ন কাম (ভাগ্যে আজি অফিচ, বেংক আদিৰ লেঠা নাই), তথাপি বিভিন্ন কিনা-কটা, বাছত ভীৰ, ৰিক্সা দুষ্প্ৰাপ্য, তাতে ইপিনে ৰান্-ৰে' সিপিনে ন'-এণ্ট্ৰি, বাধ্য হৈ খোজ কাঢ়িবলগীয়া হৈছে, ধূলি, গৰম, ক্লান্তি, হাতত গধুৰ বজাৰ-মোনা, অৱশেষত পাণবজাৰৰ ঘাই ৰাস্তা (বিলাতত হোৱা হ'লে হয়তো নাম হ'লহেঁতেন 'পাণবাজাৰ হাই ষ্ট্ৰীট'), অজানিতে মনত কিবা এটা ভাবে সকীয়াই আছে যে আৰু এঠাইত সোমাবলগীয়া আছে—অ, এই যে লয়ার্ছ বুক ষ্টল, অ, ঘৰলৈ বুলি বাছত উঠাৰ আগেয়ে ইয়াতেই হাতৰ বোজাটো থৈ পাঁচমিনিটৰ বিৰাম—

দুৱাৰডলিত থিয় হৈ ভয়ে ভয়ে ভিতৰলৈ চাই পঠিয়ালো। এইটো এটা অভ্যাস—প্ৰায়ে দেখা যায় দোকানৰ ভিতৰ অঞ্চলৰ মেজ এখনত ভুতুক ঘেৰি বহি থাকে ভালেকেইজন মানুহ (কোনোবাই এদিন দূৰৰ পৰা কৈছিল 'Bhutu holding court'), তেওঁৰ কোনোবা বন্ধু, কোনোবা চিনাকি-অচিনাকি মানুহ, ছপাশালৰ মালিক বা কৰ্মচাৰী, গ্ৰন্থপ্ৰেমী, পাণ্ডুলিপিসহিত (লয়ার্ছৰ যোগে প্ৰকাশন-প্ৰত্যাশী) কোনো লেখক, সাহিত্যিক, অন্যান্য—তাৰ মাজত গৈ পৰিলে অচিনা কোনো লেখকৰ লগত হয়তো ভুতুয়ে পৰিচয় কৰাই দিয়ে, অপ্ৰস্তুত হওঁ, হয়তো কোনো প্ৰকাশনৰ গুণাগুণৰ আলোচনাৰ মাজত গৈ পৰোঁ—তাত ভাগ ল'বলগীয়া হ'লে কি ক'ম ভাবি নাপাওঁ, গতিকে পৰিস্থিতি 'বিপদজনক' যেন দেখিলে দূৰৰ পৰাই আঁতৰি পৰোঁ—

বাহিৰত চোকা ৰ'দ, কিন্তু দোকানৰ ভিতৰখন আধা-অন্ধকাৰ, দুখন কাউণ্টাৰত দুডাল মমবাতি জ্বলিছে, ছায়ামূৰ্তিৰ দৰে দুই এগৰাকী গ্ৰাহক-গ্ৰাহিকাই কিতাপ চাইছে। আৰু ভিতৰত ভুতুৰ মেজখনতো এডাল মমবাতি জ্বলিছে, তাৰ পোহৰত অস্পষ্ট ধৰিব পাৰি ভুতুৰ মুখখনৰ সোঁফালৰ প্ৰফাইল্, তেওঁৰ চছ্মাৰ কাঁচ এখনৰ পৰা অলপ পোহৰ ঝিলিক দিছে, তেওঁৰ সমুখত দুজন নে তিনিজন মানুহ বহি আছে, আধা-এন্ধাৰত মুখ মনিব নোৱাৰি। যাক,

ভুতু তেনেহ'লে এতিয়া দোকানতে আছে, ধাৰণা হ'ল ভিতৰৰ এই টিমিক-ঢামাক মমবাতিৰ পোহৰখিনিয়েই যাক কয় 'আশাৰ আলোক'—তাৎক্ষণিক সকলো চিন্তা-ভাবনা-উদ্বেগ-উৎকণ্ঠা একাষৰীয়াকৈ থৈ-পাঁচ দহ মিনিট নিৰুদ্বেগচিত্তে বহি পাৰ কৰি দিয়াৰ আশা—

ভিতৰলৈ সোমাই গৈছোঁ, ভুতুয়ে মূৰ তুলি চাইছে, বোধহয় মোৰ চলনটোৰ পৰাই মই বুলি বুজিছে, চিৰাচৰিত মৃদু হাঁহিটো মাৰি খালী চকী এখনৰ পিনে হাত এখনেৰে দেখু�ৱাইছে, আনখন হাতেৰে তেওঁৰ প্ৰিয় India Kings চিগাৰেটৰ পেকেটটো আৰু দিয়াশলাইটো আগুৱাই দিছে, দিয়াশলাইটো থৈ মমবাতিৰ শিখাত চিগাৰেট এডাল জ্বলাই লৈছোঁ—কিছুদিনৰ পৰা ভুতুৰ চকুৰ অসুখ হৈছে, চিকিৎসা, অপাৰেশ্যন আদিয়ে বিশেষ একো ফল দিয়া নাই, নতুন চছ্মা, মেগ্নিফাইং গ্লাচ আদিৰেও আখৰবোৰ ভালকৈ মনিব নোৱাৰে, মনৰ ইচ্ছা মনতে ৰাখি তেওঁৰ প্ৰিয় অনুবাদৰ কামটোও বাদ দিছে (মই পৰামৰ্শ দিছিলো যে তেওঁ শ্ৰুতলিপি দিয়ক, কিন্তু তেওঁ এটা হাঁহি মাৰি ক'লে যে কলমডাল হাতত লৈ লিখিব নোৱাৰিলে দেখোন মগজুটোৱেও কাম নকৰে!) শৰীৰৰ ওপৰতো দুটামান আঘাত গৈছে, চলন থৰক-বৰক, লগত এজন সহায়ক লাগে—

বহি থকা আন দুজন মানুহেও এবাৰ মিচিকিয়াই হাঁহিছে, পুলক লাহিড়ী আৰু দিলীপ কাকতি। পুলকে কৈছে, 'দাদা, বহু দিনৰ মূৰত দেখা হ'ল,' আৰু কাকতিয়ে কৈছে, 'ক'ৰ পৰা আহিল?' (যাক, আজি ভাগ্যে তেনেকৈ মানুহৰ ভিৰ নাই, মাথোঁ এই দুজন) পুলক প্ৰত্যাশিত, প্ৰায়ে লয়াৰ্ছত বহি থাকে (সময় পালেই), কিন্তু কাকতি অপ্ৰত্যাশিত, কাচিৎহে লয়াৰ্ছত দেখা যায় (ইয়াতেই এদিন গম পালো যে তেওঁ কবিতাও লিখে, প্ৰকাশক—অৱশ্যেই—লয়াৰ্ছ)। অৰ্থাৎ পুলক আৰু দিলীপ কাকতি দুয়োজনেই লিখে (পুলকে লিখে—সকলোৱে জানে—খেল-ধেমালিৰ কথা, কাকতিয়ে কবিতা)। কিন্তু একো লিখা-মেলা নকৰা, এনেকি আলোচনী বা বাতৰি কাকতখনো নপঢ়া মানুহো ভুতুৰ মেজত পোৱা যায়। যেনে, এদিন পালো আমাৰ পাড়াৰ সমনীয়া মণি (নৃপেন)ক, কমলদা অৰ্থাৎ কমলনাৰায়ণ চৌধুৰীৰ ভাই, বহি বহি গল্প মাৰি আছে; এদিন পালো মোৰ মংগলদৈৰ মামাৰ ডাঙৰ ল'ৰা বাপুক —শুনি আচৰিত হ'লো, ভুতুৰ লগত বোলে বহুদিনৰ বন্ধুত্ব! তেনেকৈ, একে 'ভুতু' নামেৰে মোৰ এক ভাগিন, দুয়ো বোলে বহুদিনৰ 'মিতা'!, ইত্যাদি—ধাৰণা হয়, ভুতুক নিচিনা

মানুহ নাই, তেওঁৰ মেজখন যেন পুথি প্ৰকাশকৰ দপ্তৰেই অকল নহয়, লগতে একধৰণৰ 'ৰি-ইউনিয়ন ক্লাব', চহৰৰ আৰু বাহিৰৰ বহুবিভিন্ন মানুহ আহি ইয়াতে লগ লাগে, বহুবিচিত্ৰ ভাব-চিন্তা আৰু টুকিটাকি খা-খবৰৰ আদান-প্ৰদান হয়; মোৰ নিজৰ ক্ষেত্ৰত এটা স্মৰণীয় অভিজ্ঞতা এই যে এদিন অপৰিকল্পিতভাৱে ক্ষন্তেক বহি যাওঁ বুলি সোমাই গৈ লগ পালো ডিব্ৰুগড়ৰ পৰা তেনেকৈয়ে আহি সোমোৱা অধ্যাপক ভুৱন বৰুৱাক, তেখেতৰ মুখৰ পৰাই পালো (বিভিন্ন খেলিমেলিৰ বাবে তেতিয়ালৈকে মই নোপোৱা) এইটো খবৰ যে দুদিন আগেয়ে ডিব্ৰুগড়ৰ মোৰ ডাঙৰ বাইদেউ ঢুকাইছে। অৰ্থাৎ পাণবজাৰ ঘাই পথেৰে পাৰ হৈ গ'লে সকলোকে এইখিনিত ভুতুয়ে টানে, ভিতৰত সোমাই ভুতুৰ সমুখত বহি পৰে—

'ক্লাব'টোৰ চাৰিওপিনে ঠাকে ঠাকে কিতাপ, এনেকৈ মজিয়াতো ঠায়ে ঠায়ে কিতাপৰ দ'ম, কিন্তু এনে লাগে যেন এইখিনি ঠাই বহল আৰু মুকলি, যেন খোলা বতাহ বৈ আছে, কোনো সংকুচিত চেপাচেপিৰ ভাব নাই—যিটো উন্মুক্ত পৰিবেশ চহৰৰ আন আন ঠাইত দুৰ্লভ-ৰাস্তা-ৰেষ্টুৰেণ্ট-চিনেমা-চিটিৰাছ সকলোতে যেন স্থানাভাব, চেপা-খোৱা পৰিবেশ, লেতেৰা-পেতেৰা ভিৰ, ধূলি, বোকা, গৰম, গণ্ডগোল, টে'ন্‌শ্যন, উদ্বিগ্নতা আৰু অশান্তি—(হয়তো বহল মনৰ সান্নিধ্যই মনলৈ আনে বহল, উন্মুক্ত পাৰিপাৰ্শ্বিকৰ ভাব)।

সেইদিনা কি কথা পাতিলো ঠিক মনত নাই। যি কৈছোঁ, কিবা কামৰ কথা পাতিবলৈ আমি তাত নোসোমাওঁ, সোমাওঁ (আনসকলেও ঘাইকৈ তাকেই কৰে) ভুতুৰ সান্নিধ্যত অলপ মুকলিমূৰীয়া হৈ বহিবলৈ, দুই-এটা 'গছিপ্' বা হাস্য-কৌতুক শুনি অলপ হাঁহি ল'বলৈ, দেহ-মনৰ ক্ষয়-যোৱা বেটাৰী অলপ 'চাৰ্জ্' দি ল'বলৈ। কিতাপ-পত্ৰৰ কথা (বিশেষকৈ মোৰ নিজৰ কিতাপৰ কথা) পৰাপক্ষত এৰাই চলো, কাৰণ ভুতুক আমি কোনেও এজন কিতাপ-ব্যৱসায়ী বুলি নাভাবোঁ, ভুতু মানে আমাৰ বাবে এজন সদা-সহৃদয়, মৃদু-হাস্যমুখ, সহ-উপলব্ধিৰে-সাজু এজন দিলদাৰ ব্যক্তি, যিজনে পাৰিবাৰিক দোকানখনত বহি বহি আমাৰ কথা শুনি থাকে আৰু তাৰ মাজতে বছৰি চাৰি-পাঁচশ কিতাপ প্ৰকাশ কৰি পেলায় (দেউতাক বিচিত্ৰনাৰায়ণ দত্ত বৰুৱাই হেনো ভুতুক আঠ বছৰ বয়সৰে পৰা দোকানৰ কামত লগাই দিছিল)। বিশেষকৈ মোৰ নিজৰ ক্ষেত্ৰত মই কেতিয়াবাই সিদ্ধান্ত কৰি পেলাইছোঁ যে ভুতুৰ লগত কিতাপ-পত্ৰৰ ছপা, ছবি, পুনৰ্মুদ্ৰণ, চুক্তিপত্ৰ, ৰয়েল্টি আদিৰ কথা পতাটো যাক কয় 'বেকাৰ',

সেইবোৰ কথাত তেওঁৰ কোনো ব্যৱসায়ী-সুলভ 'ধান্দা' কেতিয়াও দেখা নাপালো, যেন এইবোৰ বিষয়ত একেবাৰে নিৰ্লিপ্ত আৰু নিৰ্বিকাৰ। অৱশ্যে মই কোনো কিতাপৰ ক্ষেত্ৰত কিবা এটা পৰামৰ্শ দিলে, বা কিবা কথাত আপত্তি কৰিলে, বা কিবা কথাত টানকৈ লাগি ধৰিলে (insist কৰিলে) তেওঁ লগে লগেই সেইটো মানি লয় আৰু সেইমতে নিৰ্দেশ দিয়ে—অৰ্থাৎ তেওঁৰ ব্যৱসায় চলে যেন গোটেই কুটিল পৃথিৱীখনক নিৰ্ভয়ে বিশ্বাসত লৈ, মাথোঁ মুখৰ কথাৰে, 'gentlemen's agreement' বোলা পুৰণিকলীয়া বস্তুটো সাৰোগত কৰি।

আধা-এন্ধাৰ, গৰম (ফেন নাই), দুই-এটা বিক্ষিপ্ত কথা পাতিলো (দেশৰ উগ্রপন্থী পৰিস্থিতি, চকু কেনে, গা কেনে, পুলকে ৰিটায়াৰ কৰিলে নেকি...) এই গৰমত এনেকৈ পাৱাৰ্ কাট্ হৈ থাকিলে ফেনৰ অভাৱত কি কষ্ট হয়, পাম্প্ চলাব নোৱাৰিলে পানীৰ অভাৱত কি আহুকাল হয়, এনেবোৰ দুটামান কথা লৈ কেই মিনিটমান উঃ আঃ কৰিলো, তাৰ পিছত যাওঁ বুলি থিয় দিলো, পুলকে ক'লে, ''দাদা, আৰু এক মিনিট বহক, ৰাম্ একপে'গ্ খাই যাওক,' আৰু ভুতুয়ে ক'লে 'অ, দ্বাৰিকাই আনিব গৈছেই, বহক অলপ—'

দোকানৰ সকলোৰে বাবে 'ৰাম্ এক পে'গ্' আহিল, অৰ্থাৎ ওচৰৰ গুম্টিৰ পৰা সৰু সৰু কাঁচৰ গিলাচত আধা গিলাচকৈ ফিকা চাহ, দেখাত যেন ঠিক এপালি ৰাম্—চুমুক দিলো, ঠিক মুখৰোচক বুলি ক'ব নোৱাৰি, কিন্তু 'পৰম্পৰা'টো ৰক্ষা কৰি 'ৰাম্'-খিনি শেষ কৰোঁতে হয়তো অৱচেতন মনত এই আশ্বাসটোৱেও ক্রিয়া কৰিলে যে এনেকৈয়ে দিন চলি যাব, অসুস্থ শৰীৰ আৰু অনুজ্জ্বল দৃষ্টিশক্তিৰে ভুতুক এনেকৈয়ে মাজে মাজে লগ পাই থাকিম, কেইটামান মিনিট 'ৰিলেক্সড্ মুড'ত ইয়াতে বহিম, অলপ হাঁহিম, 'ৰাম্'ত চুমুক দিম, দিন কাটি যাব—

কিন্তু তেওঁক মাজে মাজে লগ পাই থকাটো আৰু হোৱা নাই। মাজতে দুদিনমান তেওঁৰ আমবাৰীৰ ঘৰৰ সমুখেৰে বাছ বা গাড়ীৰে পাৰ হৈছোঁ, এদিন দেখিছোঁ দুমহলাৰ বাৰাণ্ডাৰ ৰেলিঙৰ কাষত থিয় দি চিগাৰেট জ্বলাবৰ চেষ্টা কৰিছে, আন এদিন দেখিছোঁ কঁপাল কোচাই কাষৰ মাটিডোখৰৰ পিনে চাই আছে, তাত গুৱাহাটীৰ আর্চবিশ্বপৰ দালান-ঘৰ উঠিব ধৰিছে, বাঁহৰ স্কেফল্ডিঙৰ জংঘল আৰু গৃহনির্মাণৰ ব্যস্ততা, মুখত এটুকুৰা চিগাৰেট—পৰিচিত ভংগী, মুখৰ পৰিচিত অভিব্যক্তি, চছ্মা, চিগাৰেট...চব তো একেধৰণেই চলি আছে, চলি থাকিব, আকৌ নিশ্চয় অলপতে দোকানত লগ পাম মিচিকিয়া হাঁহিটোৰে

'ইণ্ডিয়া কিংছ'ৰ পকেটটো আগুৱাই দিব, হয়তো সমুখৰ খালী ঠাইখিনি গ্রাস কৰি পেলোৱা আর্চবিশ্বপৰ বিল্ডিংটোৰ কথা ওলাব, 'ৰাম্' আহিব, টুকিটাকি খবৰ...তাৰ পিছত ১০ জুলাই ২০০২ ঃ পুৱাৰ বাতৰি, টি.ভি.,— যোৱাকালি ভুতুয়ে বিদায় ল'লে।

ঠিকেই, দিন কাটি যাব, মাথোঁ সেইবোৰ সেই একেধৰণৰ দিন নহ'ব। লয়ার্ছৰ কাষেৰে পাৰ হৈ যাওঁতে অনুভূত হোৱা দুর্বাৰ আকর্ষণ বহু বহুজনৰ বাবে শেষ হৈ যাব, কিয়নো ভিতৰৰ পৰা নির্গত হোৱা সহৃদয় চুম্বকক্ষেত্রৰ উৎসটি আৰু তাত পোৱা নাযাব। সেই হানিৰ উপলব্ধিয়ে বহুতৰ মনলৈ ভঁহাই আনিব ভুতু-বিজড়িত নানান স্মৃতি, সেইবোৰ বর্ণাবলৈ তেওঁলোক হৈ পৰিব উৎসুক আৰু অধীৰ, মোৰ নিজৰ ক্ষেত্রতো যিটো হৈছে। কিন্তু তেওঁৰ প্রথম মৃত্যুবার্ষিকী উপলক্ষে প্রকাশ হ'বলগীয়া এই স্মৃতিগ্রন্থখনৰ পৰিসৰ সীমিত, ইয়াত সকলোৰে সকলোবোৰ স্মৃতিচাৰণৰ ঠাই নহ'ব, গতিকে ময়ো তেনেবোৰ সোঁৱৰণী টানি অনাৰ পৰা ইয়াত বিৰত থাকিম। হয়তো পাছলৈ কেতিয়াবা এই অসম্পূর্ণ ৰচনাখন সম্পূর্ণ কৰিব পাৰিম, তাৰ বাবে আশা মাথোঁ কৰিব পাৰোঁ যে জীৱনৰ নিয়ম অনুসৰি স্মৃতিবোৰ যেন বিস্মৃতিত হেৰাই নাযায়। আৰু সেইটো কৰিব নোৱাৰালৈকে আমাৰ বহুতৰে মনত থাকি যাব কথাবোৰ সম্পূর্ণৰূপে হেৰাই যাবলৈ নিদিয়াৰ আকূতি, মনগহনত এটুকুৰা খালী ঠাই, পাণবজাৰত এটা শূন্যতা।

(স্মৃতিগ্রন্থ 'স্মৃতি-অনুস্মৃতি' ২০০২)

বুজা নাই

এই অলপ আগতে এজন মৃতকৰ ঘৰৰ পৰা আহিছোঁ, বহুদিনৰ পুৰণি চিনাকি এজন মানুহ, নাম ভগৱান বৰুৱা (কিন্তু তেওঁৰ কথা অলপ পাছলৈ)। সেই একেটা দৃশ্যৰ যেন আজিকালি বেছ সঘনে পুনৰাবৃত্তি হ'ব ধৰিছে—ঘৰৰ সমুখত দুই-এখন গাড়ী আহি থামিছে, ৰিক্সাৰ পৰা দুগৰাকী বৃদ্ধা আৰু এটা সৰু ল'ৰা নামিছে, ঘৰৰ সমুখত গহীন উদ্বিগ্ন মুখৰ দুই-এগৰাকী পুৰুষ-মহিলা, নিম্নস্বৰৰ দুই-এটা প্ৰশ্ন, অলপ কুণ্ঠিত কুণ্ঠিতভাৱে ঘৰত সোমাব ধৰিছে, হাতত হয়তো কিছু ফল-মূল বা 'সিধা'ৰ বেগ। আগচোতালত সূতা বা বাঁহৰ কামিৰে ঘেৰা এটা প্ৰদীপ বা লণ্ঠন, য'ত মৃতকৰ অস্থি ৰাখি থোৱা আছে। ছিৰিৰে উঠি গৈ দুৱাৰমুখত জোতা বা চেণ্ডেল খুলিছে, তাৰ পিছত অনিশ্চয়ভাৱে দুৱাৰমুখৰ পৰা বা পৰ্দাখন দাঙি চাইছে, অ' হয়, সেই যে দেৱালৰ এচুকত ফুলৰ মালা পিন্ধোৱা মৃতকৰ এখন বিবৰ্দ্ধিত ফট', সমুখত ফুল আৰু বস্তি, ধূপৰ ধোঁৱা, ভিতৰত মৌনমুখে বহি থকা মানুহখিনিৰ মাজলৈ সোমাই গৈছে—

বহু বছৰ ধৰি আমি এনেবোৰ দৃশ্যত অভ্যস্ত। মা-দেউতাই এদিন চকু মুদিছে। কোনোবা বুঢ়ী-আইতা বা পেহী ঢুকাইছে, হয়তো অকালতে কোনো দাদা-ভনীয়ে বিদায় লৈছে, পাড়াৰ অমুক ককাইদেউ, বহাৰ তমুক খুৰাদেউ—ঘটনাবোৰ আহিছে আৰু গৈছে, স্বাভাৱিক যি মানসিক প্ৰতিক্ৰিয়া তাৰ উদয় হৈছে আৰু বিলীন হৈছে, তাৰ পিছত সেইবোৰ কথা মানুহে পাহৰি গৈছে, জীৱন চলি গৈছে। অ, জীৱন চলি গৈছে, বয়স বাঢ়ি গৈছে, আৰু এইটোও জানো যে বহুতো পৰিচিত মুখত বয়সৰ আঁচোৰ পৰিছে, কিন্তু ক'ৰবাত কেনেবাকৈ তেওঁলোকৰো জীৱন চলি আছে—আৰু এদিন অকস্মাৎ শুনিছো যে নাই, তাৰে এজনৰ জীৱন-যাত্ৰা থামি গৈছে। চিৰন্তন ঘটনা—অমুকৰ বহুদিন ধৰি কেন্সাৰ হৈ আছিল, তেওঁক আমি জানি আছিলো, তেওঁৰ মৃত্যু প্ৰত্যাশিত, কথাটো বেদনাদায়ক, কিন্তু প্ৰক্ৰিয়াটো আৰু প্ৰতিক্ৰিয়াটো স্বাভাৱিক। কিন্তু কাৰোবাক আমি জানিছিলো বহুদিন পূৰ্বে, কাৰোবাৰ লগত অন্তৰংগ আছিলো

কোন বিস্মৃত অতীতত, যাৰ লগত ইদানীং কোনো সম্পৰ্ক নাই, যাৰ কথা ইমান বছৰে মনতেই পৰা নাই—তেনে এজনৰ বিয়োগৰ বাতৰিত যিটো প্ৰতিক্ৰিয়া, সেইটো কিন্তু মুঠেই স্বাভাৱিক নহয়, সেইটো এটা অবোধ্যৰকমৰ শ্বক্ আৰু আলোড়ন—

... ...

সুবীৰ কুমাৰ দাস। কলেজৰ প্ৰথম বাৰ্ষিকত চিনাকি। গণিতৰ শ্ৰেণীত মোৰ কাষতে বহি পৰিল। অচিনাকি। অধ্যাপকে ব'ৰ্ডত এটা অংকৰ পদ্ধতিটো বুজাই দিলে, তাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলক নিজে চেষ্টা কৰিবলৈ অংক এটা লিখি দি বহি পৰিল। মোৰ কাষৰ অচিনাকি্ ল'ৰাজনেও সাগ্ৰহে অংকটো কৰিবলৈ ল'লে, অলপ পাছতেই খেলিমেলি লাগিল—সৌভাগ্যক্ৰমে তেনেকুৱা অংক কৰাৰ এটা সহজ পদ্ধতি অধ্যাপক জ্যোতি মেধিয়ে মোক ইতিমধ্যে শিকাই দিছে, মই প্ৰায় লগে লগেই উত্তৰটো উলিয়াই কলম সামৰিলো—ল'ৰাজনে অলপ আচৰিত হৈ মোৰ বহীখন জুমি চালে, বুজি পালে, মুখত এটা হাঁহি খেলি গ'ল, ক'লে, 'বাঃ এইটোতো বঢ়িয়া মেথড্, এইটো আপুনি ক'ত পালে?' তেনেকৈয়ে পৰিচয়, তাৰ পিছত দুয়ো আন শ্ৰেণীবোৰতো একেলগে বহিবলৈ ল'লো—প্ৰথম পৰিচয়ৰ 'আপুনি'টো এসপ্তাহমান পাছত 'তুমি' হৈ গ'ল, এমাহমানৰ পাছত হৈ গ'ল 'তই, তই'। প্ৰায়ে সুবীৰৰ ঘৰলৈ যাওঁ। ছাত্ৰীবাৰীৰ এটা গলিত (যিটো গলিৰ এটা ভাঁজত কটনৰ উদ্ভিদবিদ্যাৰ অধ্যাপক অতুল দত্তৰ ঘৰ আছিল, তাৰ দুটামান ঘৰ এৰি আমাৰ আন এজন সহপাঠী বাসনাৰঞ্জন হালদাৰ)। সুবীৰৰ ঘৰত তেওঁ দাদা-বৌ (দাদা আছিল চি-আই-ডি অফিচাৰ)। দুয়ো বাহিৰৰ কোঠাটোত বহি গণিত আৰু পদাৰ্থ বিজ্ঞানৰ অংক কৰিবৰ চেষ্টা কৰোঁ, কিন্তু আধা ঘণ্টা বহিলে কুৰি মিনিট গল্প-গুজবত যায়। তেওঁৰ বৌৱে কেতিয়াবা চাহ-জলপান আনি দিয়ে। কেতিয়াবা ওলাই গৈ কেল্‌ভিন চিনেমাৰ কাষৰ 'সাবিত্ৰী কেবিন'ত বহোঁ, নহ'লে চিনেমা হলত সোমাই পৰোঁ। নহ'লে হয়তো—আন বিভিন্নজনৰ লগত—জিলিকাৰাম দাসৰ দোকানলৈ যাওঁ পঢ়া আলোচনা কৰিবলৈ ('জিল্কাৰ দোকান'লৈ নোযোৱা কটনিয়ান তেতিয়া কোনো নাছিল)। সুবীৰ আছিল ৰসাল গল্পৰ ভাণ্ডাৰ, হাঁহিৰ ফোৱাৰা, গানো গায়। কিন্তু পঢ়া-শুনাৰ কথাত খুব 'ছিৰিয়াছ'। মোৰ নিৰ্লিপ্ত 'ডেম-কেয়াৰ' ধৰণৰ চপলতা দেখি বিৰক্ত হয়, সেই লৈ কেতিয়াবা মোক মৃদু ককৰ্থনা কৰে, মই মাথোঁ হাঁহো। কলেজৰ শেষত

মই ৰাজনৈতিক বন্দী হিচাবে গ'লো কেইমাহমান জেললৈ, সুবীৰ আৰু আন কেইজনমান সহপাঠী গ'ল বেনাৰচত ইঞ্জিনীয়াৰিং পঢ়িবলৈ (আন কেইজনমান গ'ল ডিব্রুগড়ত ডাক্তৰী পঢ়িবলৈ), তাৰ পিছত মই গ'লো কিছুদিনৰ বাবে বিলাতলৈ—যোগাযোগ তেতিয়াই বিচ্ছিন্ন—তাৰ পিছত বেছ কেইবছৰমান ইপিনে-সিপিনে ঘূৰাঘূৰি কৰি যেতিয়া ঘৰ সোমালো, তেতিয়া সুবীৰে বৈদ্যুতিক অভিযন্তা হৈ অ'ত-ত'ত কাম কৰি আছে, মাজে মাজে আৰ-তাৰ মুখত দুই-এটা টুকুৰা খবৰ পাওঁ। পদোন্নতি ঘটি আছে—'এগ্‌জিকিউটিভ ইঞ্জিনীয়াৰ, ছুপাৰিণটেণ্ডিং ইঞ্জিনীয়াৰ। এতিয়া অমুক ঠাইত আছে, তমুকে শ্বিলঙত লগ পাইছিল, ইত্যাদি। দুয়ো নিজৰ নিজৰ কাম-কাজ বা সমস্যাত মগ্ন, দেখা-দেখি হোৱা নাই, উদ্যোগ কৰি খা-খবৰ লোৱাৰো কোনো তাড়না অহা নাই, তাৰ মাজতে এদিন পাই গ'লো তেওঁৰ বিয়াৰ খবৰ। কিন্তু খবৰটো মাথোঁ পালো (বিয়া ইয়াত নহয়)। তেওঁৰ বৈবাহিক জীৱন বা পৰিয়ালৰ বিষয়ে একো নাজানো—কেতিয়াবা কোনোবা পুৰণি পৰস্পৰ-বন্ধুৰ লগত কথা প্ৰসংগত সুবীৰৰ নামটো ওলাইছে, অস্পষ্ট অনিশ্চিত দুই-এটা খবৰ কাণলৈ আহিছে—তেওঁৰ ঘৰ-সংসাৰ, চাকৰি—তাৰ পিছত পাহৰি গৈছোঁ—মানে, সুবীৰৰ কথা ভাবি থাকিবৰ তেনেকুৱা জৰুৰী উপলক্ষ্য একো নাই—চলি আছে আৰু, মই যেনেকৈ চলি আছো (হয়তো সুবীৰেও মোৰ বিষয়ে মাজে মাজে তেনেকৈয়ে ভাবিছে, যেতিয়া ক'ৰবাত কিবা প্ৰসংগত মোৰ কথা ওলাইছে)। তাৰ পিছত হঠাৎ এদিন খবৰ পালো সুবীৰ ঢুকাল—তেতিয়াহে যেন জড়তা ভাগিল, কি কৰিলো অতদিনে, তেওঁৰ পুত্ৰ-কন্যা-পৰিবাৰৰ কাকোতো আজিলৈকে লগ পোৱা নহ'ল। তেওঁৰ ঘৰটো ঠিক ক'ত তাকোতো নাজানো। তেওঁৰ ঘৰলৈ গৈ কাক দেখা কৰোঁ এতিয়া—তেওঁৰ স্ত্ৰীলৈ চিঠি এখন লিখিলো—আকৌ পুৰণি পৰস্পৰ-বন্ধুৰ লগত সুবীৰৰ কথা ওলাল, ক্ষুব্ধস্বৰে ক'লো, 'সিনো ইমান দিনে এটা টেলিফোনো কৰিব নোৱাৰিলেনে?' কিন্তু সেইটো অভিযোগ হয়তো মোৰ বিৰুদ্ধে সুবীৰেও কাৰোবাৰ আগত কৰিছে—যিহওক, পৰিয়ালৰ মানুহে এই খবৰটো পাইছে যে মই এতিয়াও কেতিয়াবা কেতিয়াবা জিলিকাৰামৰ দোকানত সোমাওঁ আৰু তাতেই এদিন দোকানৰ মেনেজাৰে মোৰ হাতত তুলি দিলে কোনোবাই দি থৈ যোৱা সুবীৰৰ শ্ৰাদ্ধৰ চিঠিত—

... ...

ভুৰনেশ্বৰ ভট্টাচার্য্য। প্ৰথম বাৰ্ষিকৰ প্ৰথমৰ পৰা পদাৰ্থ বিজ্ঞানৰ

প্ৰেক্টিকেল ক্লাছত মোৰ 'পাৰ্টনাৰ' (অধ্যাপকে নিৰ্দিষ্ট কৰি দিয়া)। হৃষ্ট-পুষ্ট, ওখ-পাখ, গহীন-গম্ভীৰ। সাজ-পোছাক সুন্দৰ, পৰিষ্কাৰ-পৰিপাটি (মোৰ দৰে 'লেতেৰ-পেতেৰ' নহয়)। কথা-বাৰ্তা পোনপটীয়া কিন্তু অমায়িক। টেনিছ খেলে। বিশেষ অন্তৰংগ নহয়, কিন্তু এজন সুহৃদয় সুহৃদ। সকলো কথাত পৰিপাটি আৰু নিয়মানুগ, বাধ্য হৈ তেওঁৰ লগত প্ৰেক্টিকেল ক্লাছত ময়ো মোৰ পালমৰা গোজামিল দিয়া প্ৰবৃত্তি পৰিহাৰ কৰি পৰীক্ষাবোৰ মনপুতি সঠিকভাৱে কৰিবলগীয়া হৈছোঁ, যিটোয়ে অৱশ্যে মোৰ উপকাৰ সাধিছে। মাজে মাজে হয়তো তেওঁৰ হষ্টেললৈও গৈছোঁ, কোনোবা এজনৰ ৰুমত আবেলিৰ চাহ-লুচি-আলুভজা খাইছোঁ, কথা পাতিছোঁ—একেৰাহে দুবছৰ লগ পাই আছোঁ, কিন্তু তিমানেই। ইণ্টাৰমিডিয়েটৰ পাছত তেওঁ বেলেগ পিনে গ'ল, তাৰ পিছত যোগাযোগ, দেখা-দেখি বন্ধ। মই মাজতে বিদেশলৈ গ'লো। যেতিয়া উভতি আহিলো তেতিয়া তেওঁৰ কথা পাহৰি গৈছোঁ (বিদেশত এদিন একে মুখাৰয়বৰ মানুহ এজন দেখি হঠাৎ মনত খেলাইছিল যে এই মানুহজনকতো মই আগতেও পাইছোঁ, ভাবোঁতে ভাবোঁতে মনত পৰি গ'ল, বুজিলো, অ' এইজন সেই তাহানিৰ মোৰ 'পাৰ্টনাৰ' ভুৰনেশ্বৰ ভট্টাচার্যৰ এজন 'ডাব্‌ল'!)। অ'ত-ত'ত মাজে মাজে নামটো শুনিছোঁ, জানিছোঁ যে তেওঁ আজিকালি এজন ডাঙৰ চৰকাৰী আমোলা ('আই-এ-এছ অফিচাৰ', কোনোবাই ক'লে), বিভিন্ন দপ্তৰৰ মুৰব্বী, বোধহয় এসময়ত এজন 'কমিশ্যনাৰ'ও ইত্যাদি। কথাবোৰত বিশেষ আগ্ৰহ ওপজা নাই, জানি গৈছোঁ মাত্ৰ, এদিন হঠাতে এখন বিয়াঘৰত দেখা হৈ গৈছে অলপ সময়ৰ বাবে, সেই একেই সুঠাম, সুভূষণ, স্বল্পভাষী, মার্জিত ব্যক্তি, আৰম্ভণিৰ লুচি-দালিৰ পৰা শেষৰ দৈ-ৰসগোল্লাটোৰ ভিতৰত ইজনে সিজনৰ খা-খবৰ ল'লো (কিন্তু কোনো স্মৃতিচাৰণ নহয়)। তাৰ পিছত আৰু দেখা-দেখি নাই, তাৰ পিছত এদিন (কলেজত থাকোঁতে) শুনিলো যে তেওঁ আজিকালি আমাৰ শিক্ষা-সচিব। তাৰ পিছত মোৰ বিভাগৰ কৰ্মী এজনৰ বদলি সংক্ৰান্ত সমস্যা এটাৰ উদ্ভৱ হ'ল। তেওঁ চৰকাৰলৈ এখন দৰ্খাস্ত লিখিলে, তেওঁ কিবা কথাত গম পাইছে যে এতিয়াৰ শিক্ষা-সচিবজন মোৰ কলেজৰ সহপাঠী। তেওঁ মোক অনুৰোধ কৰিলে যে মই তেওঁৰ হৈ শিক্ষা-সচিবক অলপ কৈ দিব লাগে। মই ক'লো, তোমাৰ দৰ্খাস্তৰ আবেদনটো ন্যায্য (legitimate) আৰু অন্য শিক্ষা-সচিবৰ ক্ষেত্ৰত হয়তো মই তোমাৰ দৰ্খাস্তখন বিশেষভাৱে চুপাৰিছ কৰি দিলোহেঁতেন। কিন্তু এইজন যিহেতু মোৰ চিনাকি, তেওঁক মই

তোমাৰ হৈ কিবা অনুৰোধ কৰিবলৈ যোৱা কথাটো বৰ সমীচীন নহ'ব। 'অপ্রাপ্য-সুবিধা' (undue advantage) বিচৰাৰ দৰে কথা হ'ব, বৰ ভাল দেখা নাযাব। তথাপি তেওঁ লাগি ধৰিলে যে মই তেওঁৰ হৈ একো ক'ব নালাগে, মাথোঁ মই যে তেওঁৰ আবেদনখন সমর্থন কৰোঁ, সেইটো শিক্ষা-সচিবে বুজি পালেই হ'ব। হেঁচা এৰুৱাব নোৱাৰি অগত্যা ৰাজী হ'লো, দুয়ো গৈ শিক্ষা-সচিবালয়ৰ তেওঁৰ কোঠাত সোমালো। তেওঁ কাগজ-পত্রৰ পৰা মূৰ তুলি চালে, অলপ আচৰিত হ'ল। হাঁহিলে। বহিবলৈ দিলে। সুধিলে, 'হঠাৎ, এনেকৈ? কি কথা?' মই ক'লো, নাই, মোৰ কোনো কথা নাই, এওঁৰহে অলপ কাম আছে, মই এনেয়ে দুই মিনিট আপোনাৰ লগত বহি যাওঁ বুলি লগতে সোমালো। তেওঁ মূৰ দুপিয়ালে আৰু আমাৰ কর্মীজনৰ ক'বলগীয়াখিনি শুনিলে প্রায় পাঁচ মিনিট, তাৰ পিছত তেওঁক দুটামান প্রশ্ন সুধিলে। তাৰ পিছত তেওঁৰ পৰা দর্খাস্তখনৰ নকল এটা লৈ তাত কিবা এটা টোকা লিখিলে, তাৰ পিছত মূৰটো লৰাই ইংগিত দিলে যে 'ইণ্টাৰভিউ' শেষ হ'ল, তেওঁ এতিয়া যাব পাৰে, গতিকে তেওঁ উঠি গৈ দুৱাৰ পালে। ইমান পৰে মই মেজৰ কেলেণ্ডাৰ টুকুৰালৈ চাই মাথোঁ নীৰৱে বহি আছিলো। এতিয়া ময়ো থিয় দিলো। তেওঁ ক'লে, 'নাই, আপুনি বহক।' বহিলো, চাহ যাচিলে (অৱশ্যে না কৰিলো), তেতিয়াহে দুয়ো দুয়োৰে কুশলবার্তা ল'লো। ঘৰৰ খা-খবৰ ল'লো। নিজৰ নিজৰ থকা ঘৰৰ হদিশ দিলো, ঠিক কৰিলো যে অ, এদিন মই তেওঁৰ ঘৰলৈ, তেওঁ মোৰ ঘৰলৈ যাব লাগে, টেলিফোন নম্বৰ বিনিময় কৰিলো—ইতিমধ্যে বাৰে বাৰে টেলিফোন বাজিছে, অফিচ-সহায়কে ফাইল লৈ ব্যস্তভাৱে অহা-যোৱা কৰিছে। ক'লো, এতিয়াতো দেখিছোঁ আপুনি হার্ড প্রেছ্ড ফৰ টাইম্, আৰু সময় নলওঁ, যাওঁহে—বিদায় ল'লো (তাৰ কেইদিনমান পাছত গম পালো যে আমাৰ কর্মীজনৰ দর্খাস্তখন মঞ্জুৰ হৈছে)।

তাৰ পিছত বহুদিন পাৰ হৈ গ'ল। দুয়ো দুয়োৰে খা-খবৰ লোৱাৰ বা ঘৰলৈ যোৱাৰ কোনো তাড়না নাহিল, তাৰ পিছত এদিন হঠাৎ লয়ার্ছ বুক ষ্টলত সোমাই দেখিলো ভুতুৰ (লয়ার্ছৰ মালিক খগেন্দ্র নাৰায়ণ দত্তবৰুৱাৰ) লগত ভট্টাচার্য বহি আছে—কি ব্যাপাৰ? নাই, তেওঁ অলপতে অৱসৰ গ্রহণ কৰিছে, এতিয়া কিছু লিখা-মেলা কৰিবলৈ লৈছে, কর্ম জীৱনৰ অভিজ্ঞতা আদি (এনেকি হেনো 'অবিকল'ত দুই-এখন খুঁহুতীয়া ৰচনাও!), তেওঁৰ হাতত থকা নথি-পত্র-মানচিত্র আদিৰ আলমত 'The Changing Border' (?) নামৰ

তেওঁৰ এখন কিতাপ লয়ার্ছে প্রকাশ কৰিবলৈ ওলাইছে—তাৰ পিছত বোধহয় আৰু এবাৰ চকামকাকৈ তেওঁৰ লগত লয়ার্ছত দেখা হৈছে (দুয়োৰে সময়ৰ টনাটনি, কথা পাতি বহি থাকিবৰ আজৰি নাই), তাৰ পিছত হঠাৎ এদিন খবৰ পাইছোঁ যে ভুৱনেশ্বৰ ভট্টাচার্য ঢুকাল! আৰু—পুনর্বাৰ—তেতিয়াহে যেন জড়তা ভাঙিল, কিবা এটা খেদে মনটো ভবাই পেলালে—এই ক্ষেত্রতো এয়ে ঘটিল যে দিনবোৰ পাৰ হৈ গ'ল এইটো ভাবি যে ব্যতিব্যস্ত হোৱাৰ কাৰণ নাই, মই চলি আছোঁ, তেৰোঁ চলি আছে আৰু', হয়তো দুয়ো ভাবি আছোঁ যে এদিন গৈ ভালকৈ বহি ল'ম, এই ক্ষেত্রতো দেৰিকৈ উপলব্ধি আহিল যে তেনেকৈ কোনেও চিৰদিনলৈ 'চলি' নাথাকে, এদিন ছেদ আহে, মেচিন বন্ধ হৈ যায়—আৰু তেতিয়াহে আন কাম বাদ দি ওলাই গৈ শিলপুখুৰীৰ পেন্সনপাৰা পথৰ তেওঁৰ ঘৰটো বিচাৰি উলিয়ালো, পোনপ্রথমবাৰৰ বাবে তেওঁৰ পৰিয়ালক লগ ধৰিলো, নিজৰ চিনাকি দিলো।

... ...

এনেকুৱা আৰু কেইবাজনৰো কথা মনলৈ আহিছে, কিন্তু আৰু উদাহৰণ নবঢ়াই উভতি আহোঁ প্রথমতে উল্লেখ কৰা মৃতকজনৰ কথালৈ। ভগৱান চন্দ্র বৰুৱা। কুমাৰ ভাস্কৰ নাট্য মন্দিৰৰ কাষত থাকে। ছাত্রাৱস্থাত দুয়ো আৰ-চি-পি-আই দলৰ লগত জড়িত (যদিও পার্টিৰ সভ্য নহওঁ), সঘনে লগ পাওঁ আৰ-চি-পি-আইৰে সংগঠন 'কৃষক-বনুৱা পঞ্চায়ত'ৰ কার্যালয়ত (লাখটকীয়াৰ এটা সৰু খেৰী ঘৰ, তাৰ পৰা 'পঞ্চায়ত' নামৰ এখন কাকত ওলায়, সম্পাদক কেদাৰনাথ গোস্বামী—কটনৰ উদ্ভিদ বিজ্ঞান অধ্যাপিকা কমলা ৰয়ৰ দাদা; তাত বিভিন্ন ৰাজনৈতিক আলোচনা চলে, মার্ক্স-এংগেলছ-লেনিন-ট্রটস্কি, চীন আৰু ৰুছিয়াৰ সাম্যবাদ, অহিংসা বনাম সশস্ত্র বিপ্লৱ, দমদম-বশিৰহাট আৰু তেলেংগানা, খগেন ৰৰবৰুৱা আৰু সৌম্যেন্দ্র নাথ ঠাকুৰ আৰু 'বড়বাবু' পান্নালাল দাশগুপ্ত, 'মীৰাট ষড়যন্ত্র' গোচৰৰ চৌকত ওচমানি, কমিণ্টার্ণ-কমিন্‌ফর্ম...), মাজে মাজে দুয়ো কথা পাতি পাতি (মাক্সিম গর্কী, ৰাল্‌ফ ফক্স, বিপ্লৱী সাহিত্য...) ৰাস্তাই ৰাস্তাই ঘূৰো, পার্টিৰ প্রকাশন (পুস্তিকা, প্রচাৰ-পত্র আদি)ৰ কামত বিভিন্ন ছপাশাললৈ যাওঁ, আক-তাক লগ ধৰো। দীঘল, ক্ষীণ (অতিপাত ক্ষীণ, মোৰ দৰেই), মোতকৈ কেইবছৰমানৰ ডাঙৰ, কিন্তু একেলগে ঘূৰোঁতে ঘূৰোঁতে হৈ পৰিলো প্রায় সমনীয়াৰ দৰে। যথেষ্ট পঢ়া-শুনা কৰে,

ভয়ানক তর্কপ্রিয়, মুখত অনবৰত প্রত্যাহ্বান আৰু যুক্তিৰ ফুলজাৰি (কিন্তু কথাবোৰ উচ্চাৰণ কৰোঁতে সামান্য খোকোজা লাগে)। এইমাত্ৰ এটা গুৰু-গম্ভীৰ কথা, তাৰ পাছতেই সেইটোৰ ওপৰত এটা সৰস টিপ্পনী, উগ্ৰ উত্মাভৰা এটা বাদানুবাদ, তাৰ পিছতেই তাৰ ওপৰত এটা হাস্যৰস আৰু নির্বিকাৰ হাঁহি... তাৰ পিছত ৰাজনৈতিক অভিযোগত এদিন সোমালো ফাটৈকত। ঘটনাক্ৰমে বৰুৱাও সোমাল একেখন জেলত। ৰাজনৈতিক বন্দী কেইবাজনো এটা বেৰেক-সদৃশ কোঠাত ('এ-ডিভিজন'), আমাৰ দুজনৰ ওচৰা-উচৰি বিছনা আৰু তাতো সেই একেই তর্কযুদ্ধ, হাঁহি-ধেমালি, কবিতা আবৃত্তি আৰু গান-বাজনা, হার্মনিয়াম-তবলা (সেই 'বিভাগ'ৰ অন্যতম আছিল কেশৰ মহন্ত, তেতিয়া বোধহয় চি-পি-আইৰ লগত জড়িত), খেলা-ধূলা (তাচ, ফুটবল, ভলীবল...), প্ৰায় বাহিৰৰ দৰেই, মাথোঁ গোটেইখিনি আলোচনা-বিলোচনা, ৰগৰ-কৌতুক, তর্জন-গর্জন কাৰাগাৰৰ চৌহদৰ ভিতৰত সীমাবদ্ধ—একেলগে জেলত আছিল সৰোজ কুমাৰ সেন ('মনাদা'), তেওঁ নিজৰ পৰা বন্দীসকলৰ শৰীৰ গঠনৰ ভাৰ ল'লে আৰু ৰাতিপুৱাই ব্যায়ামৰ অনুশীলন আৰম্ভ কৰালে। প্ৰায় সকলোৱেই তাত হেহো-নেহোকৈ যোগ দিলে, কিন্তু মই আৰু ভগৱান বৰুৱাই ইমান পুৱা বিছনা এৰিবলৈ টান পালো, আমাৰ দ্বাৰা ব্যায়াম নহ'ল। ক্ষুব্ধ হৈ মনাদাই ক'লে, 'ইহঁত দুটাৰ জীৱনত একো নহ'ব। ইমান এলেহুৱা মানুহ মই আৰু ক'তো দেখা নাই, এনেকৈ কংকালসাৰ কেটেঙা হৈয়েই ইহঁতৰ লাইফ শেষ হৈ যাব (ভবিষ্যদ্বানীটো মোটামুটি ফলিয়াইছে, মাথোঁ মনাদাইহে সেইটো দেখি যাব নাপালে, কেইবছৰমান আগেয়ে এটা মটৰ দুর্ঘটনাত সাংসদ দীনেশ গোস্বামীৰ লগত মনাদা ঢুকাইছে)। ৰাতি ৭টানে ৮টা বজাত জেলৰ এজন ৱার্ডাৰ আহি গণ্টি লয়, কোঠাটোত সঠিকসংখ্যক বন্দী আছেনে নাই, তাৰ পিছত বাহিৰৰ পৰা তলা মাৰি দিয়ে। কেতিয়াবা এনে হৈছে যে মই আৰু বৰুৱা হয়তো একেখন বিছনাতে দীঘল দি কথা পাতি আছোঁ, বা মই গাত কাপাৰ এখন মেৰাই গাৰুত মূৰ গুঁজি পৰি আছোঁ, বৰুৱাই কাষতে গাৰুত মূৰ থৈ কিতাপ বা কাগজ এখন পঢ়ি আছে, ৱার্ডাৰে গণনাত ভুল কৰি পেলালে, তেওঁ বিছনাই বিছনাই গণ্টি কৰি পাইছে এজন কম—ধৰক ১০ৰ ঠাইত ৯ জন—আৰু এজন ক'লৈ গ'ল? তেনেতে কোনোবাই আঙুলিয়াই দিয়ে যে গণ্টি লওঁতাই ওপৰে ওপৰে চাই যাওঁতে মোক আৰু বৰুৱাক এজন বুলি গণ্টি কৰিছে—দুয়ো আছিলো ইমানেই ক্ষীণ!—কোঠাটোত তেতিয়া হাঁহিৰ

ৰোল উঠিছে, গণ্টিকাৰকেও হাঁহিছে, কোনোবা এজনে কৈছে, 'সঁচাকৈয়ে, এওঁলোক দুজন দেখোন একেবাৰে এক-দেহ, এক-প্ৰাণ।'

কিছুদিন পাছত মই চর্তসাপেক্ষে মুক্তি পালো (বৰুৱা ভিতৰত থাকি গ'ল, বোধহয় তাৰ পাছতো তেওঁক কিছুদিনৰ বাবে অসমৰ বাহিৰৰ জেল এখনলৈ স্থানান্তৰিত কৰিলে)। তাৰ কিছুদিন পিছত মই বিদেশলৈ গ'লো আৰু তেতিয়াই যোগাযোগৰ অন্ত, ইজনে সিজনৰ কথা ভাবিবলৈও আৰু অৱকাশ নাহিল। ভালেকেইটা বছৰ কোনো চিঠি-পত্ৰও নাই, যেতিয়া পুনৰ ঘৰলৈ উভতি আহিলো তেতিয়া তেওঁ নগাঁৱৰ কলেজত অধ্যাপনা কৰি আছে। কেতিয়াবা—কাচিৎ কেতিয়াবা—গুৱাহাটীলৈ আহিলে হয়তো ৰাস্তাত কেইমিনিটমানৰ বাবে দেখা হৈছে—সেই একেই ক্ষীণ, দীঘল চেহেৰা, মুখত দুই-এডাল নতুন ৰেখা, চুলি কমি যাব ধৰিছে, চকুত চছ্মা—কিছু দ্রুত খা-খবৰ বিনিময়, কিন্তু এতিয়া কথা-বার্তাৰ পৰা সম্পূর্ণ অন্তর্হিত হৈছে বিপ্লৱ-বিদ্রোহ-সাম্যবাদ-সমাজবাদ, এতিয়াৰ কথা-বার্তা হ'ল বেমাৰ-আজাৰ আৰু চাকৰি, অৱসৰ আৰু ভৱিষ্যনিধি, খাৰঘুলিত এটা ঘৰ বনাইছিল, তাৰ ভাৰাতীয়াৰ লগত এটা বিবাদ চলিছে, জুলুমত পৰিছে...তাৰ পিছত এৰা-এৰি হৈছোঁ, আকৌ তেওঁৰ কথা পাহৰি গৈছোঁ, অৱচেতনত বোধহয় সেই একেটা ধাৰণাই ক্ৰিয়া কৰিছে যে 'ভাবনাৰ কাৰণ নাই, ময়ো চলি আছোঁ, তেৱোঁ চলি আছে আৰু।' তাৰ পিছত এদিন হঠাৎ কাগজত দেখিছোঁ যে তেওঁ আৰু 'চলি' থকা নাই (কিবা এটা অসুখ হৈ আছিল, নার্চিং হ'মত আছিল—সেইবোৰ অৱশ্যে একো শুনা নাছিলো)। সেই তাহানি যেতিয়া বৰুৱাৰ ঘৰটো চিনিছিলো তেতিয়া অৱশ্যে তেওঁ অবিবাহিত, এতিয়া তাৰ ওচৰে-কাষৰে দালান আদি উঠিছে, ঘৰটো ঘপ্কৈ চকুত নপৰে, ঘৰটোৰ ভিতৰৰ পৰিয়ালবোৰ কাকো চিনি নাপাওঁ—তথাপি এইবাৰো সেই একেই প্রতিক্রিয়া আহিছে, মোৰ সহযোগী শিলপুখুৰীৰ ড° প্রবীণ বৰুৱাক লগত লৈ অচিনাকি পৰিয়ালটিকে দেখা কৰিবলৈ ওলাইছোঁ, বৰুৱাবিহীন ঘৰটোত গৈ সোমাইছোঁ, তেওঁৰ ডাঙৰ ল'ৰা দুজনক নিজৰ পৰিচয় দিছোঁ, তেওঁলোকক কি ক'ম ভাবি পোৱা নাই, তেওঁলোকৰ মাকক নিজৰ পৰিচয় দিছোঁ। উল্লেখ কৰিছোঁ যে জেলত আমি কেইবামাহো একেলগে আছিলো—অৱশ্যে এইটো উল্লেখ কৰা নাই যে তেতিয়াৰ জেলৰ বন্দীসকলৰ চকুত মই আৰু বৰুৱা আছিলো 'এক-দেহ, এক-প্ৰাণ'।

... ...

প্রতিবাৰেই সেই একেটা প্ৰশ্নই আহি মনত দোলা দিয়ে ঃ ইমান দিনে যাৰ লগত কোনো যোগাযোগ নাই, যাৰ কোনো স্মৃতিয়ে মনত আমনি দিয়া নাই, যাৰ কথা যেন ইচ্ছা কৰিয়েই বিস্মৃতিৰ বুকুত লীন যাব দিছোঁ, তেওঁৰ বিয়োগত হঠাৎ মনটোলৈ আহে এয়া কিহৰ খেদ, কিহৰ গভীৰ বিষণ্ণ চঞ্চলতা (লগ পাই থকা মানুহ বহুতে বিদায় লৈছে, হয়তো ব্যথিত হৈছোঁ, কিন্তু বিচলিত হোৱা নাই)। তেনেহ'লে হেৰাই যাব দিয়া মানুহৰ বেলিকা এইটো কিহৰ হেন্দোলনি? অতীতৰ প্ৰতি আকূতি? কিন্তু সেইবোৰ অতীতক ধৰি ৰখাৰতো কোনো উদ্বেগ কোনোদিনেই অহা নাই তেনেহ'লে এয়া কিহৰ অযুক্তিকৰ অশান্তি? এইটো হ'ব পাৰে নেকি যে কৰবাত কিবা এটা পুৰণি প্ৰিয়বস্তু—ধৰক এটা পুতলা বা এটা আঙঠি, চিঠি, ফটো, কিতাপ—ৰাখি থোৱা আছে বুলি জানো, নিশ্চিন্ত হৈ আছো (যাক কয় taken for granted) যে যেতিয়াই মন যায় উলিয়াই চাম—পুতলাটোত চাবি দিম, ফটোখন চাম, কিতাপখনৰ পাত লুটিয়াম—কিন্তু হঠাৎ হয়তো এদিন আৱিষ্কাৰ কৰিলো যে বস্তুটো তাত নাই, সেইটো এটা অপ্ৰত্যাশিত শ্বক্।

এই প্ৰসংগত মনত পৰি গৈছে যে এবাৰ 'সাদিন'ৰ পৰা এটা সাক্ষাৎকাৰত সুধিছিল, 'এনেকুৱা কিতাপ আছে নেকি যিখন কিতাপ আপুনি মন গ'লেই এতিয়াও মাজে মাজে উলিয়াই পঢ়ি থাকে, বাৰে বাৰে পঢ়ে? পঢ়ি যথেষ্ট সুখ অনুভৱ কৰে, সদায় পঢ়িবলৈ মন যায়?' তাৰ উত্তৰত কৈছিলো যে, 'আছে, যেনে.....', আৰু ভালেখিনি অগৰং-বগৰং বকাৰ পাছত কৈছিলো, 'এখন কিতাপ, ধৰা, পঢ়ি ভালকৈ বুজা যায়, মানে মোৰ মন-মতন, কিন্তু ক'ত যে কাক দিলো, এৰিলো, গ'ল, এতিয়া আৰু সেইখন কিতাপ বিচাৰি নাপাওঁ বা বজাৰত ওলাইছে যদিও তাৰ বেলেগ সংস্কৰণ ওলাইছে, it is not exactly the same book. ধৰা, Electricityৰ এখন কিতাপ পঢ়ি মই অভ্যস্ত আছিলো, আজিৰ যিটো সংস্কৰণ পাম, সেইখন অভ্যস্ত কিতাপখন নহয় আৰু। এতিয়া নতুন কথা যোগ হ'ব, আগৰ লেখক মৰি গৈছে, বেলেগ কোনোবাই সম্পাদনা কৰিছে, কিবা কৰিছে, গতিকে it is not the same thing, বুজা নাই?'

নাই, মই নিজেই বুজা নাই। হেৰোৱা কিতাপ আৰু হেৰোৱা মানুহ কি একেটা কথা?

('সাদিন', বিহু সংখ্যা ঃ ২০০৩)

হাঁহিৰ হষ্টেল

আকৌ এবাৰ টেলিফ'ন বাজিল আৰু আকৌ এবাৰ অনুৰোধ আহিল যে মই কিবা এটা লেখা দিব লাগে। বিচাৰিছে গুৱাহাটী ইঞ্জিনীয়াৰিং কলেজ (জি.ই.চি.)ৰ 'এলামনি এছ'চিয়েচন' (Alumni Association) অৰ্থাৎ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সস্থাৰ তৰফৰ পৰা। এই কলেজখনৰ পুৰণি শিক্ষাৰ্থীসকলে ১৯৯৭ চনত এই সস্থাটি স্থাপন কৰে, সেই বছৰ মে' মাহত প্ৰকাশ কৰে সস্থাৰ প্ৰথমখন 'স্মৰণিকা'। তাতো মই কিবা এটা লিখিবলগীয়া হৈছিল। এতিয়া ১৯৯৮ চন, অৰ্থাৎ এবছৰ পাৰ হৈ গৈছে, আৰু আকৌ যেন আহি পৰিছে আমাৰ আটাইকে সামৰি পুৰণি বিদ্যাৰ্থীসকলৰ 'স্মৰণিকা' উদ্যম।

কথাটোৱে মোক মৃদু মৃদু চমক দি থাকে, যদিও এই আশ্চৰ্য্যবোধ বেছ প্ৰীতিদায়ক —কিয়নো মই এই কলেজৰ ছাত্ৰ নাছিলো, মই এজন 'এলামনাছ্' নহওঁ, কথাটো মই প্ৰথম স্মৰণিকাখনত উল্লেখো কৰিছোঁ। অৰ্থাৎ মই এই সস্থাৰ সভ্য নহওঁ। কিন্তু জি ই চিৰ শ্ৰেণীকোঠাবোৰত মই কটাইছোঁ ডেৰকুৰি বছৰ, ছাত্ৰ-ছাত্ৰীসকলৰ লগত বিভিন্ন আদান-প্ৰদান, দিয়া-লোৱা ঘটিছে, সেইবোৰৰ পৰা ময়ো নিশ্চিয় কিবাকিবি শিকিছোঁ, গতিকে হয়তো ধৰি ল'ব পাৰি যে মই কলেজখনত অকল শিক্ষাদানেই কৰা নাই, নিজেও কিবাকিবি শিকিছোঁ, গতিকে সেইপিনৰ পৰা ময়ো এজন 'এলামনাছ্'।

টেলিফ'নত মোক আকৌ সোঁৱৰাই দিছে তেওঁলোকে কি কি ধৰণৰ লেখা বিচাৰিছে, কেনেকুৱা কেনেকুৱা বিষয়-বস্তু ঃ 'জিইচিৰ স্মৃতি' 'কাৰিকৰী শিক্ষা', 'উদ্যোগ-প্ৰয়াস' (entrepreneurship) ইত্যাদি, কিন্তু এইবোৰত তেওঁলোকে গুৰুত্ব দিয়া নাই, তেওঁলোকে বৰং বিচাৰে মোৰ কিছু ব্যক্তিগত সোঁৱৰণী। তেওঁলোকৰ পৰা মই এনেকুৱা কিবা এটা ফৰ্মাইছেই আশা কৰিছিলো, আৰু তাৰ কাৰণটোও বুজাই যায়। কাৰণটো হ'ল এই যে এই স্মৰণিকাখন হ'ল প্ৰবীণ প্ৰাক্তনসকলৰ পত্ৰিকা, আৰু তাত স্বাভাৱিকতে থাকিব পুৰণিৰ প্ৰতি আকূতি, 'নষ্টালজিয়া', স্মৃতি-ৰোমন্থন, মনত অম্লান হৈ থকা ঘটনা আৰু ব্যক্তিৰ কথা, বিভিন্ন সোঁৱৰণী। উদ্বোধনী স্মৰণিকাখনত আছিল মুঠতে ১২ টা প্ৰবন্ধ, তাৰে ৯ টাই স্মৃতিচাৰণ।

কামটো খুব সহজ যেন লাগে, কিন্তু আচলতে কথাটো বৰ উজু নহয়। যিখন ঠাইত ৪ বছৰ কটাইছোঁ (ছাত্ৰ হৈ) বা ১০ বছৰ (শিক্ষকৰূপে, কর্মীৰূপে) বা ৩০ বছৰ পাৰ কৰি দিছোঁ, স্বাভাৱিকতে মনত দ'ম হৈ থাকিব সেইখন ঠাইৰ বিচিত্ৰ স্মৃতি—কিছুমান অত্যন্ত সজীৱ, কিছুমান উঁৰলি যোৱা আৰু অনির্দিষ্ট, কিছুমান স্মৃতি অনিশ্চয় আৰু অস্পষ্ট, কিছুমান পুৰণি সোঁৱৰণী একেলগে সানমিহলি হৈ বিমিশ্রিত, ফলত যিখন ছবি মানস্‌পটত ফুটাই তুলিব বিচাৰিছোঁ, সেইখনৰ টুকুৰাবোৰ তৎক্ষণাৎ যথাযথভাৱে থূপ খুৱাই লোৱাটো সম্ভৱ নহ'বও পাৰে। বিস্মৃতিৰ গর্ভত হেৰাই গৈ বিচৰা ছবিখন হয়তো সম্পূর্ণ অদৃশ্য হৈ পৰিব। হয়তো কেতিয়াবা পাচলৈ কিবা এটা কাৰণত ছবিখন আকৌ মনৰ পর্দাত ভাহি উঠিব—কাৰণ, নিৰন্তৰ আহি থাকে কিছুমান স্মাৰকবস্তু, (কিছুমান 'ৰিমাইণ্ডাৰ'), যেনে, সেই সময়ৰ কাৰোবাৰ লগত দেখা হৈ যায়, ঠাইখনৰ লগত জড়িত কিবাকিবি কথা কাণত পৰে বা কাগজত পঢ়োঁ—এনেকুৱাবোৰ ঘটনা, কিন্তু এইবোৰো হ'ব পাৰে মাথোঁ নিমিষৰ প্রপঞ্চ, ছায়াবাজীৰ দৰে ক্ষন্তেকীয়া বিম্ব—হয়তো আমি ব্যস্ত আছোঁ, হয়তো অন্য নানাধৰণৰ সমস্যাৰে আমাৰ মন ভৰি আছে, এই দ্রুত-বিলীয়মান চিত্রবোৰ আমি ধৰি নাৰাখোঁ, পূর্ণ ৰূপ পাবলৈ নিদিওঁ, এইবোৰ আহে আৰু যায়, আমি লগে লগে কাগজ-কলম লৈ এইবোৰ লিখি নেপেলাওঁ।

কিন্তু ভাগ্যক ধন্যবাদ—আমাৰ সজাগ চেষ্টা অবিহনেই এনেকুৱাবোৰ স্মাৰকবস্তু ৰৈ ৰৈ আহি থাকে, যাৰ ফলত পুৰণি আৱেগিক বান্ধোনবোৰ অটুট থাকি যায়, যদিও সেই কথা হয়তো আমি সচেতন মনত উপলব্ধি নকৰোঁ। এইক্ষেত্রতো ভাবি নাপালো স্মৃতিপটলৈ কি ছবিনো টানি আনো—বিমর্ষভাৱে চাহৰ কাপত চুমুক দিওঁ আৰু নির্লিপ্তভাৱে বাতৰিকাকতৰ স্তম্ভবোৰত চকু ফুৰাওঁ—চি টি বি টি আলোচনাৰ বাবে মার্কিন উপসচিবৰ আগমন—ধেমাজিৰ বান পৰিস্থিতি এতিয়াও সংকটপূর্ণ—মন্ত্রীৰ দ্বাৰা অভিযোগ অস্বীকাৰ—উত্তৰ-পূব পৰিষদৰ দ্বাৰা বিভিন্ন ৰাজ্যিক আঁচনিলৈ ২৮.৩৫ কোটি টকা আবণ্টন, তাৰ ভিতৰত ক'ৰবাত খহনীয়া প্রতিৰোধৰ বাবে ১১১.৪০ লাখ, সমন্বিত মুগা উন্নয়ন আঁচনিৰ বাবে ১০৬ লাখ, ইত্যাদি ইত্যাদি—তাৰ পিছত আচম্বিতে এটা জোঁকাৰ মাৰি পোন হৈ বহিলো জালুকনিগাঁৱৰ গৌহাটি ইঞ্জিনীয়াৰিং কলেজৰ ছোৱালী হষ্টেলৰ বাবে ২৫ লাখ—আ, জি ই চিৰ সেই ছোৱালী হষ্টেল...কি আচৰিত যে বস্তুটো এনেদৰে উক দি আহি ওলাল...

অ, অৱশ্যেই, আমাৰ সবৰে ভালকৈয়ে মনত আছে জিইচি গার্লছ হষ্টেলৰ কথা, আৰু কেম্পাছৰ আনবোৰ হষ্টেলৰ কথা, আনবোৰ ঘৰ-দুৱাৰৰ কথা...অধ্যক্ষ ড° শৈলৰঞ্জন গগৈৰ 'ৰজা'টো পৰিছে দাৰুণ সংকটত, অধ্যাপক (পাচলৈ অধ্যক্ষ) বেদব্রত গোস্বামীয়ে পৰম কৌশলেৰে ৰজাটোক শ'লঠেকত পেলাইছে। ড° গগৈয়ে প্রচণ্ড গুম মুখে চিন্তা কৰিছে আৰু আমি খেল চাওঁতা দুজনমানে উদ্বিগ্নভাৱে অপেক্ষা কৰিছোঁ তেওঁ এতিয়া কি 'চাল' দিয়ে চাবলৈ। অকস্মাৎ ওপৰৰ ক'ৰবাৰ পৰা জাউৰিয়ে জাউৰিয়ে ছোৱালীমতীয়া হাঁহিৰ খলকনি তললৈ নামি আহি এই উৎকণ্ঠিত নীৰৱতা ভাঙি চূৰমাৰ কৰি দিলে। এই হাঁহিৰ ৰোল চলিল বেছ কিছুপৰ। দবাৰ ছকখনৰ পৰা ড° গগৈয়ে মূৰ তুলি চালে আৰু এটা নিশ্বাস এৰি গা ঢিলাই দি বিৰাম ল'লে—খেলত ধ্যান দিয়াটোতো এতিয়া অসম্ভৱ। আমি বাকীকেইজনেও উদ্বেগ পৰিহাৰ কৰি আৰাম কৰি বহিলো, অপেক্ষা কৰিলো, হাঁহিৰ ঢৌ শাম কাটিল, আৰু তেতিয়া আকৌ খেল আৰম্ভ হ'ল।

এই আনন্দৰ উদ্‌গীৰণবোৰ বৈ আহিছিল ওপৰৰ ছোৱালী হোষ্টেলটোৰ পৰা—এটা টিলাৰ ওপৰত আছিল হোষ্টেলটো, টিলাটোৰ তলত আছিল এলানি অধ্যাপক আবাস (কোৱার্টার্ছ), মুঠতে ৫টা ঘৰৰ শাৰী। এই ঘৰকেইটাৰ কোনোবা এটাত মাজে মাজে সন্ধিয়া আমি শিক্ষকসকলৰ কেইজনমান মিলিত হওঁ আৰু দবা খেলো। ছোৱালী হোষ্টেলটোৰ ভিতৰলৈ আমাৰ কেইজনমানহে কেতিয়াবা গৈছে (মই নিজে অৱশ্যে কোনোদিনেই ভিতৰ সোমোৱা নাই), কিন্তু তাৰ পৰা বাহিৰ ওলোৱা শব্দবোৰৰ লগত আমি আটায়ে পৰিচিত। প্রায়ে দুপৰ ৰাতি (বা ৰাতিৰ বহু প্রহৰলৈ) আলোকিত খিৰিকীবোৰৰ পৰা শুনা যায় উচ্ছল উচ্চস্বৰ কথাবার্তা (বেছ সৰৰ, কিন্তু ঠিক বোধগম্য নহয়), গানৰ সুদীর্ঘ আসৰ (লগতে বোধহয় নাচোনো), তাৰ মাজে মাজে একোটা বিৰতিত উদ্দাম হাঁহিৰ ৰোল আৰু খিলখিলনিৰ জাউৰি। কেতিয়াবা কোনো বিৰল উপলক্ষ্যত অধ্যাপক-প্রবক্তাসকল ঘৰটোৰ ভিতৰলৈ গৈছে তেওঁলোকৰ পৰিয়ালৰ লগত, যেতিয়া হয়তো ছোৱালীহঁতে হোষ্টেলত কিবা এটা অনুষ্ঠান বা ভোজ পাতিছে, কিবা 'ফাংচন' বা 'ফীষ্ট'। এই সন্ধিয়াবোৰ তেওঁলোকে পৰিয়াল-সমন্বিতে উপভোগ কৰিছে পৰম পৰিতৃপ্তিৰে, পাহৰি পেলাব পৰা নাই—সেইবোৰৰ পৰিমণ্ডল আছিল যে এক সংক্রামক প্রাণপ্রাচুর্য্যৰ পুলক—যাক কয় 'জোৱা ড্য ভিভৰ' (joie de vivre)—শৰীৰ-মন তাজা-টাটকা কৰি দিয়া প্রীতিদায়ক

পৰিবেশ (যাৰ বিপৰীতে, ল'ৰাৰ হষ্টেলৰ তেনেকুৱাবোৰ অনুষ্ঠান মোটামুটি আনন্দদায়কেই আছিল যদিও সেইবোৰ কিন্তু আছিল যেন নিতান্ত নিয়ম পালিবলৈ পতা নিষ্প্রভ ঘটনা)। তেনেদৰে ছোৱালীহঁতে আয়োজন কৰা পিক্‌নিকবোৰ আছিল অবিস্মৰণীয় স্ফূৰ্তিৰ আকৰ—নির্লিপ্ত বা পালমৰা ধৰণৰ আধাডুখৰীয়া কাৰবাৰত ছোৱালীহঁত নাই, তেওঁলোকে খৰচি মাৰি সমস্ত খুটি-নাটি বিতংভাৱে বিবেচনা কৰি লয়—এনেকি কোনো কোনো অধ্যাপক পৰিয়ালৰ লগত আহিবলগীয়া সৰু ল'ৰা-ছোৱালীবোৰৰ বাবে 'ললিপপ্'কেইটাও যোগাৰ কৰি ৰাখে! দুর্ভাগ্যক্রমে মই নিজে এনেকুৱা কোনো এটা পিক্‌নিকত যাব নোৱাৰিলো, কিন্তু মোৰ পৰিয়ালৰ মানুহ গৈছে, কি যে 'মজা' হৈছিল তাৰ আমেজ তেওঁলোকে আজিলৈকে পাহৰিব পৰা নাই। (আনহাতে, ল'ৰাৰ পিক্‌নিকবোৰৰ আনন্দ কিন্তু অবিমিশ্র নাছিল, সেইবোৰত সদায় থাকিছিল কিবা এটা সংশয়, এটা দুর্ভাৱনা, কিবা এটা 'টেনচন', কিবা এটা অঘটন ঘটাৰ উদ্বেগ—ঠিক কি ক'ব বিচাৰিছোঁ সেইটো কলেজৰ পু�ৰণি শিক্ষকসকলে বুজিব!)। এদিন সন্ধিয়া চিভিল ইঞ্জিনীয়াৰিঙৰ অধ্যাপক ড° পদ্মৰাম বৰাই তেওঁৰ কোৱার্টাৰ্ছত আমাক কিবা কৈ আছিল, তাৰ মাজতে ওপৰৰ টিলাৰ হেলনিৰে তললৈ ভাবি অহা স্ফূৰ্তি-তামাছা আৰু হাঁহিৰ হিল্লোলে তেওঁৰ কথা ডুবাই দিলে, তেওঁ অলপ ৰ'ল, তাৰ পিছত ক'লে, 'যাক—এই ছোৱালীহঁতে বোধহয় তেওঁলোকৰ জীৱনৰ পৰম আনন্দময় সময়খিনি উপভোগ কৰিছে, having the time of their lives. যি বুজা যায়, হষ্টেলৰ এই বছৰকেইটাৰ কথা তেওঁলোকৰ বাকী জীৱনত মধুৰতম স্মৃতিৰূপে থাকি যাব।'

অৱশ্যে এইটো ঠিক যে যিকোনো হষ্টেলৰ জীৱন মাথোঁ এক নিৰৱচ্ছিন্ন ৰং-ৰহইচ আৰু খেল-ধেমালিৰ পর্ব হ'ব নোৱাৰে, আৰু এই ছোৱালী হষ্টেলটোও এই কথাৰ ব্যতিক্রম নহয়। ইয়াতো দুখ লগা ঘটনা ঘটিছে, ইয়াতো অপ্রীতিকৰ-অস্বস্তিকৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে। কিন্তু ইয়াৰ সামগ্রিক পৰিমণ্ডল—অন্ততঃ বাহিৰৰ পৰা আমি যি দেখিছিলো—আছিল ঝলমল উদ্দীপনা আৰু একনিষ্ঠ উদ্যম—নিজৰ পাঠ্যক্রমখিনিৰ প্রতি অবিচলিত মনোযোগ অব্যাহত ৰাখে, ক্লাছত খতি নাই, ৱর্কশ্বপ-লেবৰেটৰীত খতি নাই, পৰীক্ষাবোৰত ল'ৰাৰ সমানে সমানেতো যায়েই, প্রায়ে ল'ৰাক পিচ পেলাই থৈ যায়। আৰু মই নিজে দেখিছোঁ হষ্টেলটোয়ে কেনেকৈ জনম ল'লে। আয়ুর্বেদ কলেজৰ পিনৰ পৰা আহি কেম্পাছ সোমালে ল'ৰাৰ হষ্টেল দুটামান পাৰ হৈ পোৱা যায় কেইটামান সৰু

সৰু কোৱার্টার্ছৰ এটি অর্ধচন্দ্র, প্রথম প্রথম মই আছিলো তাৰে এটাত। মোৰ খিৰিকীৰ মুখামুখি আছিল এটা ডাঙৰ (অধ্যাপক-আর্হিৰ) ঘৰ, ৰাস্তাৰ দাঁতিত। কেইমাহমান সেইটো খালী পৰি আছিল, তাৰ পাছত এদিন ইংৰাজীৰ মহিলা প্রবক্তাগৰাকী তাত থাকিবলৈ আহিল, অকলে। তাৰ কিছুদিন পিছত ঘৰটোৰ এটা কোঠালিত আহি সোমাল আন এজনী ছোৱালী, কলেজৰ প্রথমগৰাকী ছাত্রী (ইংৰাজীৰ প্রবক্তাগৰাকী হৈ পৰিল যেন ছুপাৰিনটেণ্ডেণ্ট)। এই ছাত্রীগৰাকী হ'ল নীতা দত্ত (যাৰ পিতা হ'ল ঁফণীন্দ্র দত্ত, বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্রাৰ আৰু এসময়ত কটনত আমাৰ গণিতৰ শিক্ষাগুৰু)। নীতাৰ কথা আৰু নাম উল্লেখ কৰিলো, কিয়নো এই কাম চলাই দিয়া ধৰণৰ হষ্টেলৰ অকলশৰীয়া আবাসী নীতা বোধহয় একধৰণৰ মাইলৰ খুঁটি, জিইচিৰ পৰা (হয়তো অসমৰে পৰা) ওলোৱা প্রথম ছোৱালী অভিযন্তা, আৰু জিইচিৰ আদিম এক কোঠালি ছোৱালী হষ্টেলৰ প্রাৰম্ভিকা বা 'ষ্টার্টাৰ'। দিন যোৱাৰ লগে লগে আন আন ছোৱালী কলেজলৈ অভিযন্তা হ'বলৈ আহিল, তেওঁলোকৰ সংখ্যা ক্রমান্বয়ে বাঢ়ি গ'ল, বৃহত্তৰ পৰা বৃহতৰ আবাসৰ প্রয়োজন আহিল, আৰু আমাৰ চকুৰ আগতে ছোৱালী হষ্টেলটোৰ বিভিন্ন 'জাতক' আমি প্রত্যক্ষ কৰিলো—এক-কোঠালিৰ পৰা কোনোবা অধ্যাপক-আবাসত, তাৰ পিছত কলেজৰ অতিথিশালাত, ইত্যাদি ইত্যাদি, আৰু অৱশেষত তেওঁলোকৰ নিজস্ব এটা দুমহলীয়া দালানত। আৰু এতিয়া বোধহয় হষ্টেলটোক লগা হৈছে ২৫ লাখ টকা পূর্বোত্তৰ পৰিষদৰ পুঁজিৰ পৰা... বেছ তেনেহ'লে, ছোৱালীহঁতে টকাখিনি পাওক —আৰু অব্যাহত থাকক হাঁহিৰ অনুৰনৰ।

...আচৰিত কথা যে বস্তুটো এনেদৰে উক দি আহি ওলাল—কিন্তু জিইচিৰ লগত আমাৰ আত্মিক সম্বন্ধটোৰ কথা যদি ভাবি চাওঁ, তেন্তে বুজিব পাৰোঁ যে কথাটো তেনেকুৱা আচৰিত একো নহয়, আচলতে।

(মূল ইংৰাজী 'The House of Hilarity') স্মৃতিগ্রন্থত প্রকাশিত, আকাশবাণীযোগে পূর্বে প্রচাৰিত।'

(অসমীয়া প্রতিদিন, পূজা ঃ ২০০৩)

সৰুকালিৰ দিনবোৰ

সৰুকালিৰ কথা ভালকৈ মনত নপৰে। বহুদিন আগৰ কথা। মাথোঁ অলপ অলপ মনত পৰে—ৰিণিকি ৰিণিকি। নদীত নাও বোৱাৰ কথা মনত পৰে। আবেলি। নদীৰ পাৰত এখন নাও বন্ধা আছে, দুপাট বঠাও আছে। আন এখন সৰু নাও পাৰৰ বোকাত থেকেচাই থোৱা আছে। বঠা নাই। আমি লগৰীয়া চাৰিজনমান এনেয়ে ঘূৰি ঘূৰি আহি নদীৰ পাৰ পাইছোঁ। ঘাট শূন্য। মানুহ-দুনুহ নাই। অলপ সময় দুটা শিলৰ ওপৰত বহিলো। তাৰ পাছত কি কৰা যায়? এজনে ক'লে, আজি নাওকে চলাওঁ দে। কোনেও নাও চলাব নাজানো, কেতিয়াও বঠা ধৰি পোৱা নাই। কোনো কথা নাই, চেষ্টা কৰিলে পাৰিম। কোনখন নাও লোৱা যায়? সৰুখনেই ভাল হ'ব। বন্ধা নাই, পানীত নমাবলৈ সহজ হ'ব। গতিকে সৰুখন ঠেলি পানীত নমালো। ডাঙৰখনৰ পৰা বঠা দুপাট আনিলো। উজাই যাম নে ভটিয়াই যাম? ভটিয়াই যোৱাই সহজ হ'ব। ভাল সোঁত আছে। দুজনে একাঁঠু পানীত নামি নাওখন ধৰি আছে। তেতিয়াও আমাৰ কোনোজনে সাঁতুৰিবলৈ শিকা নাই। অলপ ভয়ে ভয়ে নাৱত উঠিলো। সমুখত এজনে, পিছপিনে এজনে বঠা ল'লো। নাও এৰি দিলো, সোঁতে ধীৰে ধীৰে ভটিয়াই লৈ গ'ল, নৈৰ পাৰে পাৰে। বঠা চলাবলৈ চেষ্টা কৰিলো, কিন্তু বেছ জোৰ লাগে। হাতৰপৰা পিছলি যাব খোজে। দুই-চাৰিবাৰ নাৱৰীয়াই বঠা মৰাৰ দৰে মাৰিবলৈ চেষ্টা কৰিলো। নোৱাৰিলো। ইতিমধ্যে নাও বহুদূৰ ভটিয়াই গৈছে। পাৰৰ কাষে কাষে থাকিবৰ চেষ্টা কৰিছোঁ যদিও মাজে মাজে সোঁতে মাজ-নদীৰ দলৈ টানি নিবৰ চেষ্টা কৰিছে। ইজনে সিজনৰ মুখলৈ চালো। ভয়ো লাগিছে। এজনে ক'লে, হ'ব দে; অঁ, হ'ব দে, হ'ব দে। বঠা থেকেচি চালো, কিমান দ। বেছি নহয়। একাঁঠু। দুজন নামিলো, নাওখন দুইমূৰে ধৰি স্থিৰ কৰিলো। তাৰ পাছত বাকী দুজন (নে তিনিজন আছিলো) নামিলো। আটাইকেইজনে মিলি নাওখন পাৰলৈ টানি নিলো। বালিত আধালৈকে থেকেচি ৰাখি দিলো। বঠা দুপাট কি হ'ব? হ'ব দে, গৰাকীয়ে বিচাৰি নিব। নহয়, এজনে ক'লে, ইমান দূৰত এইখন নাওত বঠা দুপাট

আছে বুলিনো কেনেকৈ জানিব? তিমান দূৰৰ পৰা এইখিনিলৈ দেখাও নাযায়। ঠিক আছে, আকৌ আগৰ ঠাইত থৈ দিওঁ। বঠা দুপাট দুজনে দুজনে কান্ধত লৈ বালিয়ে বালিয়ে আকৌ আগৰ নাওখনলৈ আনিলো। তাত আগৰ দৰে বঠা দুপাট ৰাখি দিলো। ইতিমধ্যে আৰু কেইজনমান ল'ৰা আৰু দুজনমান মানুহ পাৰত জমা হৈছে। পশ্চিমত বেলি মাৰ যোৱা চাইছে। দুজনমানে সুধিলে, এই বঠা ক'ৰপৰা আনিলা? কাৰ নাও? আমাৰেই, আমি ক'লো, আৰু কথা নবঢ়াই তাৰপৰা আঁতৰি গ'লো।

এনেদৰে নদীৰ পাৰত আমাৰ ল'ৰালিৰ বহু সময় কাটিছে। মোৰ বাহিৰে আন প্ৰায় আটাইৰে পঢ়াশালিৰ দিন পাৰ হৈছে নদীৰ পাৰত।

আমাৰ ঘৰৰ পৰা অকণমান আহি পাক এটা ঘূৰিলেই এটা দীঘল ৰাস্তা। ৰাস্তাটো কিছুদূৰ আহি পুলিচ-থানা পাইছে (তেতিয়া এটা সৰু অসম-আৰ্হিৰ ঘৰ)। তাৰ পথালিকৈ গৈছে চহৰৰ ঘাই ৰাস্তা। সেইখিনি পাৰ হৈ ৰাস্তাটো নামি গৈছে একেবাৰে নদীৰ পাৰৰ ৰাস্তালৈ। তাতে 'ভৈৰৱ মাষ্টৰৰ পাঠশালা'। ৰাস্তাৰ ওপৰতে পঢ়াশালি, কোনো দেৱাল জেওৰা আদি নাই। পাঠশালাৰ খিৰিকিৰে দেখি থাকি নদী, নাও, জাহাজ। মই অৱশ্যে সেইখন পঢ়াশালিলৈ যোৱা নাই। মই প্ৰথমে গৈছোঁ ছেইণ্ট মেৰিজ কনভেণ্টলৈ। তাত এবছৰ নে দুবছৰ আছোঁ। (সেই কালত ছেইণ্ট মেৰিজত সৰু ল'ৰা-ছোৱালী একেলগে পঢ়িছিল।) কনভেণ্টলৈ ঘৰৰ পৰা কিছু দূৰ, গৈছোঁ ঘোৰাবাগীৰে। তেতিয়া চহৰত ছিটি-বাছ চলিবলৈ আৰম্ভ কৰা নাই, মটৰ গাড়ী আঙুলিৰ মূৰত গণিব পাৰি—নতুন এখন মটৰগাড়ী দেখিলে আমি থিয় হৈ চাওঁ, কি গাড়ী, কাৰ গাড়ী এইবোৰ কথা আলোচনা কৰোঁ, গাড়ীৰ নম্বৰটো মুখস্থ কৰোঁ। তেতিয়া অট'ৰিক্সাও অহা নাই, তিনিচকীয়া ৰিক্সাও অহা নাই, বহুদিন পাছতহে মানুহে টনা দুচকীয়া ৰিক্সা আহিছে, আৰু তেতিয়া সেইবোৰৰ দৰ্কাৰো নাছিল। চহৰখন সৰু আছিল, মানুহে খোজ কাঢ়িয়েই গোটেইখন চহৰ সহজে ঘূৰি ফুৰিব পাৰিছিল। নহ'লে ছাইকেলেৰে গৈছিল। (সৰুতে ছাইকেল চলাই বৰ ভাল লাগিছিল, গায়ে-মুখে মুকলি বতাহ সোঁ সোঁ কৰি লাগিছিল, ৰাস্তাত ভিৰ নাছিল, ৰাস্তাবোৰত গাঁত নাছিল, আমি শুদা ভৰিৰেই ঘূৰি ফুৰিছিলো, মসৃণ আৰু পৰিষ্কাৰ আছিল, লেতেৰা আৱৰ্জনাৰ দ'ম নাছিল।) কিবা বিশেষ উপলক্ষ্যত (যেনে—বিয়া-সবাহ আদিলৈ পৰিয়ালসহ যাবলৈ) মানুহে ঘোঁৰাবাগীত উঠিছিল।

বান্দৰ-কেঁকোৱা বিচাৰি

হয়, নদীৰ পাৰত আমাৰ ল'ৰালিৰ বহু সময় কাটিছে। বন্ধৰ দিনত তাত ঘৰৰ আৰু পাড়াৰ কেইবাজনেও একেলগে গা ধুবলৈ গৈছোঁ। সাঁতোৰ শিকিবৰ চেষ্টা কৰিছোঁ। লগত সাঁতোৰ জনা ডাঙৰ দুই-এজন থাকে। সেইখিনিত এটা টিলাৰ ওপৰত আছে এটা পুৰণি মন্দিৰ। তাত পানী বহু দূৰলৈ তৰাং। কিন্তু মাজে মাজে হঠাৎ দ। দুই-এটা চাকনৈয়াও আছে। পাৰতে কিছু সময় হাত-ভৰি জোকাৰোঁ, ডুব মাৰোঁ, পানী খাই কক্‌বক্‌ কৰোঁ। শিকাওঁতা বুলিবলৈ তেনেকৈ নাই, বেছিভাগৰে সাঁতোৰ শিকা নহ'ল। কিন্তু থকা সময়খিনি পানী খেদেলি চিঞৰ-বাখৰ কৰি খুব স্ফূৰ্তি কৰোঁ। দুই-এজনে কেতিয়াবা ডুবি যাবও ধৰিছিলো। মই নিজে এদিন চাকনৈয়াত পৰি হু-হুকৈ তললৈ ডুবি গৈছিলো। লগত যোৱা দাদা এজনে দেখা পাই জাঁপ দি পানীত সোমাই গৈ মোক চুলিত ধৰি টানি উলিয়াই আনিলে। তেতিয়াৰ নদীৰ পাৰ সাধাৰণতে নির্জন আছিল, মানুহ-দুনুহ খুব কম আছিল। খৰালি বালিৰ চৰ পৰে, তেতিয়া তাত বেপাৰীয়ে বাঁহ দ'ম কৰে। সৰু চালিঘৰ বান্ধি লৈ বেপাৰ কৰে, ৰাতি তাত মানুহ থাকে। (কেইডালমান বাঁহ দীঘলে-দীঘলে গাঁথি ভূৰ বনায়। তাতো অইনৰ লগত ল'ৰা কিছুমান উঠি কিছুদূৰ যায়। বাঁহৰ ফাঁকেৰে পানী সোমায়, ভূৰ ডুবি যাব বুলি এটা মিছা ভয় সৃষ্টি কৰি সকলোৱে হাঁহে।) অশোকাষ্টমীৰ দিনা কিন্তু ঘাটত মানুহৰ ভিৰ হয়। পাৰত ফুল, ধূপ-ধূনা-চাকি আদিৰ সৰু সৰু দোকান বহে। মতা-মাইকী বহু মানুহে গা-ধোৱে, পূজা কৰে। মাজে মাজে দুই-এজন মানুহ মৃতকৰ পিণ্ড উটুৰাই দিবলৈ আহে। দিনটো নদীৰ পাৰ প্ৰায় খালী থাকে, আবেলিহে মানুহে ফুৰিবলৈ আহে, সূর্যাস্ত চায়, জহকালি নদীৰ চেঁচা বতাহ লৈ গা জুৰায়। নহ'লে কছাৰীঘৰৰ কাষৰ ঘাটলৈ যায়। (কছাৰী বুলিলে তেতিয়া কেইটামান ডাঙৰ ডাঙৰ অসম-আৰ্হিৰ ঘৰ, দালান নহয়।) কছাৰীঘাটৰ পৰা বহুকেইটা দীঘল দীঘল চিৰি তললৈ নামি গৈ নদী চুইছে। সেই চিৰিবোৰত মানুহ বহে, কথা পাতে, সন্ধিয়াৰ জুৰ বতাহ লয়। কছাৰীঘাটৰ পৰা দেখা যায় দুটা সৰু দ্বীপ। দূৰৰটো মাজ-নদীত, তাত এটা বিখ্যাত মন্দিৰ আছে, তালৈ যোৱা অলপ টান। ওচৰৰটো ঠিক দ্বীপ এটাৰ দৰে নহয়, তালৈ বালিয়ে বালিয়ে যাব পাৰি, মাজতে হয়তো কিছু বাম পানী খচকি যাব লাগে। সেইটোলৈকো আমি কেতিয়াবা কেতিয়াবা আবেলি যাওঁ। তাত মাথোঁ বালি আৰু শিল আৰু ঘাঁহ-বন আৰু জোপোহা। শিলৰ পৰা বালিলৈ জঁপিয়াওঁ, দৌৰাদৌৰি কৰোঁ, আৰু

বান্দৰ-কেঁকোৱা বিচাৰোঁ। তাত হেনো বান্দৰ-কেঁকোৱা পোৱা যায়। বান্দৰ-কেঁকোৱা কাৰোবাৰ গাত ঘাঁহি দিলে বা গাত ফুৰাই দিলে বোলে খজুৰতিত মানুহ থাকিব নোৱৰা হয়। ভাবিছিলো, কিবাকৈ বান্দৰ-কেঁকোৱা অলপ গুড়ি কৰি টেমাত ভৰাই জেপত লৈ ফুৰিব পাৰিলে হাতত এপাট বৰ সাংঘাতিক অস্ত্ৰ থকাৰ দৰে হ'ব। বহুত বিচাৰিলো—কিন্তু আমাৰ ভালৰ বাবেই হওক বা দুর্ভাগ্য বুলিয়েই হওক, বান্দৰ-কেঁকোৱা বিচাৰি নাপালো।

তৰুণ ক্লাবৰ বল

অৱশ্যে আমি যে সদায় অকল নদীৰ পাৰলৈহে ফুৰিবলৈ যাওঁ, সেইটো নহয়। আবেলি প্ৰায়ে আমি মার্বল, দাংগুটি, ফুটবল বা ক্ৰিকেট খেলো। আমাৰ ঘৰৰ ভাই-ভাগিন আৰু পাড়াৰ আন কেইজনমান ল'ৰা লগ লাগি আমি এটা দল গঠন কৰিছোঁ, নাম দিছোঁ 'তৰুণ ক্লাব'। তৰুণ ক্লাবৰ যিকেইজন আবেলি লগালগি হওঁ, ওলাই যাওঁ, হাতত ফুটবল বা ক্ৰিকেট বল-বেট লৈ (বল মানে টেনিছ বল); ষ্টাম্প নাই, বাঁহ বা কিবা পুতি লওঁ; তেনেদৰে গ'লপ'ষ্ট বুলি একো নাই, দুপিনে দুটামানকৈ ইটা বা গাৰ কামিজ দুটা থৈ দি 'গ'ল' বুলি ঠিক কৰি লওঁ। খেলৰ কোনো নির্দিষ্ট জাগা নাই। কছাৰীৰ কাষৰ ডাকঘৰৰ সমুখত এখন মুকলি ফিল্ড আছে, তাৰ মাজত এটা সৰু গির্জা, তাৰ কাষেৰে ৰঙা মাটি দিয়া এটা সৰু ৰাস্তা (তাত ছাইকেল চলালে ফুৰ্‌ফুৰ্‌কৈ এটা শব্দ হয়, বঢ়িয়া লাগে)। ৰাস্তাৰ ওপৰতে (বা অকণমান নলা এটা ডেও দি পাৰ হৈ) ফিল্ড, ফিল্ডবোৰ মুকলি, চাৰিওপিনে কেনো দেৱাল বা জেওৰা আদি নাই। সাধাৰণতে ফিল্ডখন খালী থাকে (কিছু পূবলৈ আন এখন ডাঙৰ ফিল্ড আছে, তাত ডাঙৰ ডাঙৰ টিমবোৰৰ ফুটবল বা ক্ৰিকেট খেলা হয়, আমি মাজে মাজে গৈ সেইবোৰ খেল চাওঁ)। এই মুকলি ফিল্ডখনৰ কোনোবা এপিনে আমি 'তৰুণ ক্লাব'ৰ ফিল্ড বনাই গৈ খেলো। কিন্তু সদায় একেখিনি ঠাইত আমাৰ ফিল্ড নাথাকে। কোনোবাদিনা 'ৰাণীবাৰী বয়জ ক্লাব' বুলি আমাৰ পাড়াৰ ওচৰৰ আন এটা দলে আমাৰ ঠাইখিনি দখল কৰি তাত খেলিবলৈ আৰম্ভ কৰি দিয়ে। তেতিয়া আমাৰ দুয়োদলৰ কাজিয়া লাগে, তর্কাতর্কি লাগে, কিন্তু অৱশেষত প্ৰথমে আহি পোৱা দলটোৱে সেইদিনা তাত খেলে। আনটো দলে ফিল্ডখনৰ আনটো মূৰলৈ গৈ সিটো দলৰ পথালিয়ে পথালিয়ে খেল আৰম্ভ কৰে।

'তৰুণ ক্লাব'ৰ অৱস্থা টনকিয়াল নাছিল। আমি ল'ৰাহঁতে মা-দেউতা বা দাদা-বাইদেউহঁতৰ পৰা যি পাৰোঁ টকা-পইচা যোগাৰ কৰি কোনোমতে বেট-বল আদি কিনো। একোটা পুৰণি বলেৰেই বহুদিন চলাওঁ। ব্লাডাৰ ফুটা হ'লে টাপলি লগাওঁ। সেইখিনি পইচাৰে আকৌ বাদাম-ভজা, ফুলৰি-ভজা আদিও খাওঁ। অকল সেয়ে নহয়, সেইখিনি পইচাৰ পৰা ৰাহি কৰি এটা 'প্ৰিণ্টিং চে'ট'ও কিনিলো। এইটো কিনিলো আমাৰ সৰু পুথিভঁৰালটোৰ বাবে। 'প্ৰিণ্টিং ছেট' বস্তুটো এনেকুৱা ঃ কিছুমান সৰু সৰু ইংৰাজী আখৰ আৰু সংখ্যা (A B C D, 1 2 3 4আদি) কাঠৰ খাঁজ-কটা টুকুৰা কিছুমানত ওলোটাকৈ খুৱাই ল'ব লাগে। সেইবোৰ চিয়াঁহীৰ পেড এটাত ঘঁহি লৈ কাগজত ছাপ দিব লাগে। তেনেকৈ আমি 'তৰুণ লাইব্ৰেৰী' (TAROON LIRBARY) আদি কেইটামান শব্দ সজাই ল'লো। আমাৰ হাতত জমা হোৱা কিছুমান গল্পৰ কিতাপ আৰু

'ষ্টেটছমেন' কাকতত ছপা হোৱা ফটোখন

আলোচনী আমাৰ ঘৰৰ টেবুল এখনত সজাই লৈছোঁ, তাৰ নাম দিছোঁ 'তৰুণ লাইব্ৰেৰী'। সেইবোৰত 'তৰুণ লাইব্ৰেৰী' আৰু তাৰিখৰ ছাপ মাৰিলো। (আমাৰ কিতাপ-বহীত নিজৰ নিজৰ নাম 'ছপা' কৰিলো) 'তৰুণ ক্লাব'ৰ ফুটবলটোৰ অৱস্থা বেয়াৰ পৰা বেয়াৰ পিনে যাবলৈ ধৰিলে। ব্লাডাৰটোত পাম নাথাকে। বাহিৰখিনি ফালি-ছিগি গৈছে। ৰাণীবাৰী ক্লাবৰ ল'ৰাবোৰে আমাৰ ফুটবলটো দেখি জোকায়—"ঐ, তহঁতে ৰবাব টেঙা নেখেল কিয়? তহঁতৰ বলতকৈ ৰবাব টেঙা বহুত ভাল।" অৱশ্যে আমি এদিন আমাৰ বলটোৰেই 'ৰাণীবাৰী বয়জ'ৰ লগত ফ্ৰেইণ্ডলি মেচ খেলি সিহঁতক হৰুৱাই দিলো। যিহওক, এদিন নতুন বল এটা কিনিব পৰা হ'লো। সেই কথা লৈ মোৰ বেছ গৰ্ব হৈছিল। সেইটো ঘটিল এনেদৰে ঃ আমাৰ ঘৰত 'ষ্টেটছমেন' নামৰ ইংৰাজী কাকতখন লৈছিল। তাত সপ্তাহৰ এদিন (বোধহয় ৰবিবাৰে) সৰু ল'ৰা-ছোৱালীৰ চ'ৰা এটা আছিল। তাৰ নাম 'বেঞ্জি লিগ' (BENJI LEAGUE)। তাত কিবাকিবি প্ৰতিযোগিতাও থাকিছিল। এবাৰ এখন ছবিত ৰং দিয়া প্ৰতিযোগিতা এটাত যোগ দি মই এটা পুৰস্কাৰ পালো। মোৰ এখন ফটোও 'বেঞ্জি লিগ'ৰ পাতত ছপা হ'ল। পুৰস্কাৰ

দিলে তিনি টকা নে পাঁচ টকা (মানি-অৰ্ডাৰ যোগে)। তিনি টকা তেতিয়া বহুত ধন—তাৰে আমি 'তৰুণ ক্লাব'ৰ বাবে এটা ফুটবল কিনিলো। (কেই নম্বৰী, মনত নাই।) তাৰ পাছত আমি কেইজনমানে মিলি দোকানত চাহ আৰু নিমকি খালো। তাৰ পাছতো হাতত কেইঅনামান পইচা ৰৈ গ'ল।

কোন সৰু চহৰ?

এইবোৰ বাৰু কোন সৰু চহৰৰ কথা কৈ আছোঁ? এইবোৰ হ'ল গুৱাহাটী চহৰৰ কথা, কিন্তু আজিৰ পৰা প্ৰায় ৫০-৬০ বছৰ আগৰ গুৱাহাটী। সৰুতে আমি লেমৰ পোহৰত বা মমবাতি জ্বলাই পঢ়া-শুনা কৰিছিলো। তাৰ পাছত কেতিয়া বিজুলী আহিল, মনত নাই। তেতিয়া আমাৰ পাড়াত মাত্ৰ দুঘৰত ৰেডিঅ' আছিল। ভৈৰৱ পণ্ডিতৰ পাঠশালালৈ যোৱা ৰাস্তাটো (ডেনিছ ৰ'ড) আজি নাই, থানা পৰ্যন্ত আহি শেষ হৈছে। বাকীখিনি ৰাস্তাৰ ওপৰত 'মহেন্দ্ৰ মোহন চৌধুৰী আস্পতাল' উঠিছে (পাঠশালাটো এতিয়া আঁতৰি গৈ 'বিদ্যালয়' হৈ পানী-কলৰ বিপৰীতে থিয় দিছে)। যিবোৰ ধুনীয়া ধুনীয়া অসম-আৰ্হিৰ ঘৰ-দুৱাৰৰ কথা ক'লো, সেইবোৰৰ বেছিভাগেই আজি নাই, সেইবোৰ আজি ওখ ওখ আপচু অট্টালিকা। অৱশ্যে আমাৰ পাণবজাৰৰ কাঠৰ দুমহলীয়াটো আজিও তেনেদৰেই আছে। তেতিয়া ওচৰত আন ডাঙৰ ঘৰ নাছিল। আমাৰ দুমহলাৰ বাৰাণ্ডা আৰু খিৰিকীৰে চহৰৰ বহুদূৰলৈ ঘৰ-দুৱাৰ-গছ-গছনি দেখা গৈছিল। বাৰাণ্ডালৈ নদীৰ বতাহ আহিছিল। আজিকালি দৃষ্টি বেছি দূৰ নাযায়, যিপিনেই চোৱা যায় দেখা যায় মাথোঁ ওখ দালান। আজি ক'তো আগৰ দৰে মুকলি ৰ'দ-বতাহ নাপায়। হু হু কৈ মানুহ আৰু যান-বাহন বাঢ়ি উশাহ ল'ব নোৱৰা অৱস্থা হৈছে। চাৰিওপিনে পচা দুৰ্গন্ধ, জাবৰ-জোঁথৰৰ দ'ম। ভগা-ছিগা ৰাস্তা। কোনোপিনে পানী ওলাই যাব নোৱাৰে, গেলা পানীৰে উপচি পৰা নৰ্দমা। আগৰ দৰে মাথোঁ ডেও দি ৰাস্তা পাৰ হৈ ইস্কুল-কলেজ-অফিচ আদিত সোমাব নোৱাৰি, সকলোতে হেঙাৰ, ইটাৰ দেৱাল, কাঁটা-তাঁৰৰ বেৰা। মানুহ আৰু গাড়ী-ঘোঁৰাৰে ৰাস্তা ঠাঁহ খোৱা, সকলোতে মাথোঁ গণ্ডগোল, হাই-উৰুমি আৰু হেতা-ওপৰা-অশান্তি—কথা পাতিব নোৱাৰি, খোজ কাঢ়িব নোৱাৰি। আমি গা-ধোৱা ঠাইখিনিক কৈছিল শুক্লেশ্বৰ ঘাট (ওচৰৰ মন্দিৰটো শুক্লেশ্বৰ মন্দিৰ)। আজি নদীৰ পাৰত অসংখ্য সৰু-বৰ নাও-জাহাজ, কল-কাৰখানা, মানুহ আৰু যান-বাহনৰ জঁট, দুৰ্গন্ধ, ধোঁৱা, বোকা, অবিৰাম হুলস্থুল—মানুহে আজি আৰু নদীৰ

পাৰত সূর্য্যাস্ত চাবলৈ নাযায়, বতাহ ল'বলৈ নাযায়। কছাৰীঘাটৰ চিৰিবোৰ আজি নাই, পোত গৈছে। তাৰপৰা দেখা যোৱা দ্বীপটো হ'ল 'উমানন্দ' ('পৃথিৱীৰ ক্ষুদ্রতম নদী-দ্বীপ'), আমাৰ 'বান্দৰ-কেঁকোৱাৰ দ্বীপ'টো হ'ল 'কর্মনাশা'। তৰুণ ক্লাবৰ ফিল্ডখন আছিল 'চার্চফিল্ড', আঁতৰৰ ডাঙৰখন 'জজ ফিল্ড'।

সৰু ল'ৰা-ছোৱালীয়ে ইচ্ছামতে খেলা-ধূলা কৰিবলৈ চহৰত আৰু কোনো খোলা ঠাই নাই। গৃহস্থ-ঘৰৰ খোলা আগচোতাল আৰু ফুলনিবোৰো নাই, সকলোতে দালান উঠিছে। সেই পিনৰ পৰা আমি আছিলো পৰম ভাগ্যৱান। আমাৰ সৰুকালিৰ গুৱাহাটী আছিল মনোমোহা। পৰিষ্কাৰ, নির্জঞ্জাল, খোলা। মানুহৰ মনবোৰো আছিল পৰিষ্কাৰ, নির্জঞ্জাল আৰু খোলা। ঠেকাঠেকি ভিৰ আৰু বন্ধ ঠাইত মানুহৰ মনো কোঁচ খায়। দূষিত পৰিৱেশত মানুহৰ মতি-গতিও দূষিত হয়। সেই কথা ভাবিলে বুজি পাওঁ, আজিৰ ল'ৰা-ছোৱালী কিমান দুর্ভগীয়া। আমাৰ তাহানিৰ নির্মল আৰু মুকলি গুৱাহাটীত আমাৰ সৰুকালিৰ দিনবোৰো আছিল নির্মল আৰু মুকলি।

(যোৰহাটৰ 'বাল্য ভৱন'ৰ সোণালী-জয়ন্তী উপলক্ষে প্রকাশিত "আমাৰ সৰুকালিৰ দিনবোৰ"ত প্রকাশিত, ১১/০৩)

কলেজলৈ ওলগ

[এইখিনি হ'ল এজন প্রাক্তন শিক্ষকৰ অলপ স্মৃতিকথা। পঢ়ুৱৈয়ে বুজিব, 'জালুকনিবাৰীৰ গৌহাটি ইঞ্জিনীয়াৰিং কলেজ' বোলোতে কোনখন শিক্ষানুষ্ঠানৰ কথা কোৱা হৈছে। উপলক্ষ্য ঃ জি ই চিৰ পুৰণি ছাত্রসকলে স্থাপন কৰা তেওঁলোকৰ 'প্রাক্তন ছাত্র সস্থা' বা 'এলাম্‌নি এছ'চিয়েশ্যন'ৰ উদ্বোধনী অনুষ্ঠান। কলেজখনৰ লগত জড়িত নথকা মানুহে হয়তো ইয়াৰ বিশেষ আগ্রহ নাপাব, কিন্তু এজন পুৰণি শিক্ষক হিচাপে মনলৈ অহা ভাবৰাশিৰ কিছু আভাস লিপিবদ্ধ কৰি থোৱাৰ দায়বদ্ধতা অনুভৱ কৰিছোঁ।]

গুৱাহাটীত সর্বক্ষণ বিৰাজ কৰা 'ভীড়ৰ সময়' বা 'ৰাশ্‌ আৱাৰ'ৰ এটা মূর্তি হ'ল মানুহেৰে উপচি পৰা 'মিনি বাছ' নামৰ দুৰন্ত শকট, আৰু তেনেকুৱা এখন যানতে সিদিনা উঠিবলগীয়া হৈছোঁ, মৰিয়া হৈ হাতখনেৰে ধৰিবলৈ খোপনি এটা বিচাৰিছোঁ। কোনোবা শক্তিমান পুৰুষে মূৰৰ ওপৰৰ দাণ্ডাডাল তাৰ 'চকেট'ৰ পৰা টান মাৰি খুলি পেলাইছে, আৰু ইতিমধ্যেই ছয়-সাতখন হাতে সেই ঝুলন্ত পাইপডালত খামুচি ধৰিছে। হেঁচা-ঠেলা ভিৰে মোক ইপিনৰ পৰা ঠেলিছে সিপিনৰ পৰা খুন্দিয়াইছে, চেপেটা খাই খাই মই যেন হৈ পৰিব ধৰিছোঁ এটা এক-মাত্রিক জীৱ। (প্রসংগতঃ) ইংৰাজীত এযাৰ কথা আছে আমি জানো, 'চার্ডিন্‌ মাছৰ দৰে ঠাহ খোৱা', packed like sardines in a can। কিন্তু আমি বহুতে টিন খুলি তাৰ পৰা চার্ডিন খাইছোঁ আৰু আমি দেখিছো যে চার্ডিনবোৰৰ অৱস্থা আমিসব গুৱাহটীয়া বাছ যাত্রীতকৈ ভাল, সিহঁতৰ অন্ততঃ কিছু লৰা-চৰা কৰাৰ জাগা আছে—হয়তো 'গুৱাহাটীৰ চিটি বাছৰ মানুহৰ দৰে ঠাহ খোৱা' বুলিলে কথাটো বেছি অর্থৱহ হ'ব?) যি হওক, উপায়ন্তৰ হৈ মই ঠিক কৰি পেলাইছো যে একেবাৰে বেগতিক দেখিলে মোৰ সমুখৰ মানুহজনৰে ডিঙিত গৰা মাৰি ধৰি চিধা হ'ম, যি হয় হ'ব, এনেতে চকুৰ কোণেৰে লক্ষ্য কৰিলো দুশাৰী পাছৰ এখন আসনত নিজৰ ব্রীফকে'চটো এৰি থৈ এজন আদহীয়া ধৱণৰ মানুহে মোৰ পিনেই যেন আহিবৰ চেষ্টা কৰিছে—কিবাকৈ তেওঁ আহি পালেও, আৰু

ক'লে, "ছাৰ, আপুনি সৌ তাতে বহক।" ছাৰ? লৰালৰিকৈ এবাৰ চালো— মাজ বয়সত সোমাইছে ভালকৈয়ে, চুলি পাতল হ'ব আৰম্ভ কৰিছে (ওপৰৰ পিনে ইতিমধ্যে সৰু এটুকুৰা টপা), মুখত অ'ত-ত'ত কেইবাডালো ৰেখা, বগা খট আৰু ডাঠ বাইফকেল-চছ্মা, আৰু যেন অকণমান এটা উদৰৰো আভাস ..... এওঁ জানো আমাৰেই.....অ, হয়— তেওঁ লৰালৰিকৈ নিজৰ পৰিচয় দিলে—"আপোনাৰ কিজানি মনত আছে, ছাৰ, মই অমুক, ১৯৬৯ চনত ওলাইছোঁ।" ১৯৬৯? সমুখৰ এই মুখ, ১৯৬৯ চনৰ 'চূড়ান্তবৰ্ষ স্মৰণিকা'ত হয়তো যিখন মুখৰ ছবি ছপা হৈছিল, উচ্চল তাৰুণ্যভৰা যমক-পৰোৱা-নকৰা দীপ্ত মুখ, তাৰ পৰা নিশ্চয় বিৰাট বেলেগ এখন ছবি?

মুখেৰে দুটামান অৰ্থহীন আৱাজ কৰিলো, তেওঁক ধন্যবাদ দিলো, আৰু তেওঁৰ ছীটটোত গৈ বহিলো—কিন্তু নাই, সঁচা কথা ক'বলৈ গ'লে, তেওঁৰ কথা মই মনত পেলাব নোৱাৰিলো। নামটো ক'ৰবাত শুনিছোঁ যেন অস্পষ্ট ভাব এটা আহিল, কিন্তু স্মৃতিৰে তো নামৰ পিছত নাম অসংখ্যটা পাৰ হৈ গৈছে, আৰু মুখৰ পাছত মুখ। সকলোবোৰ তো মনত ৰখা সম্ভৰ নহয়, মাথোঁ বিশেষ জাকত-জিলিকা কেইটিমান, বা হয়তো যি কেইজনমানৰ লগত বিশেষ কিবা সম্বন্ধ আছিল। কিন্তু 'নাই, চিনি নাপাওঁ' বুলি খাৰাংখাচ কৈ দি তো তেওঁৰ মনত দুখ দিয়া নাযায়, গতিকে অলপ ব্যগ্রসুৰে আৰম্ভ কৰোঁ, "অ', এতিয়া ক'ত কি কৰি আছা?" তেনেধৰণৰ কথা, লগে লগে ব্যতিব্যস্ত হৈ স্মৃতিকোষবোৰ জুমি চাওঁ, কিবা মনত পৰেই নেকি।

এয়া হ'ল ডেৰকুৰি বছৰৰো অধিককাল এখন কলেজত শিক্ষকতা কৰাৰ পৰিণতি, আৰু এনেদৰেই সুদূৰ অতীতৰ পৰা অকস্মাৎ অকস্মাৎ উক দি ওলাই পৰে একো একোজন বিস্মৃত প্রাক্তন 'জি.ই.চিয়ান'। মিনি বাছৰ অভিজ্ঞতাটো এটা একক ঘটনা নহয়, এনেকুৱাবোৰ কথা প্রায়ে ঘটি থাকে। তেওঁলোকে আচলতে আশা নকৰে যে তেওঁলোকৰ নাম আমাৰ মনত থাকিব, কিন্তু যদি কিবাকৈ থাকে, স্পষ্ট পৰিস্ফুট হৈ উঠে তেওঁলোকৰ তৃপ্তি। (কথাটোৱে আমাৰ শুষ্ক 'অৱসৰপ্রাপ্ত' হৃদয়তো উম সানি দি যায়, কিয়নো এনেবোৰ মুহূর্ত হ'ল শিক্ষক-শিক্ষার্থী-সম্বন্ধৰ এক অনাবিল আনন্দৰ ক্ষণ)। মানুহ এজনৰ বাবে তেওঁৰ নিজৰ নামটো অতি গুৰুত্বপূর্ণ, আৰু ক'ৰবাত পঢ়া মনত পৰে যে এজন বিখ্যাত সেনাধ্যক্ষই (নে স্বয়ং নেপলিয়নেই?) এটা নিয়মেই কৰি লৈছিল যে তেওঁ তেওঁৰ বাহিনীৰ আটাইবোৰ সৈন্যৰে নাম

মুখস্থ কৰি থ'ব লাগিব, যাতে তেওঁ প্রতিজন সৈনিককে নাম ধৰি মাতিব পাৰে, ফলত তেওঁৰ সৈন্যবাহিনীৰ মাজত তেওঁ হৈ পৰিছিল পৰম জনপ্রিয়। প্রাক্তন ছাত্র-ছাত্রীসকলোৰে নামবোৰো যদি আমি তেনেদৰে তৎক্ষণাৎ স্মৰণ কৰিব পাৰিলোহেঁতেন!

যি হওক—যি কৈছোঁ—তেওঁলোকক কিন্তু লগ পাই থাকোঁ—ঘাই ৰাস্তাত বা অখ্যাত অলি-গলিত, দোকানে-বজাৰে, হোটেল আৰু ৰেষ্টুৰেণ্টত, বেংক বা অফিচত, বিয়াৰ অভ্যর্থনাত, ৰেলত আৰু বিমানত, হয়তো এখন টেক্সি ধৰিবৰ চেষ্টা কৰি থাকোঁতে অকস্মাৎ কলিকতাত, হয়তো যেতিয়া এজন সাৰথিৰ জৰুৰী প্রয়োজন আহি পৰিছে বাংগালোৰত। তেওঁলোকক আমি বিচাৰি উলিয়াব নালাগে, তেওঁলোকে আমাক দেখিলেই চিনি পায় আৰু কাষলৈ আহি সোধে কিবা সহায় লাগিব নেকি। হয়তো এখন খালী অট' বা বিক্সা নাপাই প্রায় চেষ্টা এৰি দিছোঁ, এনেতে এখন গাড়ী আহি ওচৰতে থামিল, চালকৰ আসনৰ পৰা 'অচিনাকি' মুখ এখন ওলাল আৰু ক'লে, 'ছাৰ, ক'লৈ যাব?' গাড়ীত উঠি বহিলো, আৰু বাহিৰ হৈ পৰিল যে তেওঁ হ'ল—বোধহয় অনুমান কৰিবই পাৰিছে—এজন সহৃদয় প্রাক্তন 'জি ই চি-য়ান্'। থিয়েটাৰৰ আন্ধাৰত বহি আছোঁ, এটা অংকৰ শেষত লাইটবোৰ জ্বলি উঠিল, আৰিষ্কাৰ কৰিলো যে মোক ঘেৰি বহি আছে—আৰু নো কোন!— এজন প্রাক্তন 'জি ই চি-য়ান্', তেওঁৰ স্ত্রী, তেওঁৰ ল'ৰা-ছোৱালী। আৰু বিদেশতো আছে বহুকেইটি ক্ষুদ্র ক্ষুদ্র প্রাক্তন জি ই চি-য়ান্-বিক্ষিপ্তি (যাক কয় ডায়াস্পৰা, diaspora), বৃটেইনত, জার্মানীত, আমেৰিকাত—হয়তো এদিন হাতত পৰিল বহুতো বিদেশী ডাকটিকট লগোৱা কাৰোবাৰ এখন চিঠি। অৱশ্যে মাজে মাজে কেতিয়াবা কিছুমান অবাঞ্ছিত ঠাইতো তেওঁলোকৰ লগত দেখা হৈ যায়, যিবোৰ ঠাইত হয়তো তেওঁলোকক লগ নাপালেই ভাল পালোহেঁতেন—ধৰক কোনো 'ভদ্রলোক'ত, বা কোনো বীয়াৰ্-বাৰত, এনেবোৰ ঠাইত। ইংৰাজীত এটা শব্দ আছে 'ইউবিকুইটাছ্' (ubiquitous), সর্বব্যাপী, আৰু যদি আপুনি ৩০ বছৰ ধৰি জি ই চি-ত আছে, আপুনি ভালদৰেই জানিব 'ইউবিকুইটাছ্' মানে কি, কিয়নো অবিশ্বাস্য ধৰণৰ অন্ধ্র ৰন্ধ্রৰ পৰা ওলাই আহি থাকে বিভিন্ন প্রাক্তন 'জি ই চি-য়ান্'! ভৱিষ্যতে যদি কোনোদিনা মই...

অর্থাৎ, প্রাক্তন শিক্ষকসকলৰো থাকে একোটি একান্ত নিজস্ব 'পুৰণি ছাত্র

সংযুক্তি', বিভিন্ন বিন্দুত সংযুক্ত এখন বিস্তীর্ণ কিন্তু শিথিল জালি (ইংৰাজীত যেনেকৈ Old Boy Network বুলি এযাৰ কথা আছে, যদিও তাৰ অর্থটো বেলেগ)। হয়তো এই জালিখন আছিল আদিৰে পৰাই অদৃঢ় আৰু শিথিল, হয়তো আমাৰ তেনেকুৱা বিশেষ অন্তৰংগতা নাছিল ছাত্রসকলৰ লগত, যিসকল ছাত্রই আজি অতবছৰৰ পিছতো মাত দিয়ে ইমান আগ্রহেৰে। (মই নিজে ছাত্রসকলৰ পৰা কিছু দূৰে দূৰেই থাকিছিলো, তেওঁলোকৰ বহুতো কার্যকলাপৰ লগত মই একমত নাছিলো, বিশেষকৈ তথাকথিত 'অসম আন্দোলন'ৰ সময়ত তেওঁলোকৰ কামবোৰৰ মই আছিলো সম্পূর্ণ বিৰোধী, কিন্তু সেইটো যেন তেওঁলোকৰ বাবে ধর্তব্যৰ কথাই নাছিল, সেইসময়ত কেম্পাছত [তথা গুৱাহাটীত] টেলিফ'ন আছিল বিৰল [পি চি অ' আদিতো নাছিলেই], আত্মগোপন কৰি থকা ছাত্র-নেতাসকলৰ লগত যোগাযোগ ৰাখিবলৈ তেওঁলোকে বিনাদ্বিধাই মোৰ আৱাসত সোমাই আহি 'চলিহা ছাৰৰ টেলিফোন'টো ব্যৱহাৰ কৰিছিল যেতিয়াই দৰ্কাৰ পৰে।)

আৰু অৱশ্যে তেনেকৈ এটি 'পু�ৰণি ছাত্রী-সংযুক্তি'ও আছে ('পু�ৰণি' মানে অৱশ্যে বুজোৱা হৈছে প্রাক্তন জি ই চি-য়ান!)। ৰাস্তাত পার্ক কৰি থোৱা গাড়ী এখনৰ কাষেৰে পাৰ হৈ গৈছোঁ, বন্ধ খিৰিকীৰ কাঁচখন লৰালৰিকৈ কোনোবাই নমাই দিছে আৰু এজনী ছোৱালীৰ মুখ এখনে বাহিৰলৈ ভুমুকি মাৰিছে—এতিয়া বিয়া হৈ গৈছে, কাষত বহি আছে এটা সৰু ল'ৰা—আ, নামটো জানো কি আছিল, বিব্রত হৈ অলপ চালে-বেৰে কোবাইছোঁ, তাই তেতিয়া নামটো কৈছে, মই লৰালৰিকৈ কৈছোঁ, ''অ, অ, হয় তো, তুমি তো অমুক, সেইটো আৰু নাজানো নে!' অলপতে সোমালো এটা টেলিফোন অফিচত সমস্যা এটা লৈ, কি কৰিম কাক লগ ধৰিম ভু পোৱা নাই, এনেতে দূৰৰ পৰা দেখা পাই আগুৱাই আহিল এগৰাকী প্রাক্তন ছাত্রী, এতিয়া ইয়াৰে এজন ডাঙৰ 'অফিচাৰ', অৱশ্যে মোৰ লেথাটোৰ লগত কোনোৰকমেই জড়িত নহয়, কিন্তু তেওঁ আন কাম বাদ দিলে, বিধি-নিষেধ আওকাণ কৰি মোক লৈ গ'ল একেবাৰে মুৰব্বী বিষয়াৰ কোঠালৈ। ইত্যাদি।

এই অতবোৰ কথাৰ বকলা মেলিলো মাথোঁ এই এটা কথাকে বুজাবলৈ যে জি ই চি-য়ানসকলৰ এখন প্রাক্তন শিক্ষার্থী সংস্থা বা এলাম্‌নি এছ'চিয়েশ্যন' (বা হয়তো ক'ৰ লাগিব 'এলাম্‌নি-বিক্ষিপ্তি') ইতিমধ্যে আছেই, চতুর্দিশে পৰিব্যাপ্ত আৰু ভাসমান এটা অসংযুক্ত, বিচ্ছিন্ন সংস্থা, মাথোঁ

এই সকলোখিনি থূপ খুৱাই ল'বলৈ লাগে এডাল 'চুম্বক'। আনন্দৰ কথা যে সেইটো এতিয়া কৰা হ'ব ধৰিছে (এই প্রাক্তন সংস্থা গঠনৰ যোগে), কিন্তু মোক আচৰিত কৰিছে আৰু বিবুদ্ধিত পেলাইছে এইটো কথাই, যে তাৰ উদ্বোধনী স্মৰণিকাখনৰ বাবে মোকো কিবা এটা লিখিবলৈ কোৱা হৈছে। কিয়নো, মই জি ই চিৰ ছাত্র নাছিলো, মই এজন 'এলাম্‌নাছ্' নহওঁ, আৰু সম্পাদকে সেইটো জানে। তেনেহ'লে? ব্যাপাৰটো কি? বহুতে হয়তো নাজানে যে এই সম্পাদক মহোদয়ৰ হাস্যৰসৰ ধাৰণা বিকট খামখেয়ালী ধৰণৰ, এইটোও তেওঁৰ কিবা এটা ধেমালি কৰি চোৱাৰ খেয়াল নহয় তো? তেওঁ এইটোও জানে যে এলাম্‌নি সংস্থাৰ সভ্যসকলে য'ত জি ই চিৰ বিষয়ে সগর্বে ক'ব পাৰে যে এইখন তেওঁলোকৰ 'চেনেহী আই' বা alma mater, মই হ'লে সদায় কৈ আহিছোঁ যে এইখন মোৰ মাথোঁ bread-and-butter, মোৰ দালি-ভাত, মোৰ জীৱিকা। অৱশ্যে এই দালি-ভাতখিনিও যে খুব প্রচুৰ কিবা এটা আছিল সেইটোও নহয়—দৰমহা গাঁথনি আৰু অন্যান্য কিবাকিবি লৈ পাৰ হৈ গৈছে বহু তিক্ত অভিজ্ঞতা, আৰু প্রায়ে মনোমানিল্য ঘটিছে অন্ততঃ দুজন অধ্যক্ষৰ লগত (কিন্তু হায়, আজি তেওঁলোক আৰু নাই—এই প্রসংগতে সোঁৱৰাই দিব খুজিছোঁ এলাম্‌নি সংস্থাৰ উদ্যোক্তাসকলক যে উদ্বোধনী অনুষ্ঠানৰ দিনা যেন তেওঁলোকৰ কথাও আমি এবাৰ স্মৰণ কৰোঁ, যিসকল আজি আৰু আমাৰ মাজত নাই।)। এই কলেজৰ প্রতি বিতৃষ্ণা আৰু তিক্ততাই কেতিয়াবা এনে সীমা পাইছেগৈ যে এবাৰ যেতিয়া প্রচলিত ৰীতি মতে 'কলেজ-প্রতিষ্ঠা-দিৱস'ৰ নিমন্ত্রণ জনাবলৈ ছাত্র একতা সভাৰ সভ্য দুজনমান আহিল, মই প্রায় অভব্য মেজাজেৰেই তেওঁলোকক ক'লো যে তেওঁলোকে বৰং 'কলেজ জলাঞ্জলি দিৱস'ৰ সময় আহিলে মোক মাতক, মই সানন্দে সেই অনুষ্ঠানৰ সভাপতি হ'ম। ল'ৰাহঁতে বোধহয় মাথোঁ মুখটিপি হাঁহিলে, আৰু এইবোৰ অপ্রীতিকৰ ঘটনা সত্ত্বেও তেওঁলোকে ভাবিবলৈ নেৰিলে যে আমি জীণ নোযোৱা কেইজনো তেওঁলোকৰ ছাত্র-জীৱনৰ আৰু তেওঁলোকৰ কলেজৰে অবিচ্ছেদ্য অংশ (ওপৰত উল্লিখিত ঘটনাকেইটাই যাৰ প্রমাণ)—হঠাৎ বহুদিনৰ মূৰত ক'ৰবাত দেখা হৈ গ'লে তেওঁলোকৰ মুখত যিটো আনন্দৰ ঝলক উদ্ভাসি উঠে, সেইটো একেবাৰে অকৃত্রিম আৰু স্বতঃস্ফূর্ত। তেওঁলোকৰ এই পুলকৰ কাৰণ হয়তো নিছক এইটো নহয় যে চলিহা ছাৰক দেখা পাই গ'ল, বৰং হয়তো 'চলিহা ছাৰ' হ'ল তেওঁলোকৰ

সেই সোণালী সময়ৰ এটা স্মাৰকচিহ্ন, তেওঁলোকৰ ভৰযৌৱনৰ ভৰদুপৰীয়াৰ স্মৃতিবাহক। হয়তো জি ই চি হ'ল একধৰণৰ কৰাল বা বন্ধনী শক্তি, যাৰ পৰিসৰ জালুকনিবাৰী এৰাই বহু বহু দূৰলৈ ব্যাপ্ত, কেম্পাছৰ অতি-সংক্ষিপ্ত আবাসকালৰ গণ্ডী অতিক্রমি সুদূৰ ভৱিষ্যতলৈ বিস্তৃত যেন, এক ধৰণৰ নাভি-ৰজ্জু বা umbilical cord, যিডাল আচলতে কাহানিও বিচ্ছিন্ন হৈ নাযায়। মইকেল ফেৰাডে আছিল কমাৰৰ ল'ৰা, লুই পাষ্ট্যৰ আছিল চর্ম সংস্কাৰকৰ সন্তান। ফেৰাডেৰ শৈশৱৰ শব্দবোৰ আছিল কমাৰশালৰ সাঁজুলিৰ ঝন্‌ঝন্‌নি আৰু নিয়াৰিৰ ওপৰত হাতুৰী পিটাৰ আৱাজ। পাষ্ট্যৰৰ ল'ৰালি কাটিছিল চর্মশালাৰ গোন্ধবোৰৰ মাজত। যেতিয়া ফেৰাডে ডাঙৰ হ'ল আৰু বিখ্যাত আৰু ব্যস্ত হৈ পৰিল, প্রায়ে তেওঁৰ মন আকুল হ'ল কমাৰশালৰ শব্দবোৰ শুনিবলৈ। যেতিয়া পাষ্ট্যৰ্ ডাঙৰ হ'ল আৰু বিখ্যাত আৰু ব্যস্ত হৈ পৰিল, সঘনাই তেওঁৰ মনলৈ আকাংক্ষা আহিল চর্মশালাৰ গোন্ধ এচাটি পাবলৈ। জীৱনৰ কিছুমান সময়ে মানুহৰ মনোজগতত ৰাখি যায় এনেকুৱা কিছুমান অমোচনীয় প্রভাৱৰ সাঁচ। ধাৰণা হয়, জি ই চি-য়ানসকলৰ বাবে এনেকুৱা সময়ছোৱা হ'ল জালুকনিবাৰীত তেওঁলোকৰ চাৰি-পাঁচবছৰীয়া ছাত্রজীৱন।

গতিকে দেখা যায় যে যদিও মই এই এলাম্‌নি সন্থাৰ বাহিৰৰ মানুহ, সম্পাদক মহোদয়ে মোকো তাত সাঙুৰি ল'বলৈ গৈ একো ভুল কৰা নাই। কিয়নো 'এলাম্‌নাছ্' শব্দটোৰ আভিধানিক অর্থতকৈ তাৰ মর্ম (spirit)টোহে আচল কথা। শব্দবোৰ স্থবিৰ নহয়, সেইবোৰৰ তাৎপর্য্য পৰিৱর্তনশীল। এসময়ত আমি যেতিয়া কৈছিলো যে 'অমুক এজন নেতা', আমি বুজিছিলো যে তেওঁ এজন নিঃস্বার্থ দেশপ্রেমী দেশসেৱক, কিন্তু আজি 'নেতা' বুলিলে মানুহে বুজে ঠিক তাৰ বিপৰীত। (ইংৰাজীত আগেয়ে gay শব্দটোয়ে বুজাইছিল 'ৰঙিয়াল মানুহ', কিন্তু আজি যদি কোৱা হয় যে 'অমুক এজন gay মানুহ', হয়তো শুনোতাই চক খাব, কিয়নো আজিকালি gay শব্দটোৰ অর্থ একেবাৰে বেলেগ কিবা এটা বস্তু)। আৰু শব্দ এটাৰ 'বৈধ' মানেটোৰ উপৰিও তাৰ ভাবার্থটোও বাছি ল'ব পাৰি ('বিধি'বোৰবোতো থাকে বহুতো উপবিধি আৰু সুৰুঙা)। যেনে, 'শিক্ষক' শব্দটো। কেতিয়াবা পৰীক্ষা-কোঠালিত কোনোবা নিৰুপায় পৰীক্ষার্থীয়ে কোনো প্রশ্নৰ বিষয়ে মোক কিবাকিবি সোধে, হয়তো এই আশাত যে মই তেওঁক অলপ সহায় কৰি দিম। মই সংক্ষেপে কৈ দিওঁ, কি উত্তৰ

দিব লাগিব—অৱশ্যে সম্পূর্ণ উত্তৰটো নহয়, মাথোঁ এটা সৰু ইংগিত বা পাহৰি যোৱা কথাখিনি মনত পেলাই দিবলৈ এটা মন্তব্য। মই এইবোৰ কৰা দেখি এজন সহ-নীৰিক্ষকে এদিন মোক মৃদু ভর্ৎসনা কৰিলে। মই ক'লো, "চাওক ভাই, ইয়াত আমি হ'লো শিক্ষক, আৰু আমাৰ কাম হ'ল শিক্ষা দিয়া। শিক্ষাদানৰ কামটো আমি অকল ক্লাছ ৰুমতহে কৰিব লাগিব, এনেকুৱা কিবা কথা আছে নেকি? মই তো ভাবোঁ, পৰীক্ষা-কোঠাতো মোৰ কাম হ'ল শিক্ষা দি যোৱা। যদি মই পৰীক্ষাৰ মাজতে ল'ৰা এজনক কিবা এটা কওঁ, তেনেহ'লে এইটোও আশা কৰিব পাৰোঁ যে কথাটো তেওঁৰ মনত থাকি যাব—অর্থাৎ মই তেওঁক কিবা এটা শিকালো, মোৰ কাম মই কৰিলো। একো তো দোষ কৰা নহ'ল, নে নহয়?" তেওঁৰ মতে, নহয়। তেওঁৰ মতে, ইয়াত পক্ষপাতিত্ব আহি যায়, কিয়নো যিসকল পৰীক্ষার্থীয়ে মোৰ পৰীক্ষা-কক্ষৰ 'শিকনি' নাপালে, তেওঁলোকৰ প্রতি অন্যায় কৰা হ'ল। তেওঁৰ আপত্তিটো মই খণ্ডন কৰাৰ চেষ্টা নকৰিলো। যি হওক, দুদিনমান পাছত আন এটা পৰীক্ষাত তেওঁ লক্ষ্য কৰিলে যে ল'ৰা এজন অংক এটাত বজি গৈ ঘামি-জামি বিভ্রান্ত হৈ পৰিছে, কিয়নো ইতিমধ্যে প্রথম 'ৱার্ণিং' ঘণ্টাটো পৰিছে—তেওঁ একমুহূর্ত ভাবিলে, মন স্থিৰ কৰি পেলালে, ল'ৰাজনৰ ওচৰলৈ গৈ বিৰবিৰাই যেন ক'লে, "$x = a \tan\theta$ বহুৱাই চোৱা", আৰু তাৰ পৰা আঁতৰি গ'ল। পৰীক্ষা-ঘৰ খালী হৈ যোৱাৰ পিছত মই তেওঁক (অৱশ্যেই অলপ খুশমেজাজী সু�ৰত) ক'লো, "যাক, আজি আপুনি ল'ৰাজনক যি শিকাই দিলে, সেই কথা তেওঁ সহজে নাপাহৰিছে। একো তো দোষ কৰা নহ'ল, নে নহয়?" (তেওঁ বোধহয় এইবাৰ কথাটো মানিলে, নাজানো)। মানে, যি ক'ৰ খুজিছো সেইটো এই যে 'শিক্ষক' শব্দটো অকল শ্রেণীকোঠাৰ লগতেই জড়িত থাকিব নালাগে। প্রয়োজনসাপেক্ষে শব্দবোৰৰ পৰিসৰ বিস্তৃত বা অভিযোজিত কৰি ল'ব পাৰি।

তেনেদৰে, 'জি ই চিৰ এলাম্‌নাছ্' কথাষাৰে অকল তাত পঢ়ি অহা ছাত্র-ছাত্রীসকলেই নুবুজায়, সেয়ে নিশ্চয় সম্পাদক ডাঙৰীয়াই কথাষাৰ বহল অর্থত লৈ মোৰ দৰে এজন আও-বাহিৰা ব্যক্তিক তেওঁলোকৰ স্মৃতিগ্রন্থৰ পৃষ্ঠালৈ মাতিছে। শিক্ষক হিচাবে কেনেকুৱা আছিলো নাজানো, কিন্তু ৰৈ ৰৈ যে অপ্রত্যাশিতভাৱে পুৰণি ছাত্র-ছাত্রীৰ একো একোখন আনন্দিত মুখ চকুৰ সমুখত আজিও উদ্ভাসি উঠিছে, সেইটো মোৰ প্রিয়তম প্রাপ্তি, আৰু তাৰ বাবে মই জি ই চিৰ ওচৰত কৃতজ্ঞ। সেই কৃতজ্ঞতা প্রকাশ কৰাৰ এই এটা সুযোগ। গতিকে

ময়ো এয়া নির্বিচাৰে পঘা-ছিঙা-গৰুৰ দৰে বেৰা-জেওৰা ভাঙি-ছিঙি তেওঁলোকৰ উদ্বোধনী সমাৰোহলৈ সোমাই আহিছোঁ, কিন্তু মোৰ বিশ্বাস যে তেওঁলোকে ৰেয়া নাপাব। চিয়ার্ছ!

...অ, যি কৈছিলো ঃ ভৱিষ্যতে যদি কোনোদিনা মই গৈ মংগলগ্রহত অৱতৰণ কৰোঁ, বা এণ্ড্রমিডা নীহাৰিকাৰ কোনো গ্রহত, আৰু শুনো যেন পিছপিনৰ পৰা কোনোবাই কৈছে, "ছাৰ, আপুনি কেতিয়া আহিল?" তেনেহ'লে মই মূৰ ঘূৰাই চোৱাৰ দৰ্কাৰ নাই, নিশ্চিত বুজিম যে সেইজন হ'ব—এইটোও নিশ্চয় বুজিবই পাৰিছে—এজন সদা-সহৃদয় প্রাক্তন জি ই চিয়ান্!

* মূল ইংৰাজী "Here's to the Alumni", স্মৃতিগ্রন্থত প্রকাশিত (সামান্য পৰিৱর্তিত)।

('গৰীয়সী', ডিচেম্বৰ ২০০৩)

পুৰণি পাণবজাৰ

সত্যজিৎ চেটার্জিৰ হাতত হয়তো এটা সিকি, মোৰ জেপত বোধহয় এটা আধলি, দ্বিজেন শর্মাৰ জেপত এখন এটকীয়া নোট—ঘৰৰ পৰা ঔষধ এটা কিনিব দিছে, তাৰে তিনি অনামান বাচিব, আন এজনৰ হাতত এটা নে দুটা দুআনী—হে যাব, 'জিল্কাৰ তাত' (মানে জিলিকাৰাম দাসৰ চাহৰ দোকানত) এক 'চিংগিল্'-কৈ চাহ আৰু এখন এখন নিমকি হে যাব—ঠিক আছে, তাতেই সোমাওঁ তেনেহ'লে...ৰাস্তাৰ ওপৰতে উত্তেজিত তর্কাতর্কি চলি আছিল (মানুহ-মটৰ বিৰল, ধূলি নাই, গণ্ডগোল নাই, ৰাস্তাৰ সোঁমাজতে থিয় হৈ তেতিয়া কথা পাতি থাকিব পাৰি—তেতিয়া ফুটপাথো নাছিল, তাৰ দৰকাৰো নাছিল) তাৰ মাজতে বোধহয় ডিঙি শুকাই যোৱাত কোনোবা এজনে চাহৰ প্রস্তাৱটো উত্থাপন কৰিলে, বাদানুবাদ বন্ধ হৈ গ'ল, সকলোৱে সেইটো মঞ্জুৰ কৰি দিলে। দোকানৰ ভিতৰতো চাহ খাই খাই বন্ধ হৈ যোৱা তর্কাতর্কিখিনি পুনৰ আৰম্ভ হ'ল—দ্বিজেন শর্মাই কৈছে যে ভাৰতীয় কমিউনিষ্ট পার্টি হ'ল মস্কোৰ দালাল, '৪২-ৰ আন্দোলনৰ সময়ত বৃটিছক সহায় কৰিছিল, কমিউনিষ্ট পার্টি এটা দেশদ্রোহী পার্টি, আৰু সত্যজিতে কৈছে যে কংগ্রেছৰ আন্দোলন হ'ল টাটা-বিড়লাৰ স্বার্থ ৰক্ষা কৰিবলৈ বুর্জোৱা পার্টিৰ আন্দোলন, ২য় মহাযুদ্ধত বৃটিছৰ বিৰোধিতা কৰা মানে ফেচিষ্ট শক্তিক সহায় কৰা, ইত্যাদি ইত্যাদি—বিবাদৰ অৱশ্যে শেষ নাই, কোনেও হাৰ নামানে—তাৰ পিছত পইচা দি সবে ওলাই আহি ৰাস্ত পালো। তেতিয়া আবেলি হৈছে, কিন্তু কিছু ৰ'দ আছে, সত্যজিৎ আৰু দ্বিজেনে তেতিয়াও কথা কাটাকাটি কৰি আছে, তেনেকৈয়ে প্রায় চিঞৰি চিঞৰি আহি অলপ দূৰত উত্তেজনাবশতঃ ৰৈ গ'ল, সত্যজিতে আঙুলি টোঁৰাই ভীতিপ্রদর্শনৰ ভংগীত দ্বিজেনক কিবা এটা কৈছে, দ্বিজেনেও প্রত্যুত্তৰত হাত জোকাৰি জোকাৰি সত্যজিতক সাৱধান কৰি দিছে—সমুখত এখন সৰু খোলা গেট, কাজিয়া কৰি কৰি দুয়ো যেন অন্যমনস্কভাৱে ভিতৰলৈ সোমাই গ'ল, আমি বাকীকেইজনেও লগে লগে সোমাই গ'লো। সোমায়েই দেখিলো এটা মজলীয়া আকৃতিৰ কোঠালি, দুৱাৰ খোলা, তাত এখন ব্লেকব'র্ড, এযোৰ চকী-মেজ আৰু

কেইশাৰীমান ডে'স্ক-বে'ঞ্চ, খোলা খিৰিকিৰে শেষ সূর্য্যৰ ৰেঙণি আহি ডে'স্ক্‌বোৰৰ ধূলি আৰু বেৰৰ মকৰাজালবোৰ স্পষ্ট কৰি তুলিছে। সেয়া হ'ল পাণবজাৰ ছোৱালী হাইস্কুলৰ এটা শ্ৰেণী, ইস্কুল কেতিয়াবাই ছুটী হৈ গৈছে, কোনো জনপ্ৰাণী নাই, ইস্কুলৰ চৌহদৰ ভিতৰত তেতিয়া হোষ্টেল হোৱা নাই, চকীদাৰ-জাতীয় কোনো মানুহবো দেখা-দেখি নাই। আমি বেঞ্চিত বহিলো, দ্বিজেন আৰু সত্যজিতে থিয়ৈ থিয়ৈ তৰ্ক কৰি গ'ল, তাৰ পিছত হঠাৎ সত্যজিতে বেঞ্চিৰ ওপৰত থিয় হৈ বক্তৃতা দিব ধৰিলে (তেতিয়াৰ কমিউনিষ্ট পার্টিৰ ফণী বৰা, চুচেন ভূঞা আদিয়ে যেনেকৈ টেবুল-চকীৰ ওপৰত থিয় হৈ বক্তৃতা দিছিল), দ্বিজেন শর্মাইও মেজখনৰ ওপৰত জাঁপ মাৰি উঠি প্ৰত্যুত্তৰ দিবলৈ আৰম্ভ কৰিলে, মার্ক্স-এংগেল্‌ছৰ পৰা দুটামান উদ্ধৃতি আওৰালে, ''কমিউনিষ্ট মেনিফেষ্ট''ৰ কোনটো কথা ভাৰতবর্ষত প্ৰযোজ্য নহয় সেইটো ব্যাখ্যা কৰিবলৈ ওলাল, এনেতে সকলোৱে সচকিত হৈ দেখিলো চকীদাৰজন আহি ওলাইছে, অবাক হৈ আমাক চাই আছে। আমি বেঞ্চিৰ পৰা উঠি থিয় দিলো, সত্যজিৎ আৰু দ্বিজেন মজিয়ালৈ নামিল, বিবাদ বন্ধ হৈ গ'ল, কোনোবা এজনে চকীদাৰৰ জিজ্ঞাসু মুখলৈ চাই এটা হাঁহি মাৰিলে আৰু ক'লে, ''এ—আমি কথা এটা ডিছ্‌কাছ্‌ কৰিছিলো—বাৰু যাওঁ দিয়া'', এইবুলি গোটেইকেইজন তাৰ পৰা ওলাই আহিলো (সেই সময়ত 'দুঃখিত' বা 'Sorry', 'অনুগ্ৰহ কৰি', 'ধন্যবাদ' আদি শব্দ কোনেও ব্যৱহাৰ নকৰে, কথাৰ সুৰ বা মুখৰ অভিব্যক্তিয়েই সেইবোৰ বুজায়, চকীদাৰেও যি বুজিব লাগে বুজিলে)। দ্বিজেন শর্মাৰ ভাৰতীয় সাম্যবাদৰ ব্যাখ্যা সেইদিনা তাতেই বন্ধ হ'ল। তেওঁ সৰুৰে পৰাই য'তে যি পায় পঢ়ে—শান্তিপুৰৰ আৰ্.চি.পি.আই. নেতা তথা অধিবক্তা উপেন শর্মাৰ ভায়েক—পাছলৈ ভালকৈ অর্থনীতি পঢ়িলে, কিছুদিন চুইডেনতো অধ্যয়ন কৰিলে, মাজে মাজে গল্প, সমালোচনা সাহিত্য, বোলছবি আদিৰ প্ৰবন্ধপাতি লেখে, কিছুদিন আগেয়ে অসম চৰকাৰৰ বিশেষ বিষয়া হিচাবে অৱসৰ লৈছে; সত্যজিৎ আছিল আমাৰ পাড়াৰে, ৰোমাণ্টিক প্ৰকৃতিৰ, গান-টান গায়, ছবি আঁকাৰ বিৰাট আগ্ৰহ, পাছলৈ অসম চৰকাৰৰ জনসংযোগ বিভাগৰ চিত্ৰশিল্পী হ'ল, আজি দুবছৰমান আগেয়ে ঢুকাইছে; সত্যজিতৰ বিয়োগত আমাৰ ভিতৰত আটাইতকৈ বেশি শ্বক্‌ পালে বোধহয় দ্বিজেন শর্মাই।

অৱশ্যে অকল মাজ-ৰাস্তা বা চাহৰ দোকানেই যে আমাৰ গল্প-গুজবৰ ঠাই আছিল সেইটো নহয়। 'জিল্কাৰ দোকান'ৰ পৰা দক্ষিণলৈ আগুৱাই গ'লে

কলেজিয়েট স্কুলৰ হ'ষ্টেল, সেইটো পাৰ হৈ এটা লে'ভেল্‌-ক্ৰছিং আৰু ৰেললাইন—তেতিয়া ফ্লাইঅ'ভাৰ হোৱা নাই, পল্টনবজাৰ পর্যন্ত একেটা ৰাস্তা, গৌহাটি-শ্বিলং ৰ'ড, তাৰ সিপিনে বাওঁহাতে এটা মেটেকাভর্তি পুখুৰী—য'ত আজিকালি এটা অগ্নিনির্বাপক বাহিনীৰ আস্থান। তাৰ পৰা সোঁহাতে ঘূৰিলে পুলিচ ৰিজার্ভ, ছাত্ৰীবাৰীৰ গলি—য'ত আমাৰ লগৰ দুজনমান আছিল। বাওঁহাতে ঘূৰি কিছুদূৰ গৈ পাক এটা ঘূৰিলে খোলা, আহল-বহল নিউফিল্ড (সমুখত আজিৰ দালান-দোকান-বজাৰবোৰ নাই)—য'ত মাজে মাজে গৈ ডাঙৰ ডাঙৰ টীম্‌বোৰৰ ফুটবল—ক্ৰিকেটৰ খেলবোৰ চাওঁ। পাণবজাৰত—য'ত আমাৰ ঘৰ আছিল—সন্ধিয়াখিনি কটাই দিবলৈ এটা জাগা আছিল হৰিসভা। পাণবজাৰ ছোৱালী হাইস্কুলৰ পৰা অলপ দূৰ আহি চুকৰ বংশী মহাজনৰ গেলামালৰ দোকানখনৰ কাষেৰে ঘূৰি আৰু দুখোজমান আহিলে পোৱা যায় অভি-মহাজনৰ ঘোঁৱাগাড়ীৰ (ঘোঁৱাবাগীৰ) আস্থান (ঘোঁৱাগাড়ী তেতিয়া গুৱাহাটীৰ মানুহৰ 'টেক্সি'), তাৰ পিছত ৰাণীবাৰীৰ গলিৰ মুখত বিশ্ববিদ্যালয়ৰ ৰেজিষ্ট্ৰাৰ চিদানন্দ দাসৰ ঘৰ (তাৰ মুখামুখি কলেজিয়েটৰ আমাৰ শিক্ষাগুৰু হৰমোহন দাসৰ ঘৰ—এইবোৰ তেতিয়া সৰু সৰু অসম-আর্হিৰ ঘৰ, দুৱাৰ-খিৰিকি খোলা—মাথোঁ ৰবীন নবিশ। উপেন নবিশহঁতৰ ঘৰটো কাঠৰ দুমহলীয়া), তাৰ পিছত কটনৰ গণিতৰ অধ্যাপক 'শিবুবাবু'ৰ (শিবপ্ৰসাদ ঘোষৰ) ঘৰ পাৰ হৈ হৰিসভা, য'ত দুর্গা পূজা হয়। হৰিসভাৰ দুপিনৰ ৰাস্তাৰ দুখন গে'ট দিনৰ ভাগত (বোধহয় ৰাতিও) সদায় খোলা থাকে, মানুহে হৰিসভাৰ মাজেৰে অবাধে ইটো ৰাস্তাৰ পৰা সিটো ৰাস্তালৈ যায়। পূজাস্থলীৰ মুখামুখি ডাঙৰ ঘৰটোৰ চাৰিওপিনে বেলিং, সেই বেলিঙত বহি বহি আমি কেতিয়াবা সন্ধিয়া চিগাৰেট খাওঁ, আড্ডা মাৰোঁ—বেছিভাগেই ওচৰ-কাষৰৰ বঙালী ল'ৰা, কিন্তু তেতিয়া সেইটো কথা মনলৈয়ে নাহে, লগৰ ল'ৰা মানে লগৰ ল'ৰা—কোনোবাই মাজে মাজে গানো গায়, চহৰত চলি থকা চিনেমাবোৰৰ কথা (ঘাইকৈ হিন্দী আৰু বঙালী, কেতিয়াবা দুই-এখন ইংৰাজীও), ৰাজনৈতিক বিতর্ক, হয়তো নতুন কোনো কিতাপৰ কথা (কিতাপ-আলোচনী বোলোতে তেতিয়া ঘাইকৈ বঙালী, এড্‌ভেঞ্চাৰ আৰু ডিটেক্‌টিভ উপন্যাস, 'প্ৰবাসী', 'ভাৰতবর্ষ', 'দেশ' আদি আলোচনী, Filmindia ...কিতাপৰ বিনিময়ো চলে—পাণবজাৰ ছোৱালী হাইস্কুলৰ গলিটোৰ গাতে লগা এটা সৰু লাইব্ৰেৰীও আছিল)—আৰু অৱশ্যেই, বিভিন্ন ছোৱালীৰ কথা...অথবা নদীৰ পাৰ, ঘাইকৈ কছাৰীঘাট।

শুক্রেশ্বৰ মন্দিৰৰ একাষে আছিল এটা ব্যায়াম-ক্লাব, তাৰ পিছপিনেও আছিল এটুকুৰা নির্জন জাগা, য'ত শিলৰ ওপৰত বহি লৈ নদী চাই চাই কথা পাতি কিছু সময় কটাই দিব পাৰি। কাছৰী-ঘাটত দীঘল দীঘল খটখটি নামি গৈছে নদীলৈ, তাত বহি মানুহে জুৰ বতাহ লয়, বেলিমাৰ চায়, কথা পাতে। আমি অৱশ্যে তাত নবহোঁ। কছাৰীঘাটৰ পশ্চিমৰ পিনে এটা সৰু টিলাৰ ওপৰত আছিল এটা অসম-আৰ্হিৰ পকীঘৰ (আজিও আছে)। সেইটোক মানুহে 'চি.আই.ডি.অফিচ' বুলি জানে। তাৰ পিছপিনে এটুকুৰা ঘাঁহনি আৰু ঘৰটোৰ পিছপিনৰ কেইখনমান চিড়ি, আবেলি সেইবোৰত গৈ মানুহ বহে, কথা পাতে, তলত উৰ্বশী-উমানন্দ-কৰ্মনাশা, দূৰত উত্তৰ গুৱাহাটী। খুব বেছি মানুহ নাযায় (অৱশ্যে অশোকাষ্টমীৰ দিনা আৰু দুর্গা পূজাৰ দশমীৰ দিনা তাত মানুহে ভীৰ কৰে, তাৰ পৰা মানুহে গা-ধোৱা চায়, পূজা কৰা চায়, ওপৰত ৰভা তৰি চকী-মূঢ়া পাৰি লৈ প্রতিমা-বিসর্জন চায়)। আমিও মাজে মাজে তাত গৈ বহোঁ, কথা পাতোঁ, গান গাওঁ, লুইতৰ বুকুত টোৰ খেলা চাওঁ, পানীত শেষ সূৰুযৰ ৰঙৰ পৰিৱর্তন চাওঁ, নাও, জাহাজ। তাৰ পিছত এন্ধাৰ হৈ আহিলে তাৰ পৰা নামি আহি পৌৰ নিগমৰ কার্যালয়টোৰ সমুখত প্রকাণ্ড বটগছডালৰ তলত অলপ ৰওঁ, গছডালৰ কোনোবা খোৰোঙত এডাল কেকোঁ-সাপে কেঁ-ক্কো-কেঁ-ক্কো শব্দ কৰে, আমি গস্তি কৰোঁ কেইবাৰ তেনেকৈ মাতিলে (যিমানবাৰ মাতে আৰু তিমান বছৰ হেনো সি জীয়াই থাকিব), আধা-আন্ধাৰত বিশাল গছডালৰ তলত সেই কেকোঁ-সাপৰ আ�ৰাজে এটা থম্‌থম্ ভাবৰ সৃষ্টি কৰে। অৱশ্যে কেতিয়াবা তাত আন্ধাৰ নাথাকে, এতিয়াৰ ষ্টেট বেংক আৰু পৌৰ নিগম অফিচৰ মাজত আছিল এটুকুৰা খোলা ঘাঁহনি, তাত কোনোবা দুই-চাৰিজন ল'ৰাই কেতিয়াবা পেট্রা'মাক্স লণ্ঠন আৰি দি বাঁহ পুতি নেট্ তৰি লৈ বেডমিণ্টন খেলে, আমি অলপ সময় সেই খেল চাওঁ। আমাৰ নিজৰ খেল-পথাৰ বুলিবলৈ কোনো নির্দিষ্ট ঠাই নাছিল, চাছফিল্ড বা জজ-ফিল্ডত সাধাৰণতে বহু ঠাই খালি থাকে, মন গ'লে তাৰে কোনোবাখিনিত ফুটবল বা ক্রীকেট খেলো। ভলীবল বা বেডমিণ্টন তেনেকৈ ক'তো খেলা মনত নপৰে।

কছাৰীঘাটৰ পূবপিনে আছিল 'বাৰ্ লাইব্রেৰী', তেতিয়া এটা অলপ বহল ধৰণৰ অসম-আৰ্হিৰ ঘৰ, দৰজা-খিৰিকীৰে জুমি চালে দেখা যায় বেৰত বিভিন্ন আইনজীৰী তথা পৌৰ-প্রশাসকৰ ছবি। দিনটো তাত উকীল-মক্কেলৰ ব্যস্ততা বিৰাজ কৰে, চাৰিটামান বজাৰ পিছত ঘৰ খালি হৈ যায়, সকলো নিজান। এই

ঘৰটোৰ চাৰিওপিনে আছিল কাঠৰ ৰেলিঙেৰে ঘেৰা বহল বাৰাণ্ডা, কেতিয়াবা আমি তাৰ পিছপিনৰ ৰেলিঙত ভৰি মেলি দি খুঁটাত মূৰ থৈ আৰামকৈ বহোঁ, কথা পাতোঁ, গান গাওঁ, হাঁহি-ধেমালি কৰোঁ (লুকাই চিগাৰেট খাবৰ কাৰণেও বৰ সুবিধাৰ ঠাই!)

সন্ধিয়া 'বিজুলী' 'ৰূপায়ণ' আদি চিনেমাঘৰত আৰু পাণবজাৰৰ 'ভৰালী ব্রাদার্ছ'ত লাউড্‌স্পীকাৰত গান দিয়ে, মানুহে তাতে কিছু সময় ৰৈ গান শুনে; 'ভৰালী ব্রাদার্ছ'ৰ সমুখৰ 'গৌহাটি বেংক'ৰ বাৰাণ্ডাত কোনোবাই ফুলৰি ভাজি থাকে, হাতত পইচা থাকিলে গান শুনি শুনি গৰম গৰম ফুলৰি খোৱা হয়।

অথবা হয়তো ইপিনে-সিপিনে উদ্দেশ্যহীন খোজকঢ়া, কিবাকৈ কাৰোবাৰ চাইকেল এখন পালে মহানন্দে চহৰ-পৰিভ্রমণ, গাড়ী-ঘোঁৰাৰ ভীৰ নাই, ৰাস্তা মুকলি, মুখত বতাহ, চাইকেল চলাই মহাস্ফূর্তি, সমুখত ছাগলী এটা দেখিলেই টিলিঙা বজাওঁ (অন্যথায় টিলিঙাৰ দৰকাৰেই নপৰে যে!)—অৱশ্যে তেতিয়া ভ্রমি ফুৰিবলৈ বিশেষ পৰিসৰ নাই, পূবে চানমাৰী পাৰ হ'লে চহৰ শেষ, পশ্চিমে কামাখ্যালৈ উঠা বাটটো পাৰ হৈ গ'লে গুৱাহাটী বুলিবলৈ আৰু বিশেষ একো নাই, দক্ষিণে উলুবাৰী এৰিলে ধানখেতি আৰু সৰু সৰু জনজাতীয় বসতি, কেতিয়াবা যদি দুই-চাৰিজনে মিলি দুখনমান চাইকেল যোগাৰ কৰি পাণ্ডু পর্যন্ত গৈছোঁ সেয়া যেন এক ডাঙৰ এড্‌ভেঞ্চাৰ—ৰাস্তাত কি কি অভিজ্ঞতা হ'ল সেইবোৰ লৈ হয়তো পিছদিনাও কথা পাতোঁ। তেতিয়াৰ চাইকেলবোৰৰ পিছ-চকাৰ হাব্‌-ত খটোৱা থাকিছিল এটুকুৰা সৰু ধাতুৰ নলী, তাৰ নাম 'ফুট্-ষ্টে'প্', এজনে চাইকেল চলায়, আন এজনে ফুট্‌ষ্টেপত বাওঁভৰি থৈ সোঁভৰি ৰাখে পিছপিনৰ মাড-গার্ড বা কেৰিয়াৰত, আৰু তেনেদৰে থিয় হৈ চালকৰ কান্ধত হাত-ৰাখে, তেনেকৈ দুজনে মিলি চাইকেল চৰে।

* * *

কিন্তু চি.আই.ডি. অফিচৰ টিলাটোলৈ আজি আৰু যোৱা নাযায়, তাত পকী দেৱাল, লোহাৰ গে'ট, তলা, চত্তৰী। আৰু বাৰ্-লাইব্রেৰীটো আবেলি এটা ডাঙৰ বন্ধ দালান। হৰিসভাৰ দুয়োখন গে'টত তলা। শুক্রেশ্বৰ মন্দিৰৰ বাহিৰ-ভিতৰ মানুহে গিজগিজাই থাকে। বাস্তাৰ সোঁমাজেদিতো নহয়েই, দাঁতিৰ ফুটপাথতো ভীৰৰ আতিশয্যত খোজ কাঢ়িব নোৱাৰি। চার্চ্ ফিল্ড, জজ ফিল্ড, নিউ ফিল্ড ক'তো সোমাব নোৱাৰি, সব দেৱালেৰে ঘেৰা, তলা মৰা। সব বন্ধ। নলা-নর্দমাও

সব বন্ধ, মাথোঁ ধূলি, বোকা, লেতেৰা পানী, গেলা-পচা দুর্গন্ধ, জাবৰৰ দ'ম, ভীৰ আৰু অবিশ্রান্ত হৈ-হাল্লা... যিবোৰ সৰু সৰু ঘৰৰ কথা উল্লেখ কৰিলো, সেইবোৰ ঠাইত আজি মস্ত ওখ ওখ অট্টালিকা, এতিয়া আৰু দূৰৰ বস্তু দেখা নাযায়, আকাশখনেই যেন দেখা নাযায়—অর্থাৎ আমাৰ সেই উন্মুক্ত, সুশীল পৰিবেশ আজি মাথোঁ যেন এক কল্পস্মৃতি তেতিয়াৰ, যেতিয়া চহৰত আমাৰ কাৰো বাবে ক'তো কোনো হেঙাৰ নাছিল, ক'তো দেৱাল নাছিল, কাঁটা-তাঁৰৰ বেৰ নাছিল, তলা নাছিল, সর্বত্র অগম্য ঘিঞ্জি নাছিল... তাৰ মানে, আমি কি আছিলো একেবাৰে পঘা-চিঙা গৰু? আমাৰ ওপৰত কাৰো কোনো নিয়ন্ত্রণ নাছিল? আছিল, একধৰণৰ নিয়ন্ত্রণ সদায় আছিল—আমাক নিয়ন্ত্রিত কৰিছিল পৰম্পৰাই (আৰু হয়তো কিছুদূৰ সংস্কাৰেও) কিছুমান সৰু সুৰা বাধা-নিষেধ বা কর্তব্য এনেকুৱা যেন বোধ হৈছিল যে সেইবোৰ তো দেখ্‌দেখ্‌কৈ পালিবলগীয়া কথাই—যেনে, সন্ধিয়া চাকি জ্বলাৰ পিছত যেন বাহিৰত নাথাকোঁ। কেতিয়াবা কোনো চিনেমা বা কিবা বিশেষ উপলক্ষ্যত ক'ৰবালৈ যাবলগীয়া হ'লে ঘৰৰ অনুমতি লৈহে যাব পাৰিম, কেইটাবজাৰ ভিতৰত আহি ঘৰ সোমাম সেইটোও কথা দি যাব লাগিব, পুৱা-গধূলি মুখ-হাত ধুই পঢ়িব বহিম, ডাঙৰক যথাযোগ্য সম্বোধন কৰিম, তেওঁলোকক দেখিলে বহাৰ পৰা উঠি থিয় দিম, ঘৰৰ ছোৱালীয়ে সন্ধিয়া তুলসীতলত চাকি এটি জ্বলাই দিব বা গোসাঁইৰ আগত ধূপ এডাল দিব, পাৰিলে প্রার্থনাও দুশাৰী গাব—এনেবোৰ কথা কোনো আজ্ঞা বা নিষেধাজ্ঞা যেন নালাগিছিল, এইবোৰ যেন নিতান্তই স্বাভাৰিক বিধি। কিন্তু দৈনন্দিনতাৰ এইবোৰ কৰণীয়-অকৰণীয় কথাৰ বাহিৰেও, শিক্ষক-অভিভাৱক আদিয়ে ল'ৰা-ছোৱালীৰ বিষয়ে খেয়াল তো ৰাখিছিলেই, তাৰ উপৰিও চুবুৰিটোৱেই সস্নেহ কিন্তু সুতীক্ষ্ণ নজৰ ৰাখিছিল ল'ৰা-ছোৱালীৰ ওপৰত, চহৰখনৰ পৰিমণ্ডলতেই সেই দায়িত্ববোধ সোমাই আছিল সহজাতভাৱে, য'ত এজন জ্যেষ্ঠ নাগৰিকে এটা অচিনাকি ল'ৰাকো যেন নিজৰ ল'ৰাৰ দৰেই অনুভৱ কৰিছিল। তাহানিৰ (আমাৰ সমসাময়িক বা তাৰ পিছৰ) বহুতৰে হয়তো "সমীন আৰু পার্কাৰ-পে'ন্"-ৰ ঘটনাটো মনত আছে (সমীন আমাতকৈ সৰু; এইখিনিতে নামবোৰ অলপ বদলাই দিওঁ)। সমীনৰ সৰুৰে পৰা খুব ইচ্ছা সি এটা ভাল ফাউণ্টেইন-পে'ন্ ল'ব, অনবৰত 'লীক্' কৰা, নিব্ ভাঙি যোৱা আহুকলীয়া কলমবোৰৰ ওপৰত তাৰ ঘোৰ বিতৃষ্ণা আহিছে—বিজ্ঞাপন আদিত দেখি দেখি সি ঠিক কৰিলে যে সি যেনেতেনে কিনিব এটা পার্কাৰ্-পে'ন্,

পৃথিৱীৰ সর্বশ্রেষ্ঠ নিজৰি-কাপ। তেতিয়াৰ ধনেৰে পার্কাৰ এটা অতি দামী কলম, বোধহয় ১৪ টকা, সকলো দোকানত পোৱাও নাযায়। পার্কাৰ্ ৰখা ওচৰৰে এখন দোকান হ'ল পাণবজাৰৰ 'মহামায়া ডায়ৰী', তাৰ ভিতৰপিনে ৰেষ্টুৰেণ্ট, বাহিৰ অংশত ষ্টেচনাৰী বস্তুৰ দোকান (লগতে যুগান্তৰ, আনন্দবজাৰ-অমৃতবাজাৰ পত্রিকা, ষ্টেট্‌মেন, হিন্দুস্তান ষ্টেণ্ডার্ড আদি কলিকতীয়া কাকত, আছাম ট্রিবিউন আদি), তাৰ শ্ব'কে'ছত কলমৰ বাকচেৰে সজাই থোৱা খয়ৰী ৰঙৰ পার্কাৰ পে'ন্‌কেইটালৈ সি সতৃষ্ণনয়নে চায়। বেশ কিছুদিন ধৰি অলপ অলপকৈ পইচা সাঁচি সাঁচি সি অৱশেষত ১৫ টকামান জমালে। তাৰ পিছত পৰম উলাহেৰে দুজন সমনীয়াৰ লগত গৈ এদিন পার্কাৰ কলম এটা কিনি পেলালে। গোমস্তাই অলপ আচৰিত হৈ সিহঁতৰ মুখলৈ চাই ধনখিনি নি কেশ্-বাকচত বহি থকা মেনেজাৰক দিলে, অলপ ভঙনীয়া পাব। মেনেজাৰৰ কাষতে বহি কাকত পঢ়ি আছিল দোকানৰ মালিক বীৰেন্দ্র দেববর্মন, বহুদিনৰ পুৰণি ব্যৱসায়ী, চহৰৰ কেইবাটাও ধর্মীয় অনুষ্ঠানৰ লগত জড়িত, দীঘলীপুখুৰীৰ "ইণ্ডিয়ান ক্লাব" নামৰ টেনিছ-ক্লাবটোৰো এজন পৃষ্ঠপোষক। পার্কাৰৰ ক্রেতা বিৰল, তেওঁ এনেয়ে এবাৰ কৌতূহলবশতঃ মূৰ ঘূৰাই চালে। সেই ল'ৰাটোৱে পার্কাৰ কিনিছে? দেখোন একেবাৰে চেঙেলীয়া ল'ৰা—তেওঁ উঠি কাউণ্টাৰলৈ আহিল আৰু ক'লে, "এইটো তোমাৰ দেউতাৰাই কিনিব পঠিয়াইছে?" সমীনহঁতে অলপ থতমত খালে, সমীনে নম্রসুৰে ক'লে, "নাই, ময়েই কিনিছোঁ।" "তুমি কিনিছা? তুমি ইউজ কৰিবা?" "হয়।" "কিন্তু তোমাৰ তো এতিয়াও—কোন ক্লাছত পঢ়া?" অনিচ্ছাসত্ত্বেও সমীনে ক'বলগীয়া হ'ল, "এইট্।" "এইট? তাৰ মানে তুমি আমাৰ সুব্রতৰ একে ক্লাছৰ—তাক তো আমি এতিয়াও দামী কলম চু'ব দিয়া নাই—তোমাৰ দেউতাই জানে? তেওঁ পইচা দিছে?" সমীনহঁত মনে মনে থাকিল, দেববর্মনে সিহঁতৰ মুখলৈ চায়েই থাকিল, ইতস্ততঃ কৰি সমীনে ক'লে, "নাই, মোৰেই পইচা, জমাইছোঁ"। "অ' জমাইছা? কিন্তু এটা কথা নহয়, তুমি তো ক্লাছ এইট্ পাইছা মাত্র, তোমালোকে ইমান দামী পে'ন্ ল'বৰ সময় এতিয়াও হোৱা নাই—তোমাৰ দেউতাৰাক ক'বা—অ' তোমাৰ দেউতাৰ নাম কি? মই কিজানি তেওঁক জানো-ও?" সমীনহঁত মনে মনে থাকিল। দেববর্মনে ক'লে, "আচ্ছা শুনা-চাওঁ, কলমটো দিয়াচোন—অ শুনা, তুমি এতিয়াই ইমান দামী পার্কাৰ পে'ন্ ল'ব নালাগে, অন্ততঃ মেট্রিকটো পাৰ হৈ লোৱা-টকা—পইচা এতিয়াৰ পৰাই জধে-মধে খৰচ কৰিব নালাগে—অ, মই কওঁ কি, তোমাৰ

কাৰণে এই 'ব্লেক্‌বার্ড'টোৰেই বে'ষ্ট্ হ'ব, দামো ৰিজনেব্‌ল্, দুটকা চাৰি অনা মাত্ৰ, তুমি এতিয়া এইটোৰেই বঢ়িয়া কাম চলাব পাৰিবা—ব্লেক্‌বার্ড খুব ভালো পে'ন্—।"

খঙে-ক্ষোভে-অপমানে জর্জৰিত হৈ হাতত ব্লেক্‌বার্ড্ কলমটো নির্মমভাৱে খামুচি ধৰি সমীনে লগৰীয়া দুজনৰ সৈতে দোকান এৰিলে। মেনেজাৰে তেতিয়া মালিকক ক'লে, "এই ল'ৰাকেইটা মাজে মাজে ইয়াত চাহ খাবলৈ আহে, পার্কাৰ কিনাটোৰ নাম সমীৰ নে কিবা, বোধহয় কামাখ্যা অধিকাৰীৰ পুতেক, সেই যে উজানবজাৰৰ—", দেববর্মনে ক'লে, "অ, অ, কামাখ্যা অধিকাৰী জানো। ৰিটায়ার্ড্ ই.এ.চি. নে কিবা, নহয়নে? মানুহজন দেখিছোঁ, অৱশ্যে মোৰ লগত তেনেকুৱা কথাবার্তা নাই—"। সন্ধিয়া আঠটামান বজাত দোকান বন্ধ হোৱাৰ পিছত তেওঁ ঘৰলৈ বাট ল'লে কটন কলেজৰ সমুখেৰে, দীঘলীপুখুৰীৰ পাৰেৰে অলপ খোজ কাঢ়ি ভাল লাগিব, হয়তো অলপ পুখুৰীৰ মুকলি বতাহো পাব, ইণ্ডিয়ান ক্লাব'তো এবাৰ ভুমুকি মাৰি চাব চিনাকি কোনোবা আছেই নেকি? ৰাস্তা নির্জন, বেছ দূৰে দূৰে একোটা ষ্ট্রীট লাইটৰ বাল্‌বৰ ক্ষীণ পোহৰ, কার্জন্ হল্ লাইব্রেৰী পাৰ হৈ দীঘলীপুখুৰীৰ ৰাস্তাত ভৰি দি দেখা পালে, সিপিনৰ পৰা হাতত লাখুটি এডালেৰে এজন আদহীয়া মানুহ আগুৱাই আহিছে, চিনি পালে, ৰ'ল, ক'লে, "মাপ কৰবেন, আপনি অধিকাৰী মশাই নন কি?" কামাখ্যা অধিকাৰীও থমকি ৰ'ল, ভালকৈ চালে, মুখত চিনি-পোৱাৰ ভাব এটা ফুটি উঠিল, ক'লে, "হয়—আৰু আপুনি—ৰ'ব, আপুনি মহামায়াৰ বীৰেনবাবু নহয় জানো?" "একদম ঠিক ধৰিছে—কি সৌভাগ্য যে আপোনাক এনেকৈ লগ পাই গ'লো—সব ঈশ্বৰৰ ইচ্ছা, আপোনাকেই মই লগ পোৱাৰ কথা ভাবি আছিলো—", "মোক! কি কথা?", "আহক, ইয়াতে অলপ বহি লওঁ—"

দীঘলীপুখুৰীৰ চাৰিওপিনে তেতিয়া কোনো ৰে'লিং নাই (তাৰ দাঁতিত মীনবিভাগৰ অফিচ আদিও নাই), তলৰ পুখুৰীপাৰৰ ঘাঁহনিলৈ অনায়াসে নামি যাব পাৰি, একেবাৰে পানীৰ কাষত বহি লৈ পানীত হাত দিব পাৰি, ৰাস্তাৰ দাঁতিত কেইখনমান কাঠৰ বেঞ্চি পতা আছে। দুয়ো এখন বেঞ্চিত বহিল, দেববর্মনে আৰম্ভ কৰিলে, "এ—কথাটো হ'ল—আপোনাৰ এজন ল'ৰা আছে নহয়, ক্লাছ এইটত পঢ়ে? সমীৰ নে কি নাম?", "সমীন। কিয়, কি কৰিছে সি?"। তেতিয়া দেববর্মনে সমীনৰ পার্কাৰ পে'ন্ কিনা ঘটনাটোৰ কথা ক'লে, ক'লে যে তাৰ দেউতাকৰ অনুমতি অবিহনেই তেওঁ নিজৰ বিবেচনাৰে তাক

পার্কাৰ্ পে'ন্‌টো কিনাৰ পৰা বিৰত কৰালে, কমদামী 'ব্লেক্‌বার্ড্' এটা দিলে, তেওঁ বাৰু বেয়া পালে নেকি? "নাই, নাই", কামাখ্যা অধিকাৰীয়ে ক'লে, "আপুনি একেবাৰে উচিত কাম কৰিছে, ইমান দামী পে'ন্ ল'ৰৰ লায়েক তো সি এতিয়াও হোৱা নাই—সি আমাক নোসোধাকৈয়ে কামটো কৰিব গৈছিল, মই জনাহেঁতেন এলাও (allow) নকৰিলোহেঁতেন—ইমান পইচাও জানো সি ক'ত পালে—নাই, নাই আপুনি একো চিন্তা নকৰিব। মই একো বেয়া পোৱা নাই, আপুনি তো তাৰ উপকাৰেই কৰিলে, আপুনি খুব ভাল কামেই কৰিছে", ইত্যাদি। দেববর্মন আশ্বস্ত হ'ল, ক'লে, "অৱশ্যে ল'ৰাটোৱে মনত দুখ পাইছে, সি বৰ হেঁপাহ কৰি পইচা-কড়ি জমাই পার্কাৰটো ল'ব আহিছিল। আপুনি দয়া কৰি তাক ক'ব, মন বেজাৰ কৰি থাকিব নালাগে, ভালদৰে পঢ়া-শুনা কৰি যা, মেট্রিকত ভাল ৰিজাল্ট কৰ, তাৰ পিছত পার্কাৰ লাগে নে ৰাটাৰমেন্ লাগে যি লাগে দিম, কথা দিছোঁ।"

('কথা-গুৱাহাটী', ১ম সংখ্যা, ১/০৪)

মোৰ ৰসনা সমগ্ৰ

বিহু, পূজা, নৱবৰ্ষ...এইবোৰে সূচায় আনন্দ-উৎসৱ, শুভেচ্ছা-বিনিময়, খোৱা-বোৱা, ৰং-ৰহইছ (সাধাৰণতে), কিন্তু আমাৰ কিছুমানৰ কাৰণে এইবোৰৰ আগমন হ'ল উদ্বেগৰ বতৰ, কাৰণ এতিয়া সম্পাদকৰ হেঁচা পৰিব, কিবাকিবি লিখাৰ চেষ্টা কৰিব লাগিব; অথচ লিখিবলৈ একো নাই, কিন্তু সাদৰ অনুৰোধ ৰক্ষা কৰিবই লাগিব, দীঘল হওক চুটি হওক কিবা এটা হেনো লাগিবই, চোলাটো গাত 'ফিট' কৰক বা নকৰক (অর্থাৎ পঢ়ুৱৈৰ ভাল লাগক বা নালাগক)। সম্পাদকসকলে যেন এই ধাৰণাটো কোনোমতেই এৰিব নোখোজে যে এজন মানুহে এসময়ত কিবা এটা-দুটা লিখিছিল কাৰণে তেওঁ চিৰদিন (আমৰণ) তেনেকৈ লিখিয়েই থাকিব—যেন এটা চিৰ-সচল যন্ত্ৰ, যাক কয় Perpetual Motion Machine, কিন্তু তাপ-গতিবিজ্ঞানৰ দ্বিতীয় সূত্ৰমতে তেনেকুৱা এটা মেশ্বিন থকাটো অসম্ভৱ। এটা সময়ত লিখা-মেলাৰ ইচ্ছা থাকে, মনত আগ্ৰহ-উদ্যম থাকে (সম্পাদকৰ হেঁচা নালাগে), তাৰ পিছত এদিন সকলো অন্ত পৰে—আমাৰ ক্ষেত্ৰতো এইবোৰ অন্ত পৰিছে, লিখিব পৰা নতুন একো আৰু নাই, যিখিনি লিখিব পৰা আছিল লিখা হৈ গৈছে, ভিতৰত যি মাল-মছলা আছিল সেইবোৰ খতম হৈ গৈছে, এনেকি প্ৰকাশো হৈ গৈছে গল্পবোৰৰ সম্পূৰ্ণ সংগ্ৰহ, সকলো প্ৰবন্ধ-পাতিৰ সংকলন, 'ৰচনা সমগ্ৰ'—

যাক, এই কৰুণ পৰিস্থিতিৰ মাজত মোৰ 'ৰচনা-সমগ্ৰ'ৰ কথাটোৱে মোৰ মনত অলপ স্ফূৰ্তি আনি দিছে (হয়তো পঢ়ুৱৈয়েও মোৰ অসহায় বিলাপৰ পৰা অলপ সকাহ পাব!)। কাৰণ, মনত পৰিছে, এই ৰচনা-সমগ্ৰখনৰ নামটো মই অকণমান অসাৱধান হোৱা হ'লেই হৈ গ'লহেঁতেন এখন একেবাৰে বেলেগ কিবা। ঘটনাটো এই ঃ মৌলৈ যথাসময়ত কিতাপখনৰ আৰ্হি-কাকত আহিল, তাত নাম-পৃষ্ঠাত ডাঙৰ ডাঙৰ হৰফেৰে প্ৰকাশকৰ নাম, লেখকৰ নাম, কিতাপৰ নাম ছপা হৈছে ঃ

সৌৰভ কুমাৰ চলিহা

ৰসনা সমগ্ৰ

কথাটো মনেই নকৰিলো। কিয়নো নাম-পৃষ্ঠাত শুধৰাবলৈ বিশেষ নাথাকে,

ওপৰে ওপৰে এবাৰ চাইয়েই ভিতৰৰ সূচীপত্ৰখনলৈ আহিলো—মনত খেলালে, কিবা এটা যেন গণ্ডগোল থাকি গ'ল, লৰা-লৰিকে আকৌ পাত লুটিয়ালো, আৰু তেতিয়াহে চমৎকৃত হৈ দেখিলো যে কিতাপখন হেনো মোৰ ৰসনা-সমগ্ৰ...

'বেশ, বেশ', মই ভাবিলো, কথাটোতো বিশেষ ভুল হোৱা নাই, এই নামটো হ'লেও চলি যাব, অন্ততঃ প্ৰচলিত ৰচনা-সমগ্ৰবোৰতকৈ বেলেগ বস্তু এটা হ'ব। অৱশ্যে—', কিবা এটা সন্দেহ আহিল মনলৈ, সমুখতে যিখন অভিধান পালো মেলি চালো, তাত কৈছে যে 'ৰসনা' মানে 'জিভা—জিভা, অ, অৱশ্যেই—'ৰসনা পৰিতৃপ্ত কৰি' আদি বাক্যাংশ অ'ত-ত'ত পাই আহিছোঁ (নিজেও লিখিছোঁ), তাৰমানে 'জিভা' মানে হয়তো আৰু কিবাকিবি, যেনে জুতি, সোৱাদ, ইত্যাদি—হয়নে? আৰু দুখনমান অভিধান ঘৰত অ'ত-ত'ত আছে বুলি জানো, বিচাৰিলো, কিন্তু দেখিলো আটাইকেইখন অন্তর্ধান হৈছে (এইটো বোধহয় প্ৰকৃতিৰ এটা নিয়ম যে প্ৰয়োজনৰ সময়ত বস্তুবোৰ অদৃশ্য হৈ যায়!), আৰু এনেবোৰ সময়তেই প্ৰকট হৈ উঠে শব্দবোৰৰ অর্থ আৰু ব্যৱহাৰ লৈ আমি কিমান নির্বিকাৰ নিশ্চয়তাত ভুগি থাকোঁ, হঠাৎ কিবা দর্কাৰত শব্দ একোটাৰ ব্যুৎপত্তি বা অর্থ লৈ খেলিমেলিয়ে মূৰ গৰম কৰি দিয়ে। যি হওক, 'ব্যৱহাৰসিদ্ধ' বুলিও এটা কথা আছে, যাৰবাবে ভুল কথা এটাও চলোতে চলোতে চালু হৈ যায় (যাক আৰু শুদ্ধ কৰাৰ অর্থও নহয়)—গতিকে 'জিভা' মানে নিশ্চয় 'জুতি', 'সোৱাদ', 'আস্বাদন', 'অভিৰুচি', 'খোৱাৰ আগ্ৰহ' আদি বুলিও ধৰি ল'ব পাৰোঁ—

অর্থাৎ মোৰ ৰসনা-সমগ্ৰয়ো নিশ্চয় জুতি বা ৰুচিৰ কথাকে বুজাব—তিতা, মিঠা, জ্বলা, কেহা, নিমখীয়া, টেঙা, খাৰুৱা, চোকা, সোপোকা, সুস্বাদু, বিস্বাদ, সুখাদ্য, অখাদ্য... বেশ, বেশ, বঢ়িয়া হ'ব তেনেহ'লে—কিন্তু—কিন্তু, এনেকুৱা এটা ঘটনা কেনেকৈ ঘটিল? বন্ধু এজনলৈ ফ'ন কৰিলো, তেওঁৰ প্ৰকাশক, ছপাশাল আদিত অহা-যোৱা আছে, তেওঁ কথাটো শুনি প্ৰথমতে হাঃ হাঃ কৈ হাঁহিলে, তাৰপিছত ক'লে যে কথাটো বোধহয় এনেকুৱা হৈছে ঃ আগেয়ে চহৰৰ অধিক সংখ্যক ছপাশালত কম্পজিটৰ আছিল বঙালী মানুহ, বেছিভাগ ল'ৰা মানুহ, পঢ়া-শুনা বেছিদূৰ কৰা নাই, ইস্কুলৰ কেইশ্ৰেণীমানৰ পাছত অভাৱ-হেতু ইস্কুল এৰিছে আৰু প্ৰেছত সোমাইছে; আজিকালিও তেনে ল'ৰাবোৰেই আছে, কিন্তু আজিকালি হাতেৰে আখৰ-সজোৱা (হেণ্ড কম্প'জিং) উঠি গৈছে, আজিকালি এই ল'ৰাবোৰে ডি.টি.পি. নামৰ আহিলাটোত টাইপৰাইটাৰৰ ছাবি

টিপাৰ দৰে ছবি টিপি টিপি আখৰ সজায়—হয়তো এনেকুৱা হৈছে যে এজনে পাণ্ডুলিপি পঢ়ি গৈছে, আন এজনে শুনি শুনি ছাবি টিপি গৈছে, এজনে হয়তো পঢ়িলে 'ৰচনা সমগ্ৰ', আনজনে সেইটো শুনি ছপা কৰিলে বঙালী উচ্চাৰণ মতে 'ৰসনা সমগ্ৰ' ('ৰসনা'ৰ উচ্চাৰণ বঙালীত আমাৰ 'ৰচনা')।

অ, খুব সম্ভৱ সেইটোৱেই ঘটিছে—আৰ্হি-কাকত শুধৰাওঁতে প্ৰায়ে পাইছোঁ মোৰ 'টকা'টো 'টাকা' হৈছে, 'ভাল'টো 'ভালো' হৈছে, 'বৰুৱা'টো 'বড়ুয়া' হৈছে, 'ৰৱদেউতা' হৈছে 'বড়দেউতা', 'ট্ৰেইন'খন হৈছে 'ট্ৰেন', 'ডিচেম্বৰ' হৈছে 'ডিসেম্বৰ', ইত্যাদি ইত্যাদি। ল'ৰা মানুহ, শব্দৰ ভুল-শুদ্ধ লৈ কোনো মাথাব্যথা নাই, ধাম্‌ধুম্‌ ছাবি টিপা শেষ কৰি 'ডিউটি' শেষ কৰিছে—আৰু আমাৰ পঢ়ুৱৈসমাজৰ হাতত তুলি দিবৰ উপক্ৰম কৰিছে মোৰ জিভাৰ আটাইবোৰ স্বাদ-বিস্বাদ, মোৰ 'ৰসনা'-সমগ্ৰ...

এটা সৰু 'দুষ্টবুদ্ধি ভূতে' কাণে কাণে ক'ব ধৰিলে, 'এইটোৱেই বঢ়িয়া হ'ব, 'ৰসনা'টো 'ৰচনা' নকৰিবা, থাকিব দিয়া, থাকিব দিয়া, দেখা যাক কি হয়—', আৰু মইও ভাবিলো, অ, একো বেয়া নহ'ব, চলি যাব, 'সব চল্‌তা হ্যায়'; মইও যেতিয়া ক্ষীপ্ৰগতিত লিখিছিলো, তেতিয়া শব্দৰ প্ৰকৃত অৰ্থ বা তাৎপৰ্য্য লৈ পৰোৱা কৰা নাই, শব্দটোৰ ধ্বনি বা অনুৰণন বা ঝংকাৰখিনিয়ে (এক কথাত, শব্দটোৰ 'সোৱাদে') মনত যি অৰ্থৰ ধাৰণা আনি দিছে সেইমতেই শব্দটো বহুৱাই দিছোঁ (অভিধান মেলি চোৱাৰ তেতিয়া ধৈর্য্য নাই), বহুতো ক্ষেত্ৰত শব্দৰ প্ৰয়োগ ভুল হৈছে, আৰু আচৰিত কথা, মই শব্দটোৰ যিটো ভুল অৰ্থ কৰিছোঁ, পঢ়ুৱৈয়েও যেন সেইটোৱেই বুজিছে, সেইটোকেই মানি লৈছে (তেনেবোৰ শব্দৰ বেলিকা কোনো পঢ়ুৱৈ বা কোনো সমালোচকৰ পৰা আজিলৈকে কোনো আপত্তি শুনা নাই!)। আৰু এইক্ষেত্ৰতো—'ৰচনা' আৰু 'ৰসনা'ৰ বিভিন্ন অৰ্থ আচলতে যিয়েই নহওক কিয়—আমি এই শব্দ দুটাৰে যি বুজাম সেয়ে নিশ্চয় চলি যাব, ভয় নাই। দুখৰ কথা যে আজি আমাৰ বাবে বাস্তৱ-জগতত অনুকৰণীয় ব্যক্তি দুর্লভ, আদর্শ মূর্তি বিচাৰি পোৱা মস্কিল, সকলোৰে সকলো কথাই যেন কিবা সন্দেহজনক, উদ্দেশ্যনিহিত, জিলাপীৰ পেঁচ, কিন্তু সৌভাগ্যক্ৰমে কল্প-জগতত এটি সুপৰিচিত চৰিত্ৰ আছে, তেওঁৰেই হ'ব পাৰে (অন্ততঃ এই প্ৰসংগত) আমাৰ আদর্শ ব্যক্তি। সেইটি হ'ল 'আয়নাৰ মাজেৰে এলিছ' (Through The Looking Glass')ৰ হাম্‌প্‌টি-ডাম্‌প্‌টি (Humpty Dumpty), যাৰ মুখ আৰু মূৰ যেন এটা প্ৰকাণ্ড কণী, হাত-ভৰি নগণ্য, এখন ঠেক, ওখ দেৱালৰ ওপৰত

বহি আছিল, পৰি গ'ল, তাৰপিছত ৰজাৰ সকলো ঘোঁৰা আৰু সকলো প্ৰজা মিলিও হাম্‌প্‌টি-ডাম্‌প্‌টিৰ কণী-মূৰৰ টুকুৰাবোৰ আৰু জোৰা লগাব নোৱাৰিলে।

Humpty Dumpty sat on a wall
Humpty Dumpty had a great fall
All the King's horses and all the king's men
Couldn't put Humpty Dumpty in his place again.

হাম্‌টি-ডাম্‌টিয়ে কয় এটা, তাৰ অৰ্থ কৰে আন এটা, সেই লৈ এলিছে বিভ্ৰান্ত হৈ আপত্তি তুলিছিল, তেতিয়া এই ডিম্বমুণ্ড প্ৰাণীটিয়ে তাচ্ছিল্যৰ সুৰত এলিছক কৈছিল, 'মই যেতিয়া এটা শব্দ ব্যৱহাৰ কৰোঁ, তাৰ অৰ্থ হ'ব মই তাৰ যি অৰ্থ বুলি ভাবিম, সেইটোহে—তাৰ কমো নহয়, বেছিও নহয়।' একদম সোণসেৱীয়া কথা, নহয়নে? যি হওক, এই ঘোষণাৰ পিছত এলিছে বুজিলে হাম্‌প্‌টি-ডাম্‌প্‌টিয়ে যদি কয় 'চাহ', হয়তো বুজিব লাগিব 'গাখীৰ', যদি কয় 'মানুহ', হয়তো বুজিব লাগিব 'ঘৰিয়াল'...

(মাজে মাজে এটা সন্দেহ আহে, 'এলিছ'ৰ লেখকে বাৰু ওখ দেৱালত, অর্থাৎ প্ৰভাৱ-প্ৰতিপত্তিৰ মুখত বহি থকা আমাৰ নেতাসকলৰ পৰিণতিৰ কথাহে ক'ব খুজিছে নেকি, যিসকলে মুখেৰে কয় এটা, মনে মনে বুজায় এটা, যেনে, কৈছে হয়তো, 'মোক ভোট দিবা, মই তোমালোকৰ খোৱাপানীৰ ব্যৱস্থা কৰি দিম', যাৰ অৰ্থ তেওঁ ভাবিছে, 'মোক ভোট দিবা, মই তোমালোকৰ উন্নয়নৰ সকলো টকা খাই থৈ দিম', তাৰ পিছত যেতিয়া ভদ্ৰলোকৰ পতন ঘটিছে, সমস্ত ৰাজশক্তিয়ে তেওঁৰ টুকুৰা-টুকুৰি জীৱন-বৃত্তি আৰু জোৰা-টাপলি লগাব পৰা নাই।)

যিহওক, ডি-টি-পি চালকজনৰ আৰু নমস্য মূর্তি হাম্‌প্‌টি-ডাম্‌প্‌টিৰ সোঁৱৰণীয়ে এই অশান্তিময় ২০০৩ বছৰটোৰ শেষত আমাৰ মনত অকণমান হ'লেও স্ফূর্ত্তি আনি দিছে, এইটো বছৰৰ বাবে বাৰু এয়ে যথেষ্ট।

('সাদিন', জানুৱাৰী ঃ '০৪)

শিল্পবোধ আৰু দুৰ্গেশ্বৰ

আমাক আচৰিত কৰিছে আৰ্টিষ্টচ্ গীল্ডৰ বিশেষ ৰূপালী জয়ন্তী বৰ্ষ ২০০১ৰ 'চিহ্ন'ই আমাৰ পৰা লেখা বিচাৰি, কাৰণ সকলোৱে জানে যে (গীল্ডৰ চিঠিত কোৱাৰ দৰে) আমি কোনো "বিশিষ্ট শিল্পবোধ থকা ব্যক্তি" নহওঁ ('শিল্পবোধেই নাই, তাতে আকৌ 'বিশিষ্ট'!), "নান্দনিক ৰুচিবোধ" আদি বস্তু তো আমাৰ একেবাৰেই নাই। আদাৰ বেপাৰীক জাহাজৰ খবৰ সোধাৰ দৰে নহ'লনে কথাটো? তথাপি, 'চিহ্ন' যিহেতু আকোৱগোঁজ, আমাৰ চিনাকি মানুহ এজনৰ পৰা শুনা কথাকেই অলপ কওঁ, আমাৰ দৰেই এজন 'কাঠখোট্টা' প্ৰাণী, সুকুমাৰ কলা আদিৰ প্ৰতি যাৰ কোনো অনুৰাগ নাই, চিত্ৰকলা আদিৰ লগত সম্বন্ধ একেবাৰে নগণ্য, আগ্ৰহ বা ৰাপ শূন্য ঃ দুৰ্গেশ্বৰ দাস (নামটো অলপ বদলাই দিছোঁ)।

দুৰ্গেশ্বৰ দাস মধ্যগড়ৰ মধ্যবিত্ত নাগৰিক (হয়তো আজিকালি উচ্চমধ্যবিত্ত), আমাতকৈ তিনি-চাৰি বছৰমানৰ সৰু, এটা চৰকাৰী দপ্তৰত এটা সাধাৰণ চাকৰি কৰিছিল (পাছলৈ কিছু পদোন্নতি হৈছে), সাধাৰণ গৃহস্থী, সাধাৰণ ৰুচি-অভিৰুচি, সংগীত-নৃত্য-স্থাপত্য-ভাস্কৰ্য আদি বিষয়বস্তু লৈ কোনো মাথাব্যথা নাই, মাথোঁ কেতিয়াবা গান এটা শুনি ভাল লাগিলে শুনে, হয়তো ঘৈণীয়েক বা ছোৱালীক তাৰ কেছেট এটাও আনি দিয়ে, আগেয়ে ৰেডিঅ'ৰ বুধবৰীয়া নাটকবোৰ শুনিও ভালেই পাইছিল (কিন্তু টিভি., অহৰহ ক্ৰিকেট আৰু চাবোনৰ গুণ-কীৰ্ত্তন ঘৰত সোমাই আজিকালি ৰেডিঅ' না-পাত্তা কৰি দিলে), ভাল বোলছবি এখন চোৱাৰ ইচ্ছা নোহোৱা নহয়, কিন্তু আজিকালি ছবিঘৰত সোমোৱাই সমস্যা, ফিল্ম্ ক্লাব এটাত ভর্তি হৈ লোৱাৰো সুবিধা বা উদ্যম নাই (ফলত বাধ্য হৈ মাজে মাজে চাবলগীয়া হয় দূৰদৰ্শন-মাৰ্কা ফিল্ম্), সাধাৰণ জীৱনযাত্ৰা, বজাৰলৈ যায়, মাছ দৰায়, বিক্সাৰালাৰ লগত ভাড়া লৈ বিতণ্ডা কৰে, ওৰে দিনটো এশ-এবুৰি সমস্যা, গতানুগতিক, একঘেয়ে, সকাহ ল'বলৈ সন্ধিয়া সন্ধিয়া দুই-এজনৰ লগত অলপ আড্ডা বা দুই-এপালি ৰাম্...

'দুই-এজন' মানে হয়তো অফিচৰ কোনো সহকৰ্মী বা পাড়াৰ কোনোবা চিনাকি মানুহ—অন্তৰংগ বন্ধু বুলিবলৈ তেনেকৈ কোনো নাই—পুৰণি ইস্কুল-কলেজৰ বন্ধুবোৰৰ কেইবাজনো ঢুকাইছে, কেইজনমান আমেৰিকাত অষ্ট্ৰেলিয়াত, এসময়ত খুবেই ঘনিষ্ঠ আছিল এজন 'আবেল্' চৌধুৰী, সংক্ষেপে 'আবু', আজিকালি দিল্লীত থাকে, অতিপাত ব্যস্ত, কেতিয়াবা কাশ্চিৎ ঘৰলৈ আহিলে দেখা হয় অলপ সময়ৰ বাবে, চিঠিপত্ৰৰ যোগাযোগ নাই—

এদিন দিল্লীৰ পৰা অহা মানুহ এজনৰ হাতত আবুয়ে পঠিয়াই দিলে ব্ৰাউন কাগজেৰে মেৰিওৱা এটা দীঘলীয়া পেকেট —তাৰ ভিতৰত এটা চিলচিলিয়া কাগজৰ মেৰ, তাৰ ভিতৰৰ পৰা ওলাল ডাঠ কাগজৰ এটা দীঘল বাকচ আৰু এটুকুৰা সংক্ষিপ্ত চিঠি, খৰধৰ আখৰেৰে আবুৰে লিখিছে যে তেওঁ অলপতে জাপানলৈ গৈছিল, খুব ব্যস্ত আছিল, "চুভেনিৰ-টুভেনিৰ বিচাৰি থাকিবলৈ সময় নাপালো, কিন্তু ৰাস্তাৰে যাওঁতে যাওঁতে কিয় জানো হঠাৎ তোৰ কথা মনত পৰি গ'ল, চকুত পৰিল সমুখতে এখন 'ছাকে'ৰ দোকান—'ছাকে', জান বোধহয়, জাপানী ৰাইছ্-ৰাইন, বোধহয় আমাৰ লাওপানীৰ দৰে, চাহৰ পিছতেই জাপানীহঁতৰ জাতীয় পানীয়, তোলৈ 'ছাকে'ৰ বটল এটাকে কিনি পেলালো, চাবিছোন কেনে পাৰ...ঘৰলৈ কেতিয়াবা যাব পাৰোঁ ক'ব নোৱাৰোঁ, গ'লে লগ পাম—"

দুৰ্গেশ্বৰৰ মুখত এটা স্মিত হাঁহি খেলি গ'ল, কঁপালৰ ত্যক্ততাৰ ৰেখাকেইডাল মাৰ গ'ল, দুৰ্গেশ্বৰ অলপ আচৰিতেই হ'ল—অপ্ৰত্যাশিত, দুয়োটা কথাই অপ্ৰত্যাশিতঃ জাপানৰ ৰাস্তাত আবুৰ হঠাৎ তেওঁলৈ মনত পৰা, আৰু তেওঁৰ হাতত হঠাৎ আহি পৰা এটা 'ছাকে'ৰ বটল। ইয়াৰেই নাম বোধহয় বন্ধুত্ব, স্থান-কালৰ সংযোগবিহীন দূৰত্বৰ মাজতো যিটো বস্তু ফল্গুধাৰাৰ দৰে বৈ থাকে, অকস্মাৎ অকস্মাৎ আত্মপ্ৰকাশ কৰে; কাৰোবাৰ মুখত পুৰণি বন্ধুৰ নামটো শুনিলেই মনটো ভাল লাগি যায়, যেন দূৰ প্ৰবাসৰ পৰা আহি পুৰণি পৰিচিত ঘৰত ভৰি দিলো, তাহানিৰ মাৰপিট এটাৰ কথাটো মনত পৰিলেও অন্তৰ আনন্দেৰে ভৰি পৰে...

যিহওক, বস্তুটো তেতিয়াই 'চে'লিব্ৰেইট্' কৰা নহ'ল, ছাকেৰ বাকচটো শোৱনি-কোঠাৰ বেৰৰ কাষৰ কাকতপত্ৰৰ মেজখনত থিয়কৈ থৈ দিলে—১ ফুটতকৈ সামান্য দীঘল, প্ৰায় চাৰে তিনি ইঞ্চি বহল, ৮-চুকীয়া (কিন্তু বাহুবোৰ

সমান সমান নহয়, ৪টা ডাঙৰ, ৪ টা সৰু), ডাঠ কাগজবিধো হয়তো ধান-টানৰ পৰাই বনোৱা, চাৰিওপিনে জাপানী ভাষাত কিবাকিবি লিখা আছে, মাথোঁ এঠাইত কেইটামান ইংৰাজী আখৰৰ মাজত SAKE শব্দটো ধৰিব পাৰি, ভিতৰত ৬৫০ মিলিলিটাৰ এটা গধুৰ, বগা, অস্বচ্ছ বটল—

ৰাতি শুই পৰাৰ আগে আগে বিছনাৰ পৰা বাকচটোলৈ চকু গ'ল, সৰু সৰু কিছুমান আখৰ আৰু ফুলপাতৰ নক্সা এখনৰ ওপৰত তিনিটা ডাঙৰ ডাঙৰ আখৰ, এখন চানেকিৰ দৰে, বোধহয় ওপৰৰ পৰা তললৈ পঢ়ে—অস্পষ্টভাৱে মনত খেলালে (ক'ৰবাত পঢ়িছিল) এইবোৰ 'আখৰ' আচলতে ছবিয়েই—পিক্চ'গ্রাম নে ইডিঅ'গ্রাম নে কিবা কয়—দেখাতো ছবি যেনেই দেখি—ভালেই দেখি—বিছনা-কাষৰ বাতিটো নুমাই তেওঁ শুই পৰিল...কালি কাৰোবাক লগত লৈ বটলটো খুলিব লাগিব—যাক, ইমান ব্যস্ততাৰ মাজতো আবুৰে তেওঁৰ কাৰণে কিবা এটা লৈ আহিছে—একঘেয়েমিৰ পৰা এটা ব্যতিক্রম, পৰিৱর্তন... যেন ইতিমধ্যে পৰিৱর্তন এটা আহিলেই, কিয়নো অইন দিনা টোপনি অহাৰ আগেয়ে কিছুসময় তেওঁ বিছনাত উচপিচ কৰি থাকে, আজি কিন্তু এটা নিৰুদ্বেগ প্রসন্নচিত্তে প্রায় লগেলগেই শুই পৰিল...ভিতৰত যি থাকক নাথাকক, ছবিখন কিন্তু বেছ আকর্ষণীয়...ৰাতি প্রায় ডেৰটামান বজাত তেওঁ এবাৰ

সাৰ পায়, আজিও সাৰ পালে, বিছনা-কাষৰ চাকিটো জ্বলালে, আকৌ চকু গ'ল বাকচটোলৈ, গাৰুত ভেজা দি 'ছবি'খনলৈ চাই ৰ'ল ঃ

কি 'ছবি' এইখন? কি তাৰ আকর্ষণ? ছবিখনৰ পৰা যেন ভাঁহি আহিছে কিবা এটা স্পন্দন, কিবা এটা শান্ত শিহৰণ, এটা আনন্দময় উত্তেজনা—যেন ছবিখনে কিবা এটা ক'ব খুজিছে, কিবা এটা যোগাযোগৰ প্রয়াস, এটা ভাব-সংযোগ, এটা বার্তা-সংক্রমণ (এনেবোৰ শব্দ) —আৰু বেছ কিছুসময় দুর্গেশ্বৰে ছবিখনলৈ চাই ৰ'ল, তাৰ পিছত চাকিটো নুমাই দিলে—অলপ আচৰিত হৈ মনত খেলালে, চিত্রকলাত তো তেওঁৰ কোনো আগ্রহ নাই, বিখ্যাত বিখ্যাত ছবিবোৰেও তো তেওঁক মুঠেই আকর্ষণ নকৰে, 'মনালিছা' নে কি সেই যে প্রসিদ্ধ ছবিখন, কেনোবা ইটালীয়ান পেইণ্টাৰে আঁকিছিল, সেইখন বহুঠাইত দেখিছে, কিয় যে ইমান বিখ্যাত একো বুজি পোৱা নাই, মানুহজনীৰ হাঁহিটোত বোলে কিবা গভীৰ ৰহস্য সোমাই আছে, অথচ হাঁহিটোৱেই দেখোন কিবা আধা-চেপা উপলুঙাৰ যেন হাঁহি, মুঠেই আকর্ষণ নকৰে, পিছপিনে আকৌ কিবা একা-বেঁকা পাহাৰী ৰাস্তা,

'প্রাকৃতিক দৃশ্য'—তেওঁ ৰগৰ কৰি কয়, পেইণ্টাৰে আচলতে পিছপিনৰ লেণ্ডস্কে'পখনহে আঁকিব ধৰিছিল, ঘপ্‌কৈ সমুখত আহি ওলাল এই হাঁহিব নজনা মানুহজনী, গতিকে বাধ্য হৈ তাইকো আঁকিলে—মানুহজনী দেখিবলৈও বিশেষ-একো নহয়, কিন্তু সেইখনেই বোলে মস্ত 'প্ৰফাউণ্ড্' কিবা—হ'ব পাৰে, কিন্তু হু কেয়াৰ্ছ—সেইখনো আৰু কোনোবাই মুখ মেলি চাই থাকে নে—হা, অৱশ্যে তেওঁও কেতিয়াবা হা-কৰি কিবা এখন ছবি চাই নাথাকা নহয়, এবাৰ তেওঁৰ মেজৰ ওপৰৰ বেৰত ওলমিছিল এখন কেলেণ্ডাৰত এগৰাকী গাভৰুৰ ছবি (বোধহয় কোনো নামকৰা অভিনেত্ৰী নহয়), গ্লেমাৰো নাই স্বল্পবসনাও নহয়, চতুলনয়নাও নহয়, কিন্তু গাভৰুগৰাকীৰ ভংগিমাত কিবা এটা আছিল, তেওঁ মাজে মাজে ৰ লাগি চাই থাকে, কিন্তু কথাটো ঘৈণীয়েকৰ চকুত পৰিল, তেওঁ সেইখন তাৰ পৰা আঁতৰাই তাৰ ঠাইত আনি আঁৰি দিলে তীব্ৰ ৰং-বিৰং এখন হনুমানৰ কেলেণ্ডাৰ, এহাতে গন্ধমাদন পৰ্বত, ইহাতে প্ৰকাণ্ড গদা, নেজ জোঁকাৰি জোঁকাৰি উৰিছে, উখহা বান্দৰমুখ—

ঘৰৰ বেৰৰ অন্যান্য ছবিবোৰো সেয়েই, উৎকট উগ্ৰ ৰঙৰ ভাবলেষহীন মুখৰ দেৱ-দেৱী, শিব-পাৰ্বতী, ৰাধা-কৃষ্ণ, গণেশ, জগদ্ধাত্ৰী, ৰাম-লক্ষ্মণ-সীতা, যশোদাৰ কোলাত শিশু কৃষ্ণ (যশোদাৰ পিন্ধনত আধুনিক বিজ্ঞাপনৰ শাড়ী-ব্লাউজ, কৃষ্ণই পিন্ধিছে যেন আজিৰ বাবা-চুট —বোধহয় আমাৰ চিত্ৰকলাত ''মাতৃ আৰু শিশু''ৰ পৰম্পৰা নাই, বস্তুটো পশ্চিমৰ, গতিকে আমাৰ শিল্পীৰ হাতত যশোদা-কৃষ্ণৰ এই অৱস্থা)—অৰ্থাৎ আমাৰ পৰিমণ্ডলত চিত্ৰকলাৰ প্ৰতি আকৰ্ষণ জন্মাৰ কোনো অবকাশ নাই, আমাৰ ঘৰৰ বেৰে-টেৰে পিকাছো বা ৰেনোৱা সজোৱাৰ বালাই নাই, আনকি এখন অমৃতা-শ্ৰেৰ্-গিলৰো কোনো স্থান নাই, গতিকে চিত্ৰকলা আদিৰ প্ৰতি এটা উপলব্ধ-ৰুচি বা acquired taste অহাৰো কোনো সুযোগ নাই, কাৰোবাৰ ভিতৰত যদি কিবা শিল্পবোধ সুপ্ত হৈ আছে, সেইয়া বিকশিত হোৱাৰ সম্ভাৱনাও দুৰ্ঘহ—অৱশ্যে সেই লৈ দুৰ্গেশ্বৰৰ কোনোদিনে কোনো খেদ অহা নাই, বস্তুটোত কোনো আগ্ৰহেই নাই যেতিয়া—কিন্তু 'ছাকে'ৰ বাকচৰ এই 'ছবি'খনৰ প্ৰতি আজি হঠাতে এনেকুৱা অনুৰাগ অহাৰ কাৰণ কি —অৱশ্যে এইখন নিশ্চয় কোনো বিখ্যাত ছবি নহয়, এনেকুৱা 'আখৰ-চিত্ৰ' নিশ্চয় জাপানৰ ৰাস্তাই-ঘাটে কাগজে-পত্ৰে দেখা যায় সৰ্বত্ৰ, ব্যাপক আৰু সাধাৰণ (মানে, common), মামুলী... তেনেহ'লে

কিয়...হয়তো ছবিখন এক বন্ধুত্বৰ প্ৰতীক, হয়তো সেইকাৰণেই... তেওঁ টোপনি গ'ল।

* * *

দ্বিতীয় দিনাও চাকেৰ বটলটো খোলা নহ'ল, ৰাতি বিছনাত উঠি চাকিটো নুমাবলৈ গৈ আকৌ বাকচটো চকুত পৰিল, সেই একেখন ছবি, কিন্তু কিবা এটা বেলেগ—অ', মেজৰ কাগজ-পত্ৰ সৰিয়াওঁতে নিশ্চয় তেওঁৰ ঘৈণীয়েকৰ হাতত বাকচটোৰ আন এটা কায সমুখলৈ আহি পৰিছে—একেখন ছবি, সেই একেই অনুভূতি, কিন্তু যেন বেছি বাঙ্ময়, বেছি শক্তি-ভৰা, বেছি প্ৰাণময় ঃ

...ৰঙা...ক'ৰবাত পঢ়া মনত পৰিল দুৰ্গেশ্বৰৰ, নীলা হ'ল বিষাদৰ ৰং, ৰঙা ৰঙে মনলৈ কঢ়িয়াই আনে শক্তি আৰু সজীবতা, পুলক আৰু প্ৰাণচাঞ্চল্য...ৰঙা 'আখৰ', কিন্তু সংবাদটো একেটাই ঃ বন্ধুত্ব, এই ছবিখনৰ অৰ্থ, এই চিত্ৰকল্পৰ অন্তৰ্নিহিত তাৎপৰ্য্য হ'ল ঃ বন্ধুত্ব, মাথোঁ তাৰ স্পন্দন দ্ৰুততৰ, তাৰ আবেগ তীব্ৰতৰ। অ, (দুৰ্গেশ্বৰৰ মনত খেলাই গ'ল), তাৰ মানে, চিত্ৰকলা বস্তুটো আন একো নহয়, চিত্ৰকলা মানে হ'ল বন্ধুত্ব। সংকীৰ্ণ অৰ্থত দুজন মানুহৰ মাজৰ বন্ধুত্ব অকল নহয়, ব্যাপক পৰিসৰত বন্ধুত্বই যি বুজায়, সেইবোৰ ঃ সহৃদয়তা, নীৰৰ উপলব্ধি, নিস্তব্ধ যোগাযোগ (যি দেখিলো, আনকো সেইটো জনোৱাৰ চিৰন্তন ইচ্ছা—ক'ৰবাত পঢ়া মনত পৰিল দুৰ্গেশ্বৰৰ—ফ্ৰান্সৰ লাচ্‌ক'ৰ গুহাৰ বেৰত, স্পেইনৰ আল্টামিৰাৰ গুহাৰ বেৰত, অন্যান্য প্ৰাচীন গুহাৰ অভ্যন্তৰত, পোৱা গৈছে অপৈণত হাতৰ আঁক-বাক, জীৱ-জন্তুৰ ছবি, চিকাৰ আৰু দৈনন্দিন জীৱনযাত্ৰাৰ চিত্ৰ, চাক্ষুষ অভিজ্ঞতা ভৱিষ্যতৰ প্ৰজন্মলৈ এৰি থৈ যোৱাৰ প্ৰয়াস, একোখন ছবি যেন একোটা অভিজ্ঞান)...আৰু হয়তো 'বন্ধুত্ব'ই সামৰি লোৱা আন বহুতো অভিব্যঞ্জনা ঃ সৌহাৰ্দ্য, অনুকম্পা, আনন্দ বা উষ্মা, ব্যথা বা বিৰাগ, অন্তৰংগতা, অনুৰাগ communication, communion... বেছ কিছুসময় তেওঁ ৰঙা 'চিত্ৰ'খনৰ পিনে চাই ৰ'ল, তাৰ পিছত চাকিটো নুমাই আশ্বস্তচিত্তে শুই পৰিল, আহিৰ ধৰা টোপনিৰ টোৰ ছেৰে ছেৰে যেন তেওঁৰ মনত খেলাই গ'ল, নাই, তেওঁ ইমানদিনে ভাবি অহাৰ দৰে চিত্ৰকলা একো অবোধ্য বস্তু নহয়, একো জটিল বস্তু নহয়, চিত্ৰকলা মানে মাথোঁ বন্ধুত্ব...

* * *